# বি. এইচ. বি. মহাবিদ্যালয়

শিক্ষাবৰ্ষ - ২০২২-২৩

৪০ তম্ সংখ্যা

# আলোচনী



B.H.B College Sarupeta

## বাৰ্ষিক মুখপত্ৰ

বি. এইচ. বি মহাবিদ্যালয়
ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত

প্ৰীতি আৰু শুভেচ্ছাৰে—

প্ৰতি.................................................................

.......................................................................

| তত্ত্বাৱধায়ক | সম্পাদক |
|---|---|
| ড° প্ৰীতিৰেখা দত্ত | সৌৰভ দাস |
| স্বস্তিশ্ৰী শইকীয়া | |

# বি. এইচ. বি. মহাবিদ্যালয়
# আলোচনী

## ২০২২-২০২৩ বৰ্ষ




**সম্পাদনা সমিতি**

**সভাপতি**

ড° নয়নজ্যোতি দাস

অধ্যক্ষ, বি. এইচ. বি. মহাবিদ্যালয়

**উপদেষ্টা**

ড° দিপ্তী কলিতা

ড° কল্পনা বৈশ্য

**তত্ত্বাৱধায়ক**

ড° প্ৰীতিৰেখা দত্ত

শ্ৰী স্বস্তিশ্ৰী শইকীয়া

**শিক্ষক সদস্য**

শ্ৰী প্ৰবোধ কলিতা

শ্ৰী নৱমণি শইকীয়া

ড° অপূৰ্ব কুমাৰ বড়ো

**সম্পাদক**

শ্ৰী সৌৰভ দাস

**ছাত্ৰ সদস্য**

শ্ৰী ৰাহুল বায়ন,

সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা

শ্ৰী দিগন্ত দাস, সাংস্কৃতিক সম্পাদক

ছাত্ৰ একতা সভা

**বেটুপাত**

শ্ৰী ৰাহুল বায়ন

**মুদ্ৰক**

হৰ্ষিতা প্ৰিন্টাৰ্চ, গুৱাহাটী - ২৫

সম্পাদনা সমিতিৰ টোকা ঃ

আলোচনীত প্ৰকাশিত লেখাসমূহ প্ৰয়োজন সাপেক্ষে তত্ত্বাৱধায়ক আৰু সম্পাদনা সমিতিৰ মেজত সংশোধিত হৈছে। মতামত, সমালোচনা আৰু অনুভৱ লেখকৰ সম্পূৰ্ণ নিজা। এই ক্ষেত্ৰত আলোচনীত প্ৰকাশ পোৱা লেখা আৰু তথ্যৰ বাবে সম্পাদনা সমিতি কোনো কাৰণতে দায়বদ্ধ নহয়। লগতে আলোচনীখনত অনিচ্ছাকৃতভাৱে বৈ যোৱা ভুল ভ্ৰান্তিৰ বাবে মাৰ্জনা বিছাৰিছোঁ।

(আলোচনীত ব্যৱহৃত কিছু ফটোৰ উৎস ইণ্টাৰনেট)

# উচৰ্গা

“ভাগি গ'ল বীণখনি
ছিগি গ'ল তাঁৰ
ৰৈ গ'ল অৱশেষ
অমিয়া জোকাৰ।”

— সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা



**মিনতি দেৱী**



**ড° দুৰ্গেশ্বৰ বৰ্মন**



**ভাৰ্গৱ বৰ্মন**

আমাৰ মাজৰ পৰা অকালতে হেৰাই যোৱা বি এইচ বি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা মিনতি দেৱী, প্ৰাক্তন শৈক্ষিক সমন্বয়ক তথা অৰ্থনীতি বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° দুৰ্গেশ্বৰ বৰ্মন আৰু প্ৰতিভাৱান প্ৰাক্তন ছাত্ৰ ভাৰ্গৱ বৰ্মনৰ লগতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে পৰা জড়িত হৈ আমাৰ মাজৰ পৰা আঁতৰিযোৱা মহান ব্যক্তিসকলৰ পৱিত্ৰ সোঁৱৰণত এই বৰ্ষৰ আলোচনী “আলোক” উচৰ্গা কৰা হ'ল।

ড° হিমন্ত বিশ্ব শৰ্মা
**Dr. Himanta Biswa Sarma**

সত্যমেৱ জয়তে

মুখ্যমন্ত্ৰী, অসম
**Chief Minister, Assam**



দিছপুৰ
চি এম এছ. ৭/২০২৩/১৭২০.
৪ জেঠ, ১৪৩১ ভাস্কৰাব্দ
১৮ মে', ২০২৪ ইং

## শুভেচ্ছাবাণী

ভৱানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী প্ৰকাশৰ বাবে প্ৰস্তুতি চলোৱা বুলি জানিবলৈ পাই মই সুখী হৈছোঁ। মহাবিদ্যালয় একোখনৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক সমাজৰ বৌদ্ধিক মুখপত্ৰৰূপে মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এনে এক মহৎ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে এই মহাবিদ্যালয়ৰ বিদ্যাৰ্থী সমাজ ধন্যবাদৰ পাত্ৰ।

জীৱনৰ উত্তৰোত্তৰ উন্নতি আৰু বৃহৎ কৰ্মযজ্ঞ সমাপনৰ বাবে বুদ্ধি আৰু প্ৰতিভাৰ লগতে যি দুটা গুণৰ সমাহাৰ ঘটিব লাগে সেয়া হৈছে আশা আৰু ধৈৰ্য। প্ৰতিগৰাকী বিদ্যাৰ্থীৰ সন্মুখত জীৱনটোক উজ্বলাই তোলাৰ পথ মুকলি হৈ থাকে। তাৰ বাবে প্ৰয়োজন এক আশাবাদী মন আৰু ধৈৰ্যৰে লক্ষ্যত উপনীত হোৱাৰ মানসিকতা। মানুহে যদি নিজৰ জীৱনটো মূল্যহীন কৰি নোতোলে তেন্তে কোনো মানুহৰে জীৱন মূল্যহীন হ'ব নোৱাৰে। মহৎ প্ৰতিভা বুলিলে আমি সাধাৰণতে যিটো বুজো সি আচলতে সৰ্বসাধাৰণ মানুহতকৈ অধিক ধৈৰ্যৰ বাহিৰে আন একো নহয়। কঠোৰ অনুশীলন আৰু কামৰ প্ৰতি একাত্ম অনুভৱে ধৈৰ্যৰ বীজ অংকুৰিত কৰে। ছাত্ৰ জীৱন এক সাৰুৱা ক্ষেত্ৰ। এই ক্ষেত্ৰখনত ধৈৰ্যৰে নিজৰ প্ৰতিভাক বিকশাই তুলিলে জীৱনটো সফল হোৱা বুলি কব পাৰি। প্ৰবাদপ্ৰতিম ৰাজনীতিবিদ উইনষ্টন চাৰ্চিলে কৈছিল যে বাৰে বাৰে ব্যৰ্থতাৰ মুখ দেখিও উদ্যমহীন নহৈ আগুৱাই যাব পৰাটোৰ মাজত লুকাই আছে সফলতাৰ চাবিকাঠী। জীৱনৰ পঢ়াশালিত আটাইতকৈ গুৰুত্বপূৰ্ণ হৈছে জীৱনত আহৰণ কৰা অভিজ্ঞতা। জীৱনত আমি নিজকে সংস্থাপিত কৰাৰ পাছত কোনেও প্ৰশ্ন নকৰে যে মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত আমাৰ ফলাফল কি আছিল। এই পৃথিৱীত তিষ্ঠি থাকিবলৈ যিকেইটা গুণৰ সবাতোকৈ প্ৰয়োজন, সেয়া হৈছে পৰিস্থিতিৰ সৈতে খাপ খাব পৰা, প্ৰয়োজন অনুসৰি উদ্ভাৱন কৰিব পৰা আৰু সকলোৰে সৈতে মিলি যাব পৰা গুণ। এই গুণ কেৱল পঢ়াশালিৰ শ্ৰেণীকোঠাৰ মাজতে যে আহৰণ কৰিব পাৰি তেনে নহয়। তাক আহৰণ কৰিব পাৰি পঢ়াশালিৰ বাহিৰৰ বৃহৎ চোতালখনতো। আমি যিসকল ব্যক্তিক সফল বুলি গণ্য কৰোঁ তেওঁলোক কোনো পৃথক সমাজৰ বা সংস্কৃতিৰ পৰা ওলাই নাহে। তেওঁলোকো আমাৰ মাজৰে একো একোজন ব্যক্তি। অৱশ্যে একে হলেও যিবোৰ গুণে তেওঁলোকক পৃথক কৰে সেই গুণবোৰৰ বিষয়ে আমি সকলোৱে জনা উচিত। এবাৰৰ বাবে হলেও সেইবোৰৰ বিষয়ে গভীৰভাবে চিন্তা কৰি চোৱা উচিত। ধৈৰ্য সেই গুণসমূহৰ অন্যতম আৰু আশা, ভগৱানে মানুহক দিয়া মহত্তম উপহাৰবোৰৰ এটা।

শিক্ষক সমাজ আৰু ছাত্ৰ-ছাত্ৰীসকললৈ এনে চিন্তাৰ খোৰাক দি মই আলোচনীখনৰ সফল প্ৰকাশ কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

B.H.B. College, Sarupeta

# Message from the Principal's Desk




As we navigate through the academic journey at B.H.B. College Sarupeta, we are continually reminded of the profound impact that education has on our lives. Our college, a beacon of knowledge and growth, stands as a testament to the power of learning, community and perseverance. In these transformative years, we are not merely acquiring knowledge, we are cultivating our futures. Each lecture, each discussion, each challenge overcome, and each success celebrated is a step towards the remarkable individuals we are destined to become. Our college provides us with the tools, the environment, and the inspiration to push beyond boundaries, to innovate, and to lead. It's important to remember that the path to success is not always linear. There will be hurdles, moments of doubt, and times when the road ahead seems unclear. However, it is in these moments that our true potential is realized. Embrace the challenges, for they are the catalysts for growth. Celebrate the small victories, for they build the foundation for larger accomplishments.Our faculty and staff at B.H.B. College Sarupeta are dedicated to nurturing our intellectual and personal development. Their unwavering support and guidance are instrumental in shaping our academic and professional paths. Let us take a moment to express our gratitude for the hard work and commitment spent towards the attainment of success. As we look ahead, let us do so with confidence and hope. The future is not something that happens to us. It is something we create. Each one of us has the power to make a difference, to contribute meaningfully to our communities, and to leave a lasting impact on the world. Let our time at B.H.B. College Sarupeta is the springboard from which we launch our dreams and aspirations. To my fellow students, I encourage you to seize every opportunity that comes your way. Participate actively in your classes, engage with your peers, and take part in extracurricular activities. These experiences will enrich your college life and provide you with skills and memories that will last a lifetime. To our graduating students, as you step into the next chapter of your lives, carry with you the lessons learned and friendships forged here. Remember that you are part of a larger family – the B.H.B. College Sarupeta community. No matter where life takes you, this community will always be a source of support and pride.

In conclusion, let us all strive to make most of our time at B.H.B. College, Sarupeta. Let us be bold in our endeavors, resilient in the face of challenges, and optimistic about the future. Together, we can achieve great things and create a brighter tomorrow.

With hope and warm regards

Dr. Nayan Jyoti Das
Principal,
B.H.B. College, Sarupeta

B.H.B College, Sarupeta



# তত্ত্বাৱধায়কৰ একাষাৰ



**ড° প্ৰীতিৰেখা দত্ত**

**স্বস্তিশ্ৰী শইকীয়া**

সাহিত্য হৈছে বহুমুখী। ইয়াক ভিন ভিন দিশেৰে অধ্যয়ন কৰিব পৰা যায়। এখন সমাজ তথা এটা জাতিৰ উত্তৰণত উন্নত মানৰ সাহিত্যই এক বিশেষ ভূমিকা পালন কৰে। এই ক্ষেত্ৰত আমি ক'ব পাৰোঁ যে, সাহিত্য সৃষ্টিত সমাজৰ প্ৰভাৱ অপৰিসীম।

মহাবিদ্যালয়ৰ আলোচনী এখনো হ'ল উঠি অহা সপ্ৰতিভ এখিনি ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক উকমুকনিৰ বীজ ৰোপণৰ অন্যতম মাধ্যম। বৃহত্তৰ সৰুপেটা অঞ্চলৰ একমাত্ৰ উচ্চশিক্ষানুষ্ঠান বি এইচ বি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "আলোক" হ'ল গ্ৰামাঞ্চলৰ বিভিন্ন প্ৰান্তৰ পৰা বোকা পানী গচকি নিভাঁজ জীৱনৰ সংগ্ৰাম এখিনি বুকুত সামৰি লৈ অহা সৰল আৰু উজ্জ্বল চকুৰ উঠি অহা এসোপা দুৰন্ত তৰুণৰ কলমেৰে নিগৰি ওলোৱা জীৱন্ত শব্দৰে কৰা বৌদ্ধিক কচৰতৰ এক আৰম্ভণি। কাৰণ, জুইশালত উঠিলেহে কমাৰশালত উঠিব পাৰি। মহাবিদ্যালয় পৰ্যায়তে হাতত তুলি লোৱা বহু কলমত নিৰ্ণীত হয় ভৱিষ্যৎ সাহিত্য নিৰ্মাণৰ দীঘলীয়া বাট।

বৰ্তমান ইলেক্ট্ৰনিক তথা ডিজিটেল মেডিয়াৰ আগ্ৰাসনে ছপা মাধ্যমলৈ এক অশনি সংকেত কঢ়িয়াই আনিছে। ডিজিটেল মাধ্যমে সমগ্ৰ বিশ্বৰ বিভিন্ন জ্ঞান আহৰণৰ সুবিধা প্ৰদান কৰিছে। এয়া আমাৰ বাবে এক ইতিবাচক দিশ। কিন্তু তাৰ সমান্তৰালকৈ নতুন প্ৰজন্মই বিভিন্ন পেজ, সামাজিক মাধ্যম আদি ডিজিটেল মাধ্যমসমূহত সাহিত্য চৰ্চা কৰা দেখা গৈছে। পৰিৱৰ্তন আৱশ্যম্ভাৱী আৰু ভাল দিশ কিছুমান আমি আদৰি লোৱাটো আমাৰ দায়িত্ব। তথাপি শিপা বিচ্ছিন্ন হৈ নহয়। কাৰণ, সভ্যতাৰ ইতিহাসত ছপাশালৰ আৱিষ্কাৰ এক যুগান্তকাৰী ঘটনা। সাহিত্য চৰ্চাৰ বাবে নতুন প্ৰজন্মই কেৱল ডিজিটেল মাধ্যমকে অত্যাধিক ব্যৱহাৰ কৰিলে বাতৰি কাকত, আলোচনী আদি ছপা মাধ্যমসমূহৰ মৃত্যুঘণ্টা বাজিব, যিটো ভৱিষ্যৎ সময়ৰ বাবে এক অশুভ সংকেত। ডিজিটেল মাধ্যমত লেখকৰ অবাধ স্বাধীনতাৰ বিপৰীতে ছপা মাধ্যমত সম্পাদনা কক্ষৰ শোধন আৰু তুলাচনীৰ মাজেৰেহে লেখা এটা পাঠকৰ মাজলৈ আহে। ছাত্ৰ অৱস্থাৰ হাত এখনক বিশেষকৈ শোধন প্ৰক্ৰিয়া এটাই মজবুত কৰে। ছপা মাধ্যম আৰু ডিজিটেল মাধ্যম এই দুয়ো মাধ্যমেই আমি ব্যৱহাৰ কৰিব লাগিব। দুয়ো মাধ্যমৰ ভাল দিশখিনিৰ পৰা আহৰিত জ্ঞানেৰে আমি নিজস্ব চিন্তন, মনন আৰু কৰ্ষণৰ মাধ্যমেৰে উত্তৰণৰ বাট কাটিব লাগিব।

'আলোক' আলোচনীখনৰ তত্ত্বাৱধায়কৰ দৰে গুৰু দায়িত্ব এটা পালন কৰোঁতে আমাৰ বোধ হৈছে যে, উত্তৰ প্ৰজন্মক ডিজিটেল মাধ্যমৰ সমান্তৰালকৈ ছপা মাধ্যমৰ প্ৰতি আগ্ৰহান্বিত কৰাতো শিক্ষক হিচাপে আমাৰ নৈতিক দায়িত্ব। সেই মহান উদ্দেশ্য আগত ৰাখিয়েই অসমৰ বিভিন্ন প্ৰান্তৰ পাঠক সমাজলৈ আমাৰ ল'ৰা-ছোৱালীহঁতৰ কুমলীয়া হাতৰ হেঁপাহবোৰ ছপা ৰূপেৰে "আলোক" নামেৰে বৰ আন্তৰিকতাৰে আগবঢ়াই দিছোঁ। সুধীজনৰ উৎসাহ তথা গঠনমূলক দিহা-পৰামৰ্শ আমাৰ একান্তই কাম্য।

ধন্যবাদেৰে
ড° প্ৰীতিৰেখা দত্ত
স্বস্তিশ্ৰী শইকীয়া
তত্ত্বাৱধায়ক,
বাৰ্ষিক আলোচনী "আলোক"
২০২২-২৩ ইং বৰ্ষ

B.H.B. College, Sarupeta



# সম্পাদকৰ একলম

সময়ৰ পৰিৱৰ্তনৰ বতাহে সাহিত্যৰো পৰিৱৰ্তন সাধন কৰে। ছপা মাধ্যম এটা কালজয়ী যোগাযোগৰ সঁজুলি। সাম্প্ৰতিক সময়ত ডিজিটেল মাধ্যমৰ জনপ্ৰিয়তা আৰু প্ৰসাৰৰ ফলত সমগ্ৰ বিশ্বতে ছপা মাধ্যমৰ প্ৰাসংগিকতা হ্ৰাস পোৱা যেন লাগে। কিন্তু বৰ্তমান সময়তো ছপা মাধ্যমৰ প্ৰয়োজনীয়তা এক গুৰুত্বপূৰ্ণ যোগাযোগৰ আহিলা হিচাপে অটুট আছে। ছপা মাধ্যমে তথ্যৰ এক স্পষ্ট আৰু বিশ্বাসযোগ্য উৎস আগবঢ়ায়। ভুৱা বাতৰি আৰু ভুল তথ্যৰ দ্বাৰা জুৰুলা সময়খিনিত ছপা মাধ্যমে পৰীক্ষিত তথ্যৰ নিৰ্ভৰযোগ্য উৎস হিচাপে ঠিয় দিছে। ডিজিটেল মাধ্যমে পৰিৱেশত আধিপত্য বিস্তাৰ কৰাৰ বিপৰীতে ছপা মাধ্যমে পৰিপূৰক ভূমিকা পালন কৰি আহিছে। ছপা প্ৰকাশনে পৰ্দাৰ ক্লান্তিৰ পৰা ৰেহাই দিয়ে আৰু অধিক নিমজ্জিত হৈ পঢ়াৰ অভিজ্ঞতা দৰ্শকক প্ৰদান কৰে। প্ৰিণ্ট আৰু ডিজিটেল কৌশলসমূহ একত্ৰিত কৰি ব্যৱসায় আৰু সংস্থাসমূহে বহল দৰ্শকৰ মাজলৈ যাব পাৰে আৰু ব্ৰেণ্ডৰ দৃশ্যমানতা বৃদ্ধি কৰিব পাৰে। ইয়াৰ উপৰিও জনবিশ্বাসৰ বিপৰীতে ছপা মাধ্যম পৰিৱেশৰ প্ৰতি বহনক্ষম হ'ব পাৰে। ছপা পদ্ধতিৰ উন্নতি আৰু পুনঃব্যৱহৃত কাগজৰ ব্যৱহাৰৰ ফলত ছপা প্ৰকাশনে পৰিৱেশৰ ওপৰত ইয়াৰ প্ৰভাৱ কম কৰিছে। ইয়াৰ উপৰিও ছপা সামগ্ৰীৰ স্থায়িত্বই অহৰহ ডিজিটেল সামগ্ৰীৰ ব্যৱহাৰৰ ফলত সৃষ্টি হোৱা ইলেক্ট্ৰনিক আৱৰ্জনা হ্ৰাস কৰাত অৰিহণা যোগায়।

আধুনিক যুগত ছপা মাধ্যমৰ গুৰুত্ব আওকাণ কৰিব নোৱাৰি। ছপা মাধ্যমৰ অনন্য সুবিধাসমূহ স্বীকাৰ কৰি আৰু ইয়াক ব্যাপক যোগাযোগ কৌশলৰ সৈতে একত্ৰিত কৰি, ব্যক্তি আৰু ব্যৱসায়ীসকলে ইয়াৰ সুবিধাসমূহ গ্ৰহণ কৰি লাভান্বিত হ'ব পাৰে।

ডিজিটেল মাধ্যমৰ আধিপত্য বিস্তাৰৰ যুগ এটাত ছপা মাধ্যমক জীয়াই ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ সুযোগ প্ৰদান কৰাৰ একমাত্ৰ মাধ্যম হৈছে মহাবিদ্যালয় এখনৰ আলোচনী। ছপা মাধ্যমক জীয়াই ৰখাটো আমাৰ ছাত্ৰ সমাজৰো কৰ্তব্য। সেই মহান উদ্দেশ্য আগত ৰাখিয়েই ২০২২-২৩ বৰ্ষৰ বি এইচ বি মহাবিদ্যালয়ৰ আলোচনী 'আলোক' আপোনালোক সকলোলৈ আন্তৰিকতাৰে আগবঢ়াই দিছোঁ। গঠনমূলক দিহা-পৰামৰ্শৰে আপোনাসৱে উৎসাহিত কৰিলে আমি কৃতাৰ্থ হ'ম।

আহক, ভৱিষ্যৎ প্ৰজন্মৰ মাজত ছপা মাধ্যমৰ সাহিত্যক জীয়াই ৰখাৰ স্বাৰ্থত আমি সকলোৱে বাতৰি কাকত, আলোচনী ইত্যাদি অধ্যয়নৰ অংশীদাৰ হৈ নতুন আৰু সুস্থ সমাজ এখন গঢ়াৰ বাবে দৃঢ় সংকল্প লওঁ আহক......

ধন্যবাদেৰে

**সৌৰভ দাস**
সম্পাদক,
বি. এইচ. বি. মহাবিদ্যালয় আলোচনী
২০২২-২৩ ইং বৰ্ষ

B.H.B College, Sarupeta

# বিষয়-বিন্যাস

**অন্তৰংগঃ**


২০২৩ বৰ্ষৰ সাহিত্য অকাডেমী যুৱ বঁটা প্ৰাপক
জিন্তু গীতাৰ্থৰ সৈতে এখন্তেক # ১১


**চিন্তা বিচিত্ৰা**


ৰঘুনাথ চৌধাৰীৰ অন্তিম জ্যোতি এটি আলোকপাত— ড° কল্পনা বৈশ্য # ১৪
নাৰীবাদী প্ৰেক্ষাপটত মানৱ অধিকাৰ— ড° দিপ্তী কলিতা # ১৮
ড° ভূপেন হাজৰিকাৰ গীতত সাম্প্ৰদায়িক সম্প্ৰীতি— ড° নমিতা দাস গুৰুং # ২০
শীলভদ্ৰৰ 'মধুপুৰ বহুদূৰ'— অসমীয়া আঞ্চলিক সাহিত্যৰ এক অনবদ্য সংযোজন— ড° প্ৰীতি ৰেখা দত্ত# ২২
সামাজিক মাধ্যম ঃ শিক্ষাৰ্থীৰ উদ্বেগ আৰু আত্মমৰ্যাদাৰ ওপৰত ইয়াৰ প্ৰভাৱ— শংকুদীপ দাস # ২৬
অসমৰ লোকসমাজত প্ৰচলিত অপশক্তি সম্পৰ্কীয় বিশ্বাস ঃ এক অধ্যয়ন— দিপ তালুকদাৰ # ২৮
এনিমেৰ পৃথিৱীখন আৰু ভাল লগা শৈশৱ— ৰিদিপ বৰ্মন # ৩০
ইছলাম ধৰ্মত মহৰমৰ গুৰুত্ব— ফাৰহিনা চুলতান # ৩১
মহাবীৰ লাচিত— সমলয় আৰ. এন. কাশ্যপ # ৩২
বন্ধুত্ব এক চিৰসেউজ সম্পৰ্ক— পিংকী দাস # ৩৫
কৃত্ৰিম বুদ্ধিমত্তা আৰু সাম্প্ৰতিক সময়— তন্ময় বৰ্মন # ৩৬
এক নিভাঁজ নাম- বন্ধুত্ব— পম্পী ৰয় # ৩৮


**চুটি গল্প— (গো খোজে নভোমণ্ডলম্)**


বৰষুণ — মৃদুস্মান নাথ # ৪০
মাজনিশাৰ এক আধৰুৱা কাহিনী — সাগৰিকা পাঠক # ৪১
কথা কাহিনী — বিদ্যুৎ পাঠক # ৪২


**অণুগল্প ঃ (বিন্দুত সিন্ধুৰ চিত্ৰায়ণ)**


সন্তান — দিগন্ত দাস # ৪৫
হাঁহি - সীমাশ্ৰী কলিতা # ৪৫
স্বচ্ছতা কিমান? — অংকিতা # ৪৬
নীলা দোলনাখন — উপম নাথ # ৪৬


**গ্ৰন্থ সমলোচনা ঃ**


মৃণাল কলিতাৰ "বকুল ফুলৰ দৰে"— কৃষ্ণা দাস # ৪৮
নৱকান্ত বৰুৱাৰ "কপিলী পৰীয়া সাধু ঃ বিহংগম
দৃষ্টিৰে এক আলোচনা — নিকুঞ্জ বৰ্মন # ৫০




B.H.B. College, Sarupeta

**অনুবাদ সাহিত্য ঃ (ভাৱৰ ৰূপান্তৰকৰণ)**
ফাকুৱাৰ ৰং — ড° নমিতা দাস # ৫২

**নীলা খামৰ চিঠি ঃ (কুকুৰা ঠেঙীয়া আখৰকেইটিত যি অমিয়া ঘঁহা আছে ক'তো আৰু নাই)**
ডেইজী নাথ # ৫৫
প্ৰিয়া দাস # ৫৫
বিদ্যুৎ পাঠক # ৫৬
বৰষা দাস # ৫৭
বিভা কলিতা # ৫৮



**কাব্যকানন (ছন্দৰ বাংময় বাট)**
কৃষ্ণকামনা — পিংকী দাস # ৬০
নিৰ্জনতা — ৰিমি পাঠক # ৬০
অতন্দ্ৰ প্ৰহৰী — সৌৰভ তালুকদাৰ # ৬১
তোৰ মায়ে কৈছোঁ — জোনদ্বীপ পাঠক # ৬১
পৰিৱৰ্তন সময়ৰ — ডেইজী নাথ # ৬২
নিৰস্ত্ৰ মই— ৰিদিপ বৰ্মন # ৬২
পুনৰ আহিবা ভূপেনদা — মিনু ৱাৰা বেগম # ৬৩
ৰামধেনু — দ্বীপশিখা কলিতা # ৬৩
প্ৰকৃতি — ভুগুমণি দাস # ৬৪
বেদনাৰ ধুমুহা — ৰশ্মিৰেখা দাস # ৬৪
উভতি যাব পৰা হ'লে — আচমিনা বেগম # ৬৫
বি. এইচ. বি মহাবিদ্যালয় — চবনম চুলতানা # ৬৫
আই — গাৰ্গি শৰ্মা # ৬৬
কৰ্ম — ফাৰহিনা চুলতানা # ৬৬
অনুভৱ — শেৱালী দাস # ৬৭
এই কচৰৎ অবিৰত — ফৰিনা ইয়াচমিন # ৬৭
মা এক শ্বাশ্বত অনুভৱ — প্ৰিয়াংখী কলিতা # ৬৮
ছন্দ জীৱনৰ —উজ্বল পাঠক # ৬৮
সাহস সময়ৰ — ৰুমী নাথ # ৬৯
সময় — ববী ডেকা # ৬৯



**ENGLISH (Section)**
India as an Emerging Global Power - Krishna Das # ৭১
Mumbai Terror Attacks of 2008 - Saurav Das # ৭৩
Murderous Online Games How to Protect the Youth - Khagari Baruah # ৭৬
Unleashing Life's Surprise : Embrace Spontaneity - Hiyangana Das # ৭৮
Cricket IPL - Sagar Das # ৭৯

B.H.B. College, Sarup...a

Unveiling the Wonders : Exploring the facts of the Universe - Sankudip Das # ৮০
Child Labour a Real Abuse to Humanity - Jit Jyoti Taludar # ৮১
Education - Alismita Kalita # ৮২



**बड़ो बिभाग**

मोदै – जींसारू रामसियारी # ৮৪
आंनि साथा – मौतिन रामसियारी # ৮৪
खन्थाइ – निका बसुमतारी # ৮৫
बड'फा – महिम स्वरगियारी # ৮৫
आइनि बिबुंथि – अनसुमै बर' # ৮৬
गोर्बो दावदाव – मन्तु बसुमतारि # ৮৬
आंबु गोसीनि फिननाय – ज़निका नारजारि # ৮৭
सानजाहा सोरां जाबाय – माया स्वरगियारी # ৮৭
मानि जाहोनाव – रबिराम बर' # ৮৮
खेराइ पूजा – गितिका रामसियारी' # ৮৮
गोदान बर' खन्थाइनि बिर्थिनि सायाव दान्दिसे नोजोर – रुपा बसुमतारी # ৮৯

**সম্পাদকৰ প্ৰতিবেদন**

সাধাৰণ সম্পাদক — ৰাহুল বায়ন # ৯৪
সহঃ সাধাৰণ সম্পাদক — হৃষিকেশ নাথ # ৯৬
সাহিত্য সম্পাদক — সৌৰভ দাস # ৯৭
সাংস্কৃতিক সম্পাদক — দিগন্ত দাস # ৯৮
লঘু খেল সম্পাদক — ধ্ৰুৱ দাস # ৯৯
তৰ্ক বিভাগ সম্পাদক — গুঞ্জন নাথ # ১০০
সমাজ সেৱা সম্পাদক — ৰহিমুল হক # ১০১
ছাত্ৰ জিৰণি কোঠা সম্পাদক — জ্যোতিৰ্ময় বৰ্মন # ১০২
ছাত্ৰী জিৰণি কোঠা সম্পাদিকা — কৰিণা কলিতা # ১০৩
শৰীৰ চৰ্চা সম্পাদক — ৰূপজ্যোতি দাস # ১০৪



B.H.B College, Sarupeta



## ২০২৩ বৰ্ষৰ সাহিত্য অকাডেমী যুৱ বঁটা প্ৰাপ্ত জিন্তু গীতাৰ্থৰ সৈতে এখন্তেক

**প্ৰশ্ন ঃ ২০২৩ বৰ্ষৰ সাহিত্য অকাডেমি যুৱ বঁটাৰে সন্মানিত হোৱা বাবে আপোনালৈ আমাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা আন্তৰিক অভিনন্দন জনালোঁ। সাহিত্যৰ পথাৰখনত বিচৰণৰ বাবে কিদৰে আৰু কেতিয়াৰ পৰা আপোনাৰ মনত আগ্ৰহ জন্মিছিল ? এইক্ষেত্ৰত আপোনাৰ পিতৃ-মাতৃ আৰু পাৰিপাৰ্শ্বিক অৱস্থাৰ প্ৰভাৱ কেনেধৰণৰ আছিল ?**

উত্তৰ ঃ ধন্যবাদ। একেবাৰে সৰু থাকোঁতে বাতৰি কাকতবোৰৰ শিশু পৃষ্ঠাত লিখিছিলোঁ। তেতিয়া মোৰ দেউতাই গুৱাহাটীত অটো চলাইছিল। ঘৰলৈ যাওতে দেউতাই প্ৰতিবাৰে কিতাপ লৈ গৈছিল। মা জাতীয় বিদ্যালয়ৰ শিক্ষক আছিল। মায়ে নিয়মীয়াকৈ নন্দিনী, প্ৰিয় সখী আদি মহিলা আলোচনীবোৰ লৈছিল। সেইবোৰ লুকাই চুৰকৈ পঢ়িছিলোঁ। পূজা-সভালৈ গ'লে সৰুৰে পৰাই মা-দেউতাই কিতাপ কিনি দিছিল।

**প্ৰশ্ন ঃ আপোনাৰ বেছি সংখ্যক গল্পত বয়সৰ জোখেৰে আপোনাৰ অভিজ্ঞতাৰ বিস্তৃতি পৰিলক্ষিত হয়। গল্পসমূহ পঢ়িলে এনে লাগে যেন লেখকজন বয়সেৰে বহু ডাঙৰ। এই ক্ষেত্ৰত আপোনাৰ মতামত কি বা কি ধৰণেৰে আপুনি অভিজ্ঞতাৰ উত্তৰণ ঘটাইছে?**

উত্তৰ ঃ গল্প এটা মোৰ মনলৈ যিদৰে আহে সেইদৰেই লিখোঁ। অৱশ্যে যোৱা সাত আঠ বছৰত মোৰ সমবয়সীয়া বন্ধু খুব কমেইহে হৈছে। কটনত পঢ়িবলৈ অহাৰ পাছৰে পৰা সাহিত্য জগতখনত সোমোৱাৰ পাছত মোতকৈ বয়সত ডাঙৰ লোকসকলৰ সৈতেহে মোৰ বন্ধুত্ব বেছি হৈছিল। মিহিৰ দেউৰী, গীতালি বৰা, মণিকা দেৱী, জুৰি বৰুৱা, প্ৰীতিৰেখা ভূঞা - এইসকল সম্পাদক সাহিত্যিক বয়স, অভিজ্ঞতা আৰু প্ৰজ্ঞাৰে মোতকৈ বহু ওপৰত। তেখেতসকলৰ লগত মই বহু সময় পাৰ কৰিছোঁ। বিভিন্ন ঠাইলৈ গৈছোঁ। হয়তো তেওঁলোকৰ জগতখনক চোৱাৰ ধৰণে মোক প্ৰভাৱিত কৰিছিল। সেয়াও কাৰণ হ'ব পাৰে।

**প্ৰশ্ন ঃ শেহতীয়াকৈ আপুনি অনুবাদ গল্পৰো কাম কৰি আছে। গল্প অনুবাদ কৰাৰ লগতে অনুবাদ গ্ৰন্থও প্ৰকাশ কৰিছে। বিশেষকৈ গৰিয়সীৰ পাতত সদ্যপ্ৰকাশিত হামিৰুদ্দিন মিদ্যাৰ বাংলা গল্প 'কবৰ'ৰ আপুনি কৰা অনুবাদক পাঠক সমাজে যথেষ্ট আকোঁৱালি লৈছে। অসমীয়া গল্প আৰু ভাৰতীয় গল্পৰ আবেদন সম্পৰ্কে আপুনি কি ক'ব আৰু লগতে ভাৰতীয় বা অন্যান্য গল্প অনুবাদৰ ক্ষেত্ৰত ভাবানুবাদক আপুনি কিদৰে অসমীয়া ঠাঁচত গঢ়ি পাঠকক আস্বাদিত কৰিবলৈ চেষ্টা কৰে অলপ জনাবচোন।**

উত্তৰ ঃ হয়। মই ভাবোঁ, অন্য ভাষাৰ উৎকৃষ্ট সাহিত্যসমূহ আমাৰ ভাষাৰ পঢ়ুৱৈয়ে পঢ়িব লাগে। সেইদৰে আমাৰ ভাষাৰ উৎকৃষ্ট সাহিত্যও আন ভাষালৈ অনুদিত হোৱাৰ প্ৰয়োজন আছে। অনুবাদ এক কঠিন কলা। সকলোৰে কৰিব পৰা নহয়। অনুবাদৰ কাৰণে মূল লেখকজনৰ ঠাইত ঠিয় হৈ চাব লাগে। সেইদৰে অনুবাদ কৰোঁতে আমাৰ ভাষাৰ কালিকাক সঠিক ধৰণে প্ৰয়োগ কৰাটোও এক কলা। মই নিজে অনুবাদ কৰোঁতে পাশ্চাত্য সাহিত্যতকৈ ভাৰতীয় আৰু বিশেষ উত্তৰ পূৰ্বাঞ্চলৰ সাহিত্যক অগ্ৰাধিকাৰ দিও।

**প্ৰশ্ন ঃ সাহিত্য চৰ্চাৰ মহান উদ্দেশ্যই হৈছে নতুন দিশৰ সন্ধান দি উত্তৰ প্ৰজন্মক সাহিত্য সৃষ্টিৰ বাবে অনুপ্ৰেৰণা যোগোৱা। হাতত কলম তুলি লোৱাৰ সময়ছোৱাত আপুনি বিশেষভাৱে কোনো অগ্ৰজ সাহিত্যিকৰ সাহস আৰু অনুপ্ৰেৰণা পাইছিলনে ? এই সন্দৰ্ভত আপুনি কি ক'ব ?**

উত্তৰ ঃ নিশ্চিতভাৱে। প্ৰথমেই নাম ল'ব লাগিব গীতালি বৰাৰ। সম্পাদক হিচাপে অতি কঠোৰ গীতালি বৰা বাইদেউৰ সান্নিধ্যই মোক শিকাইছে লেখাৰ প্ৰতি সৎ হ'বলৈ। তাৰ পাছতে মিহিৰ দেউৰী দা। গৰীয়সী আলোচনীৰ সম্পাদনাৰ লগত জড়িত হৈ থাকোঁতে অংকুৰ ডেকা দায়ো বহু প্ৰেৰণা দিছিল। আন এগৰাকী তেনে অগ্ৰজ লেখক হৈছে ৰীতা চৌধুৰী বাইদেউ।

**প্ৰশ্ন ঃ আপুনি কেৱল গল্পৰ মাজতে সীমাবদ্ধ নাথাকি উপন্যাসৰ ক্ষেত্ৰখনতো বিচৰণ কৰিছে। গল্প অথবা উপন্যাসৰ চৰিত্ৰ সৃষ্টিত বাস্তৱ জীৱনে বিশেষ ভূমিকা গ্ৰহণ কৰে। এই ক্ষেত্ৰত আপোনাৰ উপন্যাস "ছায়ানক্ষত্ৰ"ৰ 'গীত' চৰিত্ৰটোৰ কথা চমুকৈ ক'বনেকি ?**

B.H.B College, Sarupeta

উত্তৰ ঃ গীত চৰিত্ৰটো বাস্তৱৰ পটভূমিতেই ৰচিত। উপন্যাসখনৰ বহু অভিজ্ঞতা মোৰ নিজা। বাংগালোৰত গৈ ঘূৰি ফুৰা, পাণবজাৰত পিছলি পৰা তেনেকুৱা কিছুমান মৰ্মন্তুদ অভিজ্ঞতা মোৰ হৈছিল। অৱশ্যে কাহিনীটোত ঠায়ে ঠায়ে কল্পনাৰ আশ্ৰয়ো লোৱা হৈছে।

**প্ৰশ্ন ঃ আপুনি এখন মহাবিদ্যালয়ৰ শিক্ষক। শিক্ষকতা আৰু সৃষ্টিশীলতা এই দুই গধুৰ দায়িত্ব আপুনি খুব সুন্দৰকৈ পালন কৰি আছে। এই দুই ক্ষেত্ৰত একেলগে কাম কৰোতে আপুনি পোৱা সুবিধা আৰু অসুবিধা সম্পৰ্কে অলপ কওকচোন।**

উত্তৰ ঃ অসুবিধা বহু আছে। এতিয়া আৰু মহাবিদ্যালয়ৰ শিক্ষকতা কেৱল শিক্ষকতাতেই সীমাবদ্ধ হৈ থকা নাই। চৰকাৰক এতিয়া প্ৰতিটো কামৰ প্ৰমাণ দিব লাগে। জিঅ' টেগ ফটোৱেই এতিয়া মূল কথা। তাৰ লগত ওপৰঞ্চিকৈ আহি পৰা দায়িত্ববোৰ আছেই। গতিকে সৃষ্টিশীল কাম কাজৰ ধাৰাবাহিকতা ৰখাটো সম্ভৱ নহয়। গল্প একোটা ধাৰণ কৰাৰ পাছত হয়তো ভাবৰ প্ৰৱাহ ব্যাহত হয়। হয়তো চিৰদিনৰ কাৰণে চৰিত্ৰ এটাই হাত এৰা দিব পাৰে। মোৰ নিজৰেই তেনেকুৱা হৈছে। সুবিধা বুলি ক'বলৈ তাৰ মাজতো লেখাৰ সমল পাব পাৰি। বিচিত্ৰ চৰিত্ৰবোৰক পৰ্যৱেক্ষণ কৰিব পাৰি। বছৰ বছৰ ধৰি মহাবিদ্যালয়ত শিক্ষকতা কৰা মানুহবোৰৰ বিচিত্ৰ ৰেহ ৰূপ, ব্যক্তি হিচাপে থকা সংকীৰ্ণতা এইবোৰেও গল্পৰ চৰিত্ৰ হৈ উঠিব পাৰে।

**প্ৰশ্ন ঃ সাম্প্ৰতিক সাহিত্যৰ ধাৰাক লৈ আপুনি সুখীনে? এই সম্পৰ্কে আপোনাৰ মতামত কি?**

উত্তৰ ঃ অসমীয়া সাহিত্যত গল্পৰ ধাৰাটো অত্যন্ত শক্তিশালী। কবিতাৰ ক্ষেত্ৰত অলপ তুলনামূলকভাৱে দুৰ্বল যেন অনুভৱ হয়। সেইদৰে উপন্যাসৰ ক্ষেত্ৰতো বহুদিন দুৰ্দান্ত উপন্যাস পঢ়িবলৈ পোৱা নাই। জনপ্ৰিয় বহুত হয়। এহাজাৰ পৃষ্ঠাৰ নিৰিবিলি নামৰ সুৰসুৰনি তোলা উপন্যাস (?) গণ্ডাই গণ্ডাই বিক্ৰী হয়। কিন্তু সেইবোৰ জানো সাহিত্য বুলিব পাৰি? মই এই কথাত শংকিত হও যে যুৱ প্ৰজন্মই দৰাচলতে সাহিত্যৰ নামত কি পঢ়িছে?

**প্ৰশ্ন ঃ আপোনাৰ সাহিত্য অকাডেমি যুৱ বঁটা প্ৰাপ্ত "মন মৰা তৰা" গল্প সংকলনখনত সন্নিৱিষ্ট 'খেলা ঘৰ', 'জালকে বুলিবি জকাই', 'খণ্ডহৰৰ গল্প', 'মন মৰা তৰা', 'ইনাৰা', 'বৃক্ষছায়া নাইবা ময়াপী' আদি ১২ টা গল্পৰ কেউটা গল্পতে বাস্তৱ জীৱনৰ চিৰন্তন সত্যৰ ভিন্ন আৰু অগতানুগতিক প্ৰকাশ দেখিবলৈ পোৱা গৈছে। গল্পসমূহৰ পটভূমি নিৰ্মাণত আপুনি ক্ষেত্ৰভিত্তিক অধ্যয়নৰ সহায় লৈছিল নেকি?**

উত্তৰ ঃ বাস্তৱৰ পৰাই গল্পবোৰৰ সৃষ্টি। মন মৰা তৰা গল্পটো লিখিছিলোঁ কেনেকৈ আমাৰ ঘৰৰ ওচৰতে ভেন্সাৰ স্কুল এখন আছিল। সৰুতে এবাৰ দুবাৰ যোৱা মনত পৰে। বহু বছৰ পাছত এদিন স্কুলখনৰ ছাৰজনক ৰেল ষ্টেচনত লগ পাইছিলোঁ। স্কুলখন প্ৰাদেশিকৰণ নহ'ল। ছাৰক লগ পোৱাৰ পাছত সেই গল্পটো লিখিছিলোঁ। সেইদৰে 'ইনাৰা' গল্পটো লিখিছিলোঁ আমচাঙত হোৱা উচ্ছেদৰ পাছত। গল্পকাৰ জুৰি বৰুৱাৰ সৈতে তেখেতৰ গৱেষণাৰ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাবে আমচাঙৰ উচ্ছেদিত ঘৰবোৰলৈ প্ৰায় এবছৰ পাছত গৈছিলোঁ। তাৰ পৰা আহি ইনাৰা গল্পটো লেখিছিলোঁ। সচেতনভাবে ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰা নাই যদিও বাস্তৱৰ পৰাই গল্পবোৰৰ প্ৰাণ আহৰিত।

**প্ৰশ্ন ঃ এই আলোচনীখনৰ মাধ্যমেৰে আপুনি উঠি অহা প্ৰজন্মক সৃজনীশীল সাহিত্য সৃষ্টিৰ বাবে কি ধৰণেৰে পৰামৰ্শ দিব?**

উত্তৰ ঃ প্ৰথম কথা সফলতাৰ চমু বাট নাথাকে। ভাল লিখিবৰ বাবে পঢ়িবই লাগিব আৰু বাৰে বাৰে লিখিব লাগিব। দ্বিতীয় কথা পঢ়োঁতে সচেতন হ'ব লাগিব। জনপ্ৰিয় হ'ল বুলিয়েই যে কিতাপ এখন ভাল হ'ব তেনে নহয়। সাম্প্ৰতিক সাহিত্যৰ ধাৰা জানিবলৈ আলোচনীবোৰ নিয়মীয়াকৈ পঢ়া উচিত। লগতে আন ভাষাৰ সাহিত্যও পঢ়িলৈ চেষ্টা কৰা উচিত।

**সাক্ষাৎগ্ৰহণ ঃ ড° প্ৰীতিৰেখা দত্ত আৰু সৌৰভ দাস**

B.H.B College, Sarupeta



# চিন্তা-বিচিত্ৰা

ভাষা ভাবৰ বাহ্যিক আকৃতি

- লক্ষ্মীনাথ বেজবৰুৱা

B.H.B. College, Sarupeta

# ৰঘুনাথ চৌধাৰীৰ ‘অন্তিম জ্যোতি’ ঃ এটি আলোকপাত

ড° কল্পনা বৈশ্য
সহযোগী অধ্যাপক আৰু মুৰব্বী,
অসমীয়া বিভাগ,
বি এইচ বি মহাবিদ্যালয়

**কবি পৰিচয় ঃ**

**ৰঘুনাথ চৌধাৰী** ঃ (জন্ম - ১৮৭৮ - মৃত্যু - ১৯৬৭)

অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত ‘বিহগী’ কবিৰূপে খ্যাত ৰঘুনাথ চৌধাৰী নৱন্যাস আন্দোলনক পৰিপুষ্ট কৰা কবি সকলৰ ভিতৰত নিঃসন্দেহে শ্ৰেষ্ঠ কবি। ‘কবিৰত্ন’ অলংকাৰেৰে বিভূষিত কুৰি শতিকাৰ আদিভাগৰ খ্যাতনামা কবি ৰঘুনাথ চৌধাৰী ‘জোনাকী’ যুগৰ পৰা মৃত্যুৰ আগমূহূৰ্ত্তলৈকে অসমীয়া সাহিত্য আকাশত তিনিকুৰিৰো অধিক কাল সাহিত্য সাধনাৰে এক জীৱন্ত ইতিহাসৰূপে নিজকে দাঙি ধৰিবলৈ সক্ষম হৈছিল। ব্যক্তিগত জীৱনৰ দুখ - বেদনা আৰু সংঘাতপূৰ্ণ সময়ক নেওচা দি নিৰন্তৰ সাহিত্যৰ জগতখনত থাকি পাঠকক আনন্দ প্ৰদানৰ চেষ্টা অব্যাহত ৰাখিছিল। এই গৰাকী প্ৰকৃতি কবিৰ জন্ম হয় কামৰূপ জিলাৰ লাওপাৰা গাঁৱত ১৮৭৮ খৃষ্টাব্দৰ মাঘ মাহৰ পাঁচ তাৰিখত। কেঁচুৱা অৱস্থাতে পিৰালিৰ পৰা পৰি শিলৰ চেপাত দুয়োখন ভৰি সোমাই পৰাত বিকলাঙ্গ শৰীৰৰ অসহনীয় বোজা মূৰ পাতি লৈ জীৱন যুদ্ধত আগবাঢ়িছিল। শাৰীৰিক এনে দুৰ্যোগ আৰু তাৰ লগে লগে পাৰিবাৰিক দুৰ্যোগৰ মাজত জীৱন অতিবাহিত কৰি এই গৰাকী স্থিতপ্ৰজ্ঞ কবিয়ে নিজৰ মনোবল অক্ষুণ্ণ ৰাখিছিল। কবি চৌধাৰীয়ে চাৰি বছৰ বয়সতে মাতৃ দয়ালতাৰ লগতে ককায়েক - বায়েককো হেৰুৱাব লগা হয়। আনৰ আশ্ৰয়ত ডাঙৰ - দীঘল হোৱা ৰঘুনাথ চৌধাৰীয়ে ল’ৰা কালতে পিতৃ ভোলানাথ চৌধাৰীকো হেৰুৱাই নিথৰুৱা জীৱনৰ করুণ স্মৃতিক সাৱোগত কৰি জীৱন অতিবাহিত কৰে, যাৰ ফলত পৰৱৰ্তী সময়ছোৱা বৈৰাগ্য ভাবে কবিক আৱৰি আছিল।[১]

ৰঘুনাথ চৌধাৰীৰ শিক্ষা জীৱনো সংঘাতপূৰ্ণ আছিল। পঢ়াশলীয়া শিক্ষা আহৰণৰ সময়ত হাইস্কুলৰ শিক্ষকৰ সৈতে হোৱা মনোমালিন্যৰ বাবে শিক্ষা জীৱনৰো সামৰণি পৰিছিল। মানৱীয় সমাজত লাভ কৰা দুখ - বেদনাক হাঁহিমুখে গ্ৰহণ কৰি কবি চৌধাৰীয়ে প্ৰকৃতি জগতত আশ্ৰয় লৈছিল। প্ৰকৃতি জগতৰ শ্যামলী শোভা, বিভিন্ন ঋতু, বিহঙ্গমৰ ধ্বনি, নৈ - জান - জুৰিৰ কুলু কুলু ধ্বনি, বিচিত্ৰতাৰে পৰিপূৰ্ণ মানৱীয় জীৱন আদি সমলক লৈ কবি চৌধাৰীয়ে কবিতাৰ ক্ষেত্ৰখনক সজীৱ কৰি বিভিন্ন কবিতা ৰচনাৰে কৃতিত্ব অৰ্জন কৰিছিল। বিশিষ্ট সাহিত্যিক - সমালোচক মহেশ্বৰ নেওগে ৰঘুনাথ চৌধাৰীৰ কবিতা সম্পৰ্কে এনেদৰে মত প্ৰকাশ কৰিছে -

“চৌধাৰীয়ে আধুনিক অসমীয়া প্ৰকৃতি কবিতাক গীত আৰু সৌন্দৰ্যৰে আঢ্যৱন্ত কৰিছে। তেওঁৰ পৰ্যৱেক্ষণ নিবিড় আৰু সৌন্দৰ্যস্পৃহা অবিৰত।”[২]

অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত কবি ৰঘুনাথ চৌধাৰীয়ে যথেষ্ট অৱদান আগবঢ়াই সাহিত্যৰ ভঁৰাল মেটমৰা কৰি থৈ গৈছে। মূলতঃ দুটা দিশত কবি চৌধাৰীৰ বিশেষ ভূমিকা আছে ; সেয়া হ’ল সাংবাদিক আৰু কবি। ‘জোনাকী’ত সহকাৰী সম্পাদক হিচাপে সাংবাদিক জীৱন আৰম্ভ কৰি ‘জয়ন্তী’ (১৯৩৮) ৰ মাজেৰে ক্ৰমশ অগ্ৰসৰ হৈ ‘সুৰভি’ (১৯৪০)ৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহো কৰিছিল আৰু ‘সুৰভি’তে সাংবাদিক জীৱনৰ অন্ত পৰিছিল। তাৰোপৰি এই গৰাকী কবিয়ে শিশু আলোচনী ‘মইনা’ (১৯২৩) ও সম্পাদনা কৰি কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হয়। কবি চৌধাৰীয়ে তিনি কুৰি বছৰ কাব্য সাধনাৰ মাজেৰে অসমীয়া কাব্যক্ষেত্ৰখনত কেইবাখনো কবিতাপুথি ৰচনাৰে সাহিত্য ভঁৰাল চহকী কৰি থৈ গৈছে। তেওঁৰ কাব্য সংকলন সমূহ এনেধৰণৰ[৩] ঃ

(ক) ‘সাদৰী’ (১৯১০),
(খ) ‘কেতেকী’ (১৯১৮),
(গ) ‘দহিকতৰা’ (১৯৩১),
(ঘ) ‘কাৰবালা’ (১৯২৩) আৰু
(ঙ) ‘নৱমল্লিকা’ (কথা কবিতা, ১৯৫৮) আদি।

কবিৰ মৃত্যুৰ পাছত ‘পচতীয়া’ নামৰ এখন গল্প সংকলনো প্ৰকাশ পায়। তাৰোপৰি ১৯৮০ চনত ‘ৰঘুনাথ চৌধাৰী ৰচনাৱলী’ত প্ৰকাশিত ‘মনাইবৰাগী’ আৰু লেছেৰি বোটলা’ কবিতাৱলীও কবিৰ অন্যতম ৰচনা বুলি ক’ব পাৰি।[৪]

কবি চৌধাৰীৰ কবিতাসমূহক প্ৰধানকৈ দুটা ভাগত

B.H.B. College Sarupeta

ভাগ কৰিব পৰা যায় । ৰঘুনাথ চৌধাৰীৰ কবিতা প্ৰসংগত মহেশ্বৰ নেওগে এনেদৰে উল্লেখ কৰিছে -

"এটা ইন্দ্ৰিয়মুখী আনটো ইন্দ্ৰিয় বিমুখী । এটিত ৰূপ, ৰস, গন্ধ, স্পৰ্শ আৰু শব্দস্বৰূপ তন্মাত্ৰলব্ধ জীৱনৰ স্বীকৃতিৰ প্ৰতি আকৰ্ষণ । আনটিত ভাৰতীয় চিত্তবৃত্তিৰ চিৰচিনাকি ভক্তি জ্ঞান - বৈৰাগ্যৰ উদ্দাম ভাব ।"[৫]

কবিৰ বৈৰাগ্য মূলক অৰ্থাৎ ইন্দ্ৰিয় বিমুখী কবিতা সমূহৰ ভিতৰত - 'ভিক্ষা', 'ফুলশয্যা', 'বৈৰাগ্যৰ কথা', 'বণিজৰ কথা' (অন্তিম জ্যোতি) আদিত নিঃসঙ্গ জীৱনৰ দুখ - বেদনা প্ৰকাশিত হৈছে যদিও প্ৰকৃতি জগতৰ এক সজীৱ সত্তা সুন্দৰ ৰূপত চিত্ৰিত হৈছে । সাংসাৰিক জীৱনৰ তিতা - মিঠা অভিজ্ঞতাই কবিক নিস্পৃহ কৰি তুলিছে যদিও জীৱনৰ এনে ব্যথা - বেদনাক বিধিৰ বিধান বুলি সহজভাবে গ্ৰহণ কৰি মহানুভৱতাৰ পৰিচয় দাঙি ধৰিছে । ৰঘুনাথ চৌধাৰীৰ কবিতাত অসমীয়া জাতীয় জীৱনৰ সুন্দৰ চিত্ৰ, ভগৱৎ প্ৰেম আৰু বৈৰাগ্যৰ ভাৱ প্ৰকাশিত হৈছে যদিও কবিৰ প্ৰকৃতি বিষয়ক কবিতা সমূহৰ জড়িয়তে বিশেষ কৃতিত্ব ফুটি উঠিছে । কবিয়ে 'প্ৰাণে প্ৰাণে ভাল পাওঁ প্ৰকৃতিবালাক'বুলি নিজেই উল্লেখ কৰি গৈছে ।[৬]

ইংৰাজ ৰমন্যাসিক যুগৰ প্ৰসিদ্ধ কবি ৱৰ্ডছৱৰ্থ যিদৰে 'প্ৰকৃতি' কবি আছিল সেইদৰে ৰঘুনাথ চৌধাৰীও আছিল প্ৰকৃতি কবি । ইংৰাজ কবি ৱৰ্ডছৱৰ্থক প্ৰকৃতিৰ অগ্ৰগামী দূত আৰু প্ৰকৃতিৰ বৰপূজাৰী বুলি অভিহিত কৰা হৈছিল । ইংৰাজী কবিতাত ৱৰ্ডছৱৰ্থে বহিঃ প্ৰকৃতি ৰাজ্যৰ আভ্যন্তৰলৈ মনৰ কল্পনাৰে সোমাই প্ৰকৃতিৰ মাজতে জীৱন আৰু আত্মাৰ সম্ভেদ বিচাৰি লৈছিল। হাৰ্বাৰ্ট ৰীডে প্ৰকৃতি সম্পৰ্কত এনেদৰে কৈছে - "প্ৰকৃতিৰ জীৱন আৰু মানুহৰ জীৱনৰ মাজত যি পাৰ্থক্য ডাঙি ধৰা হৈছে ৱৰ্ডছৱৰ্থৰ কবিতা বিবেচনা কৰোঁতেই সেইটো বিশেষভাবে স্মৰণীয় ।" কবি ৰঘুনাথ চৌধাৰীক সাহিত্যৰ ক্ষেত্ৰখনত আগবঢ়াই অহা অৱদানৰ বাবে কামৰূপ সঞ্জীৱনী সভাই 'কবিৰত্ন' উপাধিৰে বিভূষিত কৰে । আনহাতে ন্যায়াধীশ হলিৰাম ডেকাই তেওঁক 'বিহগী কবি' উপাধি প্ৰদান কৰে । ১৯৩৫ খৃষ্টাব্দত তেজপুৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ষোড়শ অধিৱেশনত কবি চৌধাৰীয়ে সভাপতি পদো অলংকৃত কৰি ভাষা - সাহিত্যৰ ক্ষেত্ৰখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল। ১৯৬৭ খৃষ্টাব্দৰ ১৮ নবেম্বৰত এই গৰাকী প্ৰতিভাৱান কবিয়ে সাহিত্য সাধনাৰ অন্ত পেলাই স্বৰ্গধামলৈ গতি কৰে। জীৱনজোৰা সাহিত্য সাধনাত নিৰন্তৰভাবে ব্ৰতী হৈ সাহিত্যৰ ক্ষেত্ৰখনক জীপাল কৰি থৈ যোৱা ৰঘুনাথ চৌধাৰী জনসমাজত প্ৰকৃতি তথা বিহগী কবিৰূপে জাতিষ্কাৰ হৈ থাকিব ।[৭]

**ৰঘুনাথ চৌধাৰীৰ 'অন্তিম জ্যোতি' কবিতা ঃ**

কবি ৰঘুনাথ চৌধাৰীৰ এটি অন্যতম কবিতা হ'ল 'অন্তিম জ্যোতি' নামৰ কবিতা । কবিৰ 'দহিকতৰা' নামৰ কাব্য সংকলনৰ অন্তৰ্গত 'অন্তিম জ্যোতি' নামৰ কবিতাটি ঐশী ভাৱনাশ্ৰিত এটি অনুপম কবিতা । পাৰ্থিৱ জীৱনৰ সুখ আনন্দৰ পিছে পিছে দৌৰি ফুৰা কবিয়ে জীৱনৰ অপৰাহ্ন বেলাত গভীৰভাবে উপলব্ধি কৰিছে যে মানুহৰ কামনা - বাসনাৰ অন্ত নাই আৰু লোভ - লালসাৰো শেষ নাই । কবিয়ে অতিক্ৰম কৰি অহা জীৱনৰ সময়খিনিত কেৱল মোহ আৱৰ্তত বিচৰণ কৰি থাকোঁতেই অতিবাহিত হ'ল । বৈৰাগ্যমূলক অথবা ইন্দ্ৰিয় বিমুখী কবিতাৰ ভিতৰত 'অন্তিম জ্যোতি' কবিতাটিৰ এক বিশেষ তাৎপৰ্য আছে । কবিতাটিত কবিৰ নৈৰাস্য, সংসাৰৰ প্ৰতি বিৰাগ আৰু ভগৱানৰ ওপৰত অটল বিশ্বাস লক্ষ্য কৰা যায় । অকলশৰীয়া জীৱনযাত্ৰাত গভীৰ বেদনাবোধ, দুখ - বেদনাৰ প্ৰকাশ কৰিছে যদিও প্ৰকৃতি জগতৰ এক মনোৰম চিত্ৰ কবিতাটিৰ মাজেৰে প্ৰকাশ পাইছে । সংসাৰৰ তিতা - কেঁহা সোৱাদে কবিৰ জীৱনটো নিস্পৃহ কৰি তুলিছে । বিকলাঙ্গ নিঠৰুৱা জীৱনৰ অসহনীয় ভাৰ সংসাৰত বৰ লগা হৈছে - সেই কথা কবিয়ে কবিতাটিত হৃদয়স্পৰ্শী ৰূপত এনেদৰে ব্যক্ত কৰিছে[৮]

"মৰম ভিখাৰী মই বিশ্ব ভাণ্ডাৰত
মৰ্মাহত ব্যথাহত দুৰ্বহ জীৱন
খুজিছিলোঁ অন্তৰৰ দান,
আছে মোৰ আৱৰ্তত ঘূৰি,
গৰল উদ্ভৱ হ'ল সিন্ধুৰ মন্থনত
স্পন্দনত তন্দ্ৰাতুৰ দুৰ্বল চিত্তৰ
অমৃতৰ নাপালোঁ সন্ধান ।
জড়তাই নিছে সংজ্ঞা হৰি ।"

..............................

কবিয়ে জীৱশ্ৰেষ্ঠ মানৱীয় সমাজখনত মানৱৰ পৰা মৰম - ভালপোৱা বিছাৰিছিল যদিও সেই মৰম - স্নেহৰ বিপৰীতে জীৱনত দুখ - বেদনাহে লাভ কৰিছে । কিন্তু জীৱনৰ এনে অসহনীয় দুখ - বেদনাৰ ভাৰ বৰ লগা হ'লেও কোনো মুহূৰ্ত্ততে কবিৰ ভগৱানৰ প্ৰতি বিদ্বেশভাৱ প্ৰকাশ পোৱা নাই । জীৱনৰ অন্তিম মুহূৰ্ত্তত হ'লেও পৰম আনন্দ ৰূপৰ জ্যোতি পোৱাৰ বাবে কবিয়ে আকাঙ্ক্ষা কৰিছে । এই প্ৰসংগত ইংৰাজ কবি ৱৰ্ডছৱৰ্থৰ কথা উল্লেখ কৰিব পাৰি । কবি ৱৰ্ডছৱৰ্থে জীৱনত বয়সৰ অভিজ্ঞতাৰে প্ৰকৃতি তেওঁৰ বাবে এক অনন্ত সজীৱ শক্তি বুলি উল্লেখ কৰি কৈছে যে এই অনন্ত সজীৱ শক্তি, যি শক্তিয়ে দিব পাৰে তেওঁৰ মনত এক

B.H.B. College Sarupeta

পবিত্ৰ আনন্দ । কবি ৱৰ্ডছৱৰ্থে বিশ্বাস কৰিছিল যে প্ৰত্যেকটো বস্তুৰ মাজত ঈশ্বৰ বিৰাজমান অৰ্থাৎ ভগৱান সৰ্বেশ্বৰবাদী । গীতাৰ মাজতো সেই তত্ব প্ৰকাশ পাইছে "যস্যান্তঃ স্থানি ভূতানি যেন সৰ্বমিদং ততম্"অৰ্থাৎ সৰ্বভূতত যাৰ অৱস্থিতি আৰু যি সমগ্ৰ জগততেই ব্যাপি অৱস্থান কৰিছে । অস্তমিত সূৰ্য, অনন্ত মহাসাগৰ, সুনীল আকাশ, মানুহৰ মন - আদিত প্ৰকৃতিৰ সজীৱ শক্তি উপলব্ধি হয় । কবি Wordsworth এ তেওঁৰ 'Tintern Abbey' নামৰ কবিতাটিত উল্লেখ কৰিছে -

"Whose dwelling is the light of setting Suns,
And the round ocean and the living air,
WordsworthAnd the blue sky, and in the mind of man:
A motion and a spirit that empels
All thinking things, all objects of all thought,
And rolls through all things.Tintern Abbey." সেইদৰে আমাৰ ৰঘুনাথ চৌধাৰীয়েও তেওঁৰ 'অন্তিম জ্যোতি'কবিতাটিত এনেদৰে উল্লেখ কৰিছে [৯]

"জীৱনৰ ধ্ৰুৱতৰা মাৰ যাওঁ যাওঁ
অনন্তৰ অন্তিম বুকুত
পৰম আনন্দ ৰূপ ধ্ৰুৱ জ্যোতিকণা
নাপাম নে আৰু সি লোকত?"

সংসাৰৰ প্ৰতি বিৰাগ আৰু নৈৰাস্যভাৱ কবি চৌধাৰীৰ কবিতাত প্ৰতিফলিত হৈছে। কবিতাটিত কবিয়ে এনেদৰে উল্লেখ কৰিছে [১০]

"ব্যাথাৰ সহস্ৰ জ্বালা ব্যৰ্থতাৰ গ্লানি
বুকু পোৰা তপত উচ্ছ্বাস,
কোনেবা গুচাব মোৰ কোনেবা শুনিব
আৰব্যৰ স্বপ্ন উপন্যাস?"

প্ৰকৃতিক মনে - প্ৰাণে ভালপোৱা কবি ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতি জগতৰ এক নিটোল ৰূপ চিত্ৰিত হৈছে। তাৰোপৰি প্ৰকৃতি ৰাজ্যৰ বাস্তৱ অভিজ্ঞতাক সঞ্চয় কৰি এই প্ৰকৃতিৰ শ্যামলীমা সৌন্দৰ্যৰাশি, বিহঙ্গমৰ সুললিত কণ্ঠ, নৈ - জান - জুৰিৰ কুলু কুলু ধ্বনিৰ জীৱন্ত চিত্ৰ প্ৰতিফলিত কৰাৰ লগতে কবিৰ মনোজগতখনতো শান্ত প্ৰকৃতিৰ বীজ ৰোপণ কৰিছিল । নিভাঁজ অসমীয়া আৰু জাতীয় জীৱনক স্পৰ্শ কৰি যোৱা কল্পচিত্ৰ আৰু উপমা অলংকাৰ প্ৰয়োগে পাঠকক আকৰ্ষণ কৰিবলৈ কবি সক্ষম হৈছে । [১১]

কবিৰ বৈৰাগ্যমূলক কবিতাসমূহত প্ৰকৃতি জগতৰ সজীৱ সত্বা আৰোপ কৰি মনোগ্ৰাহী কৰি তুলিছে । আনহাতে প্ৰকৃতি বিষয়ক কবিতাসমূহতো বৈৰাগ্যৰ ক্ষীণ ধ্বনিৰ অনুৰণন শুনিবলৈ পোৱা যায় । [১২]

কবিৰ 'অন্তিম জ্যোতি' কবিতাত নিঃসঙ্গ জীৱনৰ বেদনাবোধৰ প্ৰকাশৰ লগতে প্ৰকৃতি জগতৰ এখনি সুন্দৰ চিত্ৰ প্ৰতিভাত হৈছে। কবি চৌধাৰী ইংৰাজ ৰোমান্টিক কবি সকলৰ দ্বাৰা পোনপটীয়াভাবে প্ৰভাৱান্বিত নহয় যদিও সংস্কৃত কাব্য পৰম্পৰাৰ দ্বাৰা গভীৰভাবে প্ৰভাৱিত বুলি ক'ব পাৰি । অন্যান্য ৰোমান্টিক কবিসকলৰ দৰে কবি চৌধাৰীও প্ৰকৃতিৰ ক্ষুদ্ৰ, অনাদ্ৰিত বস্তুৰ মাজত মহত্ব, গৌৰৱ দেখিবলৈ পাইছে । ভাৰতীয় দাৰ্শনিক সকলৰ দৰে কবিৰ সূক্ষ্ম সৃষ্টিতো বিশ্ব সংসাৰ অনুপম, মধুময়। তাৰোপৰি প্ৰকৃতি জগতখন কবিৰ বাবে অতি আনন্দ আৰু শক্তিৰ উৎস । [১৩]

কবি ৱৰ্ডছৱৰ্থে তেওঁৰ কবিতাত উল্লেখ কৰি কৈছে যে জীৱনৰ বিভিন্ন অভিজ্ঞতা আৰু দুখ - বেদনাৰ মাজেৰে কবিয়ে জীৱনৰ বিয়লি সময়ৰ স্বৰ্গীয় অনন্তজ্যোতি প্ৰকৃতিৰ মাজত পাব পৰা যায়। কবিয়ে তুলনাৰে কৈছে যিদৰে ভিতৰুৱা ঠাইত থাকিও শান্ত বতৰত সাগৰৰ প্ৰৱল গৰ্জন শুনিবলৈ পোৱা যায়, সেইদৰে মানুহৰ অন্তিম অৰ্থাৎ শেষ বয়সৰ বাৰ্দ্ধক্যই আমাক সকলোকে সৰগৰ পৰা বহুত নিলগত লৈ আনিছে যদিও শান্ত পৰিৱেশত থাকিলেও বৃদ্ধ কালছোৱাতো আমাৰ মাজত থকা আত্মাই অসীম অনন্তৰ যি পোহৰ সেই পোহৰৰ সন্ধান পাব পাৰে । কবি ৱৰ্ডছৱৰ্থে জীৱনৰ বিয়লি বেলাৰ অন্তিম জ্যোতিৰ কথা এনেদৰে দাঙি ধৰিছে [১৪]

"Hence in a season of calm weather,
Though inland far we be,
Our souls have sight of the immortal sea
Which brought us hither
Can in a moment travel thither
And see the children sport upon the shore,
And hear the mighty water rolling ever - more."

উনবিংশ শতিকাৰ নব্য ৰোমান্টিক কাব্য আন্দোলনৰ বিভিন্ন বৈশিষ্ট্যৰ ভিতৰত প্ৰকৃতি প্ৰীতি, অতীতৰ ঐতিহ্যৰ প্ৰতি অনুৰাগ, ৰহস্যবাদী চিন্তাধাৰা আদি বৈশিষ্ট্য ৰঘুনাথ চৌধাৰীৰ কবিতাত পৰ্যায়ক্ৰমে প্ৰতিভাত হোৱা লক্ষ্য কৰা যায় । প্ৰকৃতি জগতৰ ৰূপ, ৰস, গন্ধ,

B.H.B. College, Sarupeta

স্পৰ্শ - আদিয়েই আছিল ৰোমান্টিক কবিসকলৰ প্ৰেৰণা আৰু আনন্দৰ মূল উৎস । ইংৰাজ কবি ৱৰ্ডছৱৰ্থৰ কবিতাত যিদৰে প্ৰকৃতিয়ে এক বিশেষ স্থান লাভ কৰিছে, প্ৰকৃতিৰ বিশেষকৈ ফুল আৰু চৰাইক লৈ বিভিন্ন ৰোমান্টিক কবিতা ৰচনা কৰিছে, সেইদৰে ৰঘুনাথ চৌধাৰীয়েও প্ৰকৃতিৰ বিভিন্ন উপাদানক সমল হিচাপে লৈ কবিতা ৰচনা কৰি প্ৰকৃতিপ্ৰীতিৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে ।[১৫]

এনেদৰে বিশ্লেষণ কৰিলে দেখা যায় যে স্বতন্ত্ৰ কাব্যশৈলীৰ সুন্দৰ বৈশিষ্ট্যৰ জড়িয়তে সুকীয়া ভাৱবস্তুক কবিতাৰ বিষয়বস্তু হিচাপে লৈ কবি ৰঘুনাথ চৌধাৰীয়ে কবিতাটিত ভাষা,ছন্দ, চিত্ৰকল্প আৰু শৈলী আদি বিভিন্ন দিশত নিজৰ কৃতিত্ব প্ৰদৰ্শনেৰে কাব্য সাহিত্যৰ ক্ষেত্ৰখনত এখনি বিশিষ্ট আসন দখল কৰিবলৈ সক্ষম হৈছে । এই ক্ষেত্ৰত 'অন্তিম জ্যোতি' কবিৰ সাৰ্থক সৃষ্টি বুলি ক'ব পাৰি । কবি ৰঘুনাথ চৌধাৰীৰ কাব্যসমূহৰ সুন্দৰ কবিতাৰাজিৰ পুংখানুপংখ বিচাৰ - বিশ্লেষণ কৰি প্ৰকৃতি জগত আৰু মানৱীয় জগতখনৰ মাজত থকা আত্মিক সম্বন্ধ সম্পৰ্কে আমাৰ ন ন গৱেষক - গৱেষিকা সকলে নতুন নতুন তথ্য পোহৰলৈ আনি এক বিদ্যায়তনিক দিশত অধ্যয়ন আগবঢ়ালে কবি গৰাকীৰ সাহিত্যিক অৱদানৰ ক্ষেত্ৰত যি শ্ৰম সেই শ্ৰম সাৰ্থক হ'ব আৰু নৱ প্ৰজন্মই জ্ঞান লাভৰ লগতে সাহিত্য ৰচনাত প্ৰেৰণা লাভ কৰিব বুলি আশা কৰিব পাৰি ।

**পাদটীকা ঃ**

১. দ্ৰষ্টব্য ঃ (ক) শৰ্মা, হেমন্ত কুমাৰ ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত, ২০১১, পৃ. ২১

(খ) তালুকদাৰ, নন্দ ঃ কবি আৰু কবিতা, ২০১১, পৃ ১১৩

২. উৎস ঃ (ক) উল্লিখিত, পৃ.১১৩

(খ) কলিতা, সমীন ঃ শতাধিক অসমীয়া সাহিত্যিক, ২০০১, পৃ. ৮৫

(গ) ডেকা বুজৰবৰুৱা, পল্লৱী ঃ 'ৰঘুনাথ চৌধাৰীৰ গোলাপ', অসমীয়া কাব্য পৰিক্ৰমা (সম্পা. ৰাজখোৱা, অৰবিন্দ), ২০০৮, পৃ. ৭৮ - ৭৯

৩. দ্ৰষ্টব্য ঃ (ক)তালুকদাৰ, নন্দ ঃ পূৰ্বোল্লিখিত, পৃ. ১১৩ - ১১৪

৪. উৎস ঃ (ক) পূৰ্বোল্লিখিত, পৃ.১১৪

(খ) শৰ্মা, হেমন্ত কুমাৰ ঃ পূৰ্বোল্লিখিত, পৃ.২১৬

(গ)ডেকা বুজৰবৰুৱা, পল্লৱী ঃপূৰ্বোল্লিখিত প্ৰবন্ধ,পৃ.৭৯

৫.তালুকদাৰ, নন্দ ঃ পূৰ্বোল্লিখিত, পৃ.১১৪

৬. উৎস ঃ (ক) শৰ্মা, হেমন্ত কুমাৰ ঃপূৰ্বোল্লিখিত,পৃ.২১৬ - ২১৭

(খ) তালুকদাৰ, নন্দ ঃ পূৰ্বোল্লিখিত, পৃ.১১৫

৭. দ্ৰষ্টব্য ঃ (ক) পূৰ্বোল্লিখিত, পৃ.১২২

(খ) কলিতা, সমীন ঃ পূৰ্বোল্লিখিত, পৃ.৮৫

(গ) বৰকটকী, বীৰেন ঃ ইংৰাজ ৰমন্যাসিক কবিৰ কাব্য প্ৰতিভা, ১৯৮৬, পৃ.৪০, ৬৩

৮. উৎসঃ (ক) তালুকদাৰ, নন্দ ঃ পূৰ্বোল্লিখিত, পৃ.১১৫

(খ) বৰদলৈ, নিৰ্মলপ্ৰভা (সম্পা.) ঃ কবিতা মঞ্জৰী, ২০০৭, পৃ.১৪৮

(গ) শৰ্মা, হেমন্ত কুমাৰ ঃপূৰ্বোল্লিখিত,পৃ.২১৭ - ২১৮

(ঘ) ডেকা, উমেশ, ৰায়, নীলমোহন (সম্পা.) ঃ ৰঘুনাথ চৌধাৰীৰ কাব্যবিচাৰ, ২০১৬, পৃ. ১৬৮

৯. দ্ৰষ্টব্য ঃ (ক) বৰদলৈ, নিৰ্মলপ্ৰভা (সম্পা.) ঃ পূৰ্বোল্লিখিত, পৃ.১৪৯

(খ) তালুকদাৰ, নন্দ ঃ পূৰ্বোল্লিখিত, পৃ.১১৫

(গ) বৰকটকী, বীৰেন ঃ পূৰ্বোল্লিখিত, পৃ.৪২

১০.বৰদলৈ, নিৰ্মলপ্ৰভা (সম্পা.) ঃ পূৰ্বোল্লিখিত, পৃ.১৪৯

১১. তালুকদাৰ, নন্দ ঃ পূৰ্বোল্লিখিত, পৃ.১২১ - ১২২

১২. পূৰ্বোল্লিখিত, পৃ.১১৫

১৩.শৰ্মা, মদন ঃ 'জোনাকীৰ পৰা জয়ন্তীলৈ ৰোমান্টিক কাব্যৰ পৰিৱৰ্তন আৰু পৰিৱৰ্দ্ধন', অসমীয়া কবিতাৰ বিচাৰ - বিশ্লেষণ (সম্পা. পূজাৰী, অৰ্চনা ),২০০৬, পৃ.১০৭ - ১০৮

১৪. বৰকটকী, বীৰেন ঃ পূৰ্বোল্লিখিত, পৃ.৫৫ - ৫৬

১৫. ডেকা বুজৰবৰুৱা, পল্লৱী ঃ পূৰ্বোল্লিখিত প্ৰবন্ধ, পৃ.৮০

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

কলিতা, সমীন ঃ শতাধিক অসমীয়া সাহিত্যিক, ষ্টুডেন্টচ্ ষ্ট'ৰচ্, গুৱাহাটী, ২০০১

তালুকদাৰ, নন্দ ঃ কবি আৰু কবিতা,বনলতা, গুৱাহাটী, ২০১১

পূজাৰী, অৰ্চনা (সম্পা.) ঃ অসমীয়া কবিতাৰ বিচাৰ - বিশ্লেষণ ,জ্যোতি প্ৰকাশন, গুৱাহাটী,২০০৬

বৰকটকী, বীৰেন ঃ ইংৰাজ ৰমন্যাসিক কবিৰ কাব্য প্ৰতিভা, বনলতা, ডিব্ৰুগড়, ১৯৮৬

বৰদলৈ, নিৰ্মলপ্ৰভা (সম্পা.) ঃ কবিতামঞ্জৰী ,বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়,২০০৭

ৰাজখোৱা, অৰবিন্দ (সম্পা.) ঃ অসমীয়া কাব্য পৰিক্ৰমা, দত্ত পাব্লিকেশ্যনচ্, লক্ষীমপুৰ, ২০০৮

ডেকা, উমেশ, ৰায়, নীলমোহন (সম্পা.) ঃ ৰঘুনাথ চৌধাৰীৰ কাব্যবিচাৰ, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ২০১৬

শৰ্মা, হেমন্ত কুমাৰ ঃ অসমীয়া সাহিত্যত দৃষ্টিপাত,বীণা লাইব্ৰেৰী, গুৱাহাটী, ২০১১

oooooo

B.H.B. College Sarupeta

# নাৰীবাদী প্ৰেক্ষাপটত মানৱ অধিকাৰ

— ড° দিপ্তী কলিতা
সহযোগী অধ্যাপক,
ৰাজনীতি বিজ্ঞান বিভাগ

নাৰী হ'ল সমাজৰ মাতৃ স্বৰূপ। কিন্তু পিতৃ তান্ত্ৰিক সমাজত নাৰীক অৱদমন কৰি ৰাখিব বিচৰাৰ ধাৰণা এটা প্ৰচলন থকাৰ সময়তে আন এটা দিশ লক্ষ্য কৰিলে দেখা যায় যে বৈদিক যুগত মহিলাই সমাজত উচ্চ স্থান দখল কৰিছিল বুলিও পোৱা যায়। গাৰ্গী আৰু মৈত্ৰেয়ীৰ দৰে পাণ্ডিত্যৰ অধিকাৰিণী নাৰী, শকুন্তলাৰ দৰে গণিতজ্ঞ মহীয়সী নাৰীয়ে পৃথিৱীৰ বুৰঞ্জীত খ্যাতি ৰাখি গৈছে। সেই সময়ৰ সমাজ ব্যৱস্থাত নাৰীৰ স্থান বহু ওপৰত আছিল। সমাজৰ সকলো ক্ষেত্ৰতে নাৰী সকলক আগস্থান দি সন্মান যঁচা হৈছিল।

কিন্তু কালক্ৰমত নাৰীয়ে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক আদি সকলো ক্ষেত্ৰতে অৱস্থান হেৰুৱাই যাবলৈ ধৰিলে। কালক্ৰমত নাৰীৰ স্থান দ্ৰুতগতিত অৱনমিত হ'ল আৰু সামাজিক ক্ষেত্ৰখনত নাৰীক খেলৰ সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰিবলৈ ধৰিলে। মধ্যযুগত নাৰীৰ ওপৰত অমানৱীয় আচৰণ চলিল আৰু নাৰী হিচাপে সামাজিক বৈষম্যৰ বলি হ'ব লগা হল। পৰ্দা প্ৰথা, সতীদাহ প্ৰথা, কুমাৰী বিবাহ আদি নাৰীৰ প্ৰতি থকা বৈষম্যৰ চুড়ান্ত ৰূপবোৰে নাৰী জাতিক অৱহেলিত আৰু শোষিত শ্ৰেণীলৈ পৰ্যৱেসিত কৰিলে। কেৱল ভাতবৰ্ষতেই নহয়, সমগ্ৰ পৃথিৱীতেই নাৰীৰ প্ৰতি অৱহেলা, শোষণ-নিষ্পেষণ অবৰ্ণনীত ৰূপত চলি থাকিল। আফ্ৰিকীয় ৰাষ্ট্ৰবোৰত, পশ্চিমৰ ৰাষ্ট্ৰবোৰত বৰ্ণৰ ভিত্তিত ক'লা ছালৰ 'নিগ্ৰ' নাৰীক দাসী হিচাপে ব্যৱহাৰ কৰাৰ উপৰি তথাকথিত 'বণিক, মালিক শ্ৰেণীক দাসীবোৰে সৰ্বাঙ্গ সুখ দি সন্তুষ্ট কৰিব লাগিছিল। মুঠতে নাৰী জাতি মানৱ সমাজত এটা সহযোগী উপজাতিত পৰিণত হৈছিল।

যি কি নহওক, মহিলাৰ প্ৰাচীন আৰু মধ্যযুগীয় সামাজিক অৱস্থান বৰ্ত্তমান নাই। আধুনিক শিক্ষাৰে শিক্ষিত নাৰীয়ে আজি নাৰীবাদী আন্দোলনৰ নেতৃত্ব বহন কৰাৰ উপৰিও বহুতো ৰাষ্ট্ৰৰ শীৰ্ষ পদৱীত থাকি জাতি, ৰাষ্ট্ৰসমূহ শাসন কৰাৰ সুবিধা পাইছে। সমসাময়িক সমাজখনত লিঙ্গ ভিত্তিক বৈষম্য দূৰ কৰি নাৰীৰ প্ৰাপ্য অধিকাৰ লাভৰ বাবে সমগ্ৰ পৃথিৱীতেই সচেতনতাৰে কাৰ্যসূচী হাতত লোৱা হৈছে। বৰ্ত্তমান ৰাষ্ট্ৰসংঘৰ উদ্যোগত ৮ মাৰ্চৰ দিনটো 'নাৰী দিৱস' হিচাপে আন্তৰ্জাতিক ভাৱে পালন কৰা হয়। নাৰীৰ সমতা, স্বাধীনতা; সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অধিকাৰৰ হকে এই দিনটোতেই বিশ্লেষণাত্মক আলোচনা কৰাৰ জৰিয়তে নাৰী সমাজৰ মাজত সজাগতা সৃষ্টিৰো চেষ্টা কৰা হয়।

লিংগভিত্তিক বৈষম্যই সমাজৰ কুৎচিত ৰূপটোৰ প্ৰতিফলন ঘটায়, যিটোক বৰ্ত্তমান বিশ্বৰ গোলকীয় সমস্যা বুলি ক'ব পৰা যায়। সমগ্ৰ বিশ্বৰ মুঠ জনসংখ্যাৰ প্ৰায় আধাসংখ্যকেই নাৰী, কিন্তু মহিলা সকলক সমাজত যথেষ্ট বৈষম্যৰ বলি কৰা হৈছে। মহিলাসকলক আধুনিক পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত দমন নিপীড়নৰ বলি হৈ থাকিব লগা হৈছে। ভাৰতীয় সমাজ ব্যৱস্থাত ভাৰতীয় সংবিধান গ্ৰহণ কৰাৰ পাছৰ পৰাহে মহিলা আৰু পুৰুষৰ মাজত থকা লিঙ্গভিত্তিক পাৰ্থক্য হ্ৰাস হৈছে। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাতেই মহিলাৰ অধিকাৰ সম্পৰ্কত অসমতা আঁতৰাই সমতা আৰু ন্যায়ৰ ভিত্তিত শ্ৰেণীহীন সমাজ আঁতৰাই সমতা আৰু ন্যায়ৰ ভিত্তিত ব্যৱস্থাৰ কথা কোৱা হৈছে। আধুনিক নাৰীবাদী লেখক সকলে নাৰী আৰু পুৰুষৰ মাজত চলি থকা লিঙ্গভিত্তিক বৈষম্য বোৰেই বৰ্তমান সমাজৰ বাবে ডাঙৰ প্ৰত্যাহ্বান বুলি ক'ব বিচাৰে।

বৰ্তমান আন্তৰ্জাতিক আইনৰ ধাৰা সলনি হ'ল আৰু পুৰুষ মহিলা উভয়ৰে অধিকাৰক সমমৰ্যাদাৰে আগবঢ়াই নিয়াৰ ব্যৱস্থাৰ কৰা হৈছে। ইয়াৰ লগত দুটা দিশ জড়িত হৈ আছে। সেই দুটা হ'ল (১) মূল সুঁতিৰ মানৱ অধিকাৰে

B.H.B. College, Sarupeta

নাৰীৰ অধিকাৰক সহানুভূতিৰে স্বীকাৰ কৰি লোৱা আৰু (২) লিঙ্গভিত্তিক মানৱ অধিকাৰ ভংগ হোৱা সাধাৰণীকৰণ কৰা। লগে লগেই মহিলাৰ অধিকাৰক ৰক্ষণাবেক্ষণৰ বাবে আন্তৰ্জাতিক স্তৰত প্ৰচেষ্টা চলিল। ৮০ দশকলৈকে নাৰীৰ মানৱ অধিকাৰ ভংগৰ বিষয়টো মানুহ আৰু আন্তৰ্জাতিক আইনৰ অলক্ষিতেই থাকি গৈছিল। আনকি ১৯৭৯ চনৰ মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ অধিকাৰ ভংগৰ কিছুমান বিষয়ত সুৰক্ষা দিয়াৰ বিষয়টো স্পষ্ট নহয়। ১৯৯০ চনত মহিলাৰ প্ৰতি হোৱা অধিকাৰ ভংগত বিষটো আন্তৰ্জাতিক আইনৰ পৰিসৰলৈ আহে। ১৯৯১ চনৰ UN Economic and social Council and the Commissin on the statas of womenৰ সিদ্ধান্তমৰ্মে মহিলাৰ বিৰুদ্ধে অধিকাৰ ভংগ বা হৰণৰ বিষয়টোত যথেষ্ট গুৰুত্ব আৰোপ কৰা হয়।

বৰ্তমান সময়ত মহিলাৰ মানৱ অধিকাৰ বিষয়টো আন্তৰ্জাতিক তথা গোলকীয় ভাৱে চিন্তা কৰা হৈছে। ১৯৪৮ চনৰ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা পত্ৰত কোৱা হৈছে যে "All human beings are born free and equal in dignity and rights" গতিকে আইনৰ চকুত জাতি, ধৰ্ম, ভাষা, লিঙ্গ ভেদে সকলো সমান। এনেদৰে মানৱ অধিকাৰক সাৰ্বজনীন ৰূপত সকলোতেই গ্ৰহণ কৰাৰ পাছত মহিলাৰ মানৱ অধিকাৰ বিষয়টো কিছুমান ৰাষ্ট্ৰৰ দুৰ্বল আৰু অমনোযোগী মনোভাৱৰ বাবেই সকলো সমাজতে সমতা আনিব পৰা হোৱা নাই। সেয়েহে নাৰীবাদী সকলৰ সন্মুখত ই এক বৃহৎ প্ৰত্যাহ্বান স্বৰূপ।

*******

B.H.B. College, Sarupeta

# ড° ভূপেন হাজৰিকাৰ গীতত সাম্প্ৰদায়িক সম্প্ৰীতি



—ড° নমিতা দাস গুৰুং
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগা

ওৰেটো জীৱন সুৰ সুধা নিগৰাই
মাটিৰ বুকুত সোণৰ সৰগ ৰচা
অনন্য এক প্ৰতিভাৰ নাম ভূপেন হাজৰিকা.....

ভূপেন হাজৰিকাই জীৱনৰ প্ৰথম গীত 'কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে ধৰিছিল নামৰে তান'—ৰচনা কৰিছিল কৈশোৰ কালতেই তেজপুৰত। তাৰপিছত শংকৰ-বিষ্ণু - জ্যোতিৰ আদৰ্শেৰে ভূপেন হাজৰিকাই ওপজা মাটিৰ গোন্ধ থকা গীত ৰচনা কৰি সমগ্ৰ বিশ্বতে অসম আৰু অসমীয়াক পৰিচয় কৰাই দিছিল।

তেওঁৰ গতিশীল গীত আৰু সুললিত কণ্ঠ ই আমাৰ সমাজক এক নতুন গতি দিছিল—

প্ৰীতি দিগ বলয়ত গতিশীল গীত গাওঁ
বজ্ৰৰ গৰ্জন হাৰ মানে
বৃষ্টিৰ তৃষ্ণাই মৌচুমী খেদি যায়
আমাৰ দৃষ্টিয়েও লক্ষ্য জানে

আজি আমাৰ সমাজ হৈ পৰিছে অশান্ত। এশ এবুৰি সমস্যাৰে আমি জৰ্জৰিত। এনে সময়ত আমাৰ পিতৃ স্বৰূপ ভাৰত ৰত্ন ডক্টৰ ভূপেন হাজৰিকা নাই। তথাপি আমি হাজৰিকাৰ গীতবোৰৰ পৰা শক্তি আহৰণ কৰি সম্প্ৰীতিৰ এনাজৰীডাল কট্ কটীয়া কৰি ৰাখিবলৈ একান্তভাৱে চেষ্টা কৰিব লাগিব। অসমত সাম্প্ৰদায়িক সংঘৰ্ষৰ বীজ ৰোপণ কৰা চক্ৰান্ত কাৰী সকলৰ অপচেষ্টাক মযিমূৰ কৰিবলৈ আমি আগবাঢ়ি আহিব লাগিব। নিজৰ গাত জুই নলগালৈকে আমি হাত সাবটি বহি থাকিলে নহ'ব—

"আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব।
আজিৰ অসমীয়াই নিজক নিচিনিলে
অসম ৰসাতলে যাব।।"

ইং ১৯৬৮ চনৰ ৮ এপ্ৰিলত ড° হাজৰিকাই ৰচনা কৰা এই বিখ্যাত গীতটিৰ প্ৰতিটো শব্দই যেন অসমীয়া জাতিৰ বাবে অস্ত্ৰস্বৰূপ হৈ পৰিছে। আজি প্ৰতিজন অসমীয়াই এই গীতটিৰ কথাক সন্মান জনাই নিজক চিনিবলৈ যত্ন কৰা উচিত।

কাৰণ আজি জয়মতী নাই, কনকলতা নাই, 'দেশতকৈ মোমাই ডাঙৰ নহয়' বুলি ক'বলৈ লাচিত বৰফুকনো নাই, জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, অম্বিকাগিৰি আৰু ভূপেন হাজৰিকাও নাই। কাপুৰুষক পুৰুষ কৰিবলৈ সেয়েহে প্ৰতিজন অসমীয়াই অন্তৰত অগনি জ্বলাই আগুৱাব লাগিব—

"এই জুই জ্বলিছে
জ্বলিছে জ্বলিবই
সংগ্ৰাম চলিছে
চলিছে চলিবই
শতৰুৰ কামিহাড়
গুৰি কৰিবলৈ
জাগ্ৰত জনগণ আহিছোঁ ওলাই
আজি দয়া নাই
ক্ষমা নাই।"

নানা জাতি - উপজাতিৰে গঢ়ি বৈচিত্ৰ্যময় অসমখনক শান্তিভূমিলৈ ৰূপান্তৰ কৰিবলৈ চেষ্টা কৰাটো প্ৰতিজন অসমীয়াৰে কৰ্তব্য।

ড° ভূপেন হাজৰিকাই হিন্দু - মুছলমানৰ সম্প্ৰীতিৰ ওপৰত লিখিছে—

"আমাৰ হাজোতো মক্কাৰ দৰে
কাষতে মাধৱৰে মন্দিৰ বিৰাজ কৰিছে
ৰাম ৰহিমে ঘাম মচি এটা জাতি গঢ়িছে।"
(গীতাৱলী)

আজি অসম মাতৃৰ দুখত ভাগি পৰিবলৈ, অসম

B.H.B. College, Sarupeta

মাতৃৰ বাবে উজাগৰী নিশা কটাবলৈ, বুকুৰ তেজেৰে থাপনা পাতিবলৈ, চৌপাশৰ গড় সুপৰিকল্পিতভাবে ৰক্ষা কৰিবলৈ আমাৰ মাজত সংগীতসূৰ্য নাই। কিন্তু সূৰ্যৰ পোহৰ সিঁচৰতি হৈ আছে তেওঁৰ গীতৰ হেজাৰ শ্ৰোতাৰ মাজত। যি শ্ৰোতাকেই তেওঁ গীতৰ প্ৰধান অলংকাৰ আখ্যা দিছে, সেই শ্ৰোতাসমাজ আজি ওলাই আহক ‘অসমী আইৰ দুৰ্দিন’ নাটকত ভাও ল’বলৈ—

“সংলাপ নেলাগে মিঠা ভাষাৰ
আৰ্তনাদেৰেই কোৰা
দুষ্টজনকে চেতনাৰে যুঁজি
বীৰৰ যোগ্য হোৱা,
তেহে ৰহণ চৰিব নাটৰ।
কোনে কি ভাও ল’বা, আহো
সময় যে তাকৰ।।” (গীতাৱলী)

শান্তি সবাৰে কাম্য মহান মানৱতাৰ জয়গানেই সকলো ধৰ্মৰ মূলমন্ত্ৰ। কিয়নো পৃথিৱীৰ সকলো লোকৰ হাঁহি, কান্দোন, সুখ-দুখৰ ভাষা এক। ড° ভূপেন হাজৰিকাৰ আশীৰ্বাদত যেন অসমী আইৰ সন্তান এক হওক, সকলো ভাতৃত্বৰ বান্ধোনেৰে একতাৰ ডোলেৰে, সম্প্ৰীতিৰ এনাজৰীৰে আবদ্ধ হওক— তেতিয়াহে ঈশ্বৰৰ আশীৰ্বাদ অসমীয়া জাতিৰ ওচৰত পৰিব।

“ভাষা সমন্বয় মঞ্চ হওক
সঞ্জীৱিত
সৰ্ব্বজাতি - জনজাতি হওঁক
মিলিত।”

“সমন্বয় সমন্বয় হে’ মাথো
সমন্বয়
সমন্বয় প্ৰগতিক কৰে
জ্যোতিৰ্ময় হে।” (গীতাৱলী)

“১৯৮০ চনত ব্ৰহ্মপুত্ৰ বহ্নিমান হৈছে,- পৃথিৱীয়ে ব্ৰহ্মপুত্ৰৰ পৌৰুষলৈ ডিঙি মেলি মেলি চাইছে। চাবলৈ বাধ্য হৈছে। এই বহ্নিয়ে কাকো নদহে। এই বহ্নিয়ে মানৱতাৰ জ্যোতি আৰু উত্তাপহে বিলায়.... মোৰ এই মৰমী লুইতৰ পাৰৰ আশাৰো শেষ নাই, নিৰাশাৰো শেষ নাই। সংগ্ৰামৰো শেষ নথকা উচিত— লক্ষ্যস্থান নোপোৱালৈকে।”— (ডক্টৰ ভূপেন হাজৰিকা)

******

B.H.B. College, Sarupeta

# শীলভদ্ৰৰ 'মধুপুৰ বহুদূৰ' - অসমীয়া আঞ্চলিক সাহিত্যৰ এক অনৱদ্য সংযোজন

ড° প্ৰীতিৰেখা দত্ত,
সহকাৰী অধ্যাপক,
অসমীয়া বিভাগ

সাম্প্ৰতিক অসমীয়া সাহিত্যৰ পথাৰখনক বিশেষভাৱে সমৃদ্ধিশালী কৰি থৈ যোৱা সাহিত্যিক সকলৰ ভিতৰত শীলভদ্ৰ ৰ স্থান নিঃসন্দেহে আগশাৰীত থাকিব। 'শীলভদ্ৰ' লেখকৰ ছদ্ম নাম। তেওঁৰ প্ৰকৃত নাম ৰেৱতী মোহন দত্ত চৌধুৰী। 'অসম বাতৰি' শীৰ্ষক বাতৰি কাকতত ১৯৬৪ চনত 'অভিযোগ' নামৰ গল্পৰে গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰি শীলভদ্ৰই কেৱল গল্পকাৰ হিচাপেই নহয় ঔপন্যাসিক হিচাপেও অসমীয়া সাহিত্যত এক সুকীয়া আসন নিগাজী কৰি থৈ গৈছে। বৰ্তমানলৈকে তেওঁৰ চাব্বিছখন গল্পসংকলন আৰু সাতখন উপন্যাস প্ৰকাশিত হৈছে। সাহিতাকৰ্মৰ স্বীকৃতি হিচাপে শীলভদ্ৰই তেওঁৰ জীৱন কালত কেইবাটাও বঁটা লাভ কৰিছিল। ১৯৯০ চনত 'অনুসন্ধান' উপন্যাসৰ বাবে অসম প্ৰকাশন পৰিষদৰ বঁটা, ১৯৯২ চনত 'দায়িত্ব আৰু অন্যান্য গল্প' শীৰ্ষক গল্পসংকলনৰ বাবে ভাৰতীয় ভাষা পৰিষদৰ বঁটা, ১৯৯৪ চনত 'মধুপুৰ বহুদূৰ' গল্পসংকলনৰ বাবে সাহিত্য অকাডেমি বঁটা আৰু সাহিত্যক্ষেত্ৰলৈ তেওঁ আগবঢ়োৱা জীৱনজোৰা অৱদানৰ বাবে ২০০২ চনত অসম উপত্যকা সাহিত্য বঁটা লাভ কৰিছিল। শীলভদ্ৰৰ ভালেসংখ্যক গল্প আৰু উপন্যাস আন আন ভাৰতীয় ভাষালৈও অনুদিত হৈছে। ড° বসন্ত কুমাৰ ভট্টাচাৰ্যই শীলভদ্ৰৰ উপন্যাস শীৰ্ষক প্ৰৱন্ধত উল্লেখ কৰিছে যে, ভাৰতীয় জ্ঞানপীঠে তেখেতৰ 'অনুসন্ধান' আৰু 'অপৰাজেয়' উপন্যাস দুখন হিন্দী ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰিছে। ইয়াৰ উপৰিও নেশ্যনেল বুক ট্ৰাষ্টে তেখেতৰ 'অবিচ্ছিন্ন' আৰু 'গধূলি' শীৰ্ষক উপন্যাস দুখন ক্ৰমে বঙালী আৰু হিন্দী ভাষালৈ অনুবাদ কৰি ছপাই উলিয়াইছে। অসমীয়া সাহিত্যিক এজনৰ উপন্যাস এইদৰে ভাৰতীয় আন আন ভাষালৈ অনুদিত হোৱাটো অসমীয়া সাহিত্যৰ বাবে বৰ গৌৰৱৰ কথা।

যি সময়ত শীলভদ্ৰই লেখক হিচাপে আত্মপ্ৰকাশ কৰিছিল, সেই সময়ছোৱাত অসমৰ সমাজ জীৱনত এক ভয়ংকৰ অস্থিৰতাই দেখা দিছিল। নৈতিকতাৰ অধঃপতন, অৰ্থনৈতিক সংকট, বয় বস্তুৰ চৰা দাম, সস্তীয়া আধুনিকতাৰ প্ৰতি মধ্যবিত্ত শ্ৰেণীৰ মাজত গা কৰি উঠা অন্ধ প্ৰেম, জ্বলন্ত নিবনুৱা সমস্যা, দুৰ্নীতি ইত্যাদিৰ কৰাল গ্ৰাসত পূৰ্বৰ সমাজ ব্যৱস্থা, নীতি-নিয়ম আৰু ধ্যান-ধাৰণা পৰিৱৰ্তন হোৱাৰ উপক্ৰম হৈছিল। তেনে এক সন্ধিক্ষণতেই গল্প আৰু উপন্যাস ৰচনাৰে পৰম্পৰাবাদী আৰু আধুনিক গতি-প্ৰকৃতিৰ সম্যক ধ্যান-ধাৰণাৰে সংবেদনশীলতা আৰু বিশ্লেষণাত্মক দৃষ্টিভংগীৰে শীলভদ্ৰই সাহিত্য কৰ্মত মনোনিৱেশ কৰিছিল।

অসমীয়া গল্প সাহিত্যৰ ইতিহাসত শীলভদ্ৰ এটা পৰিচিত নাম। তেওঁ সৰ্বমুঠ ২৬ খন গল্পপুথি ৰচনা কৰিছে। ১৯৭৫ চনত তেওঁৰ প্ৰথম গল্প সংকলন 'বাস্তৱ' প্ৰকাশ হয়। তেওঁৰ দ্বাৰা ৰচিত গল্পপুথিসমূহ হ'ল - বাস্তৱ, কোনো ক্ষোভ নাই, 'সমুদ্ৰতীৰ', 'তৰুৱা কদম', 'বীৰ সৈনিক', শীলভদ্ৰৰ কুৰিটা গল্প, দায়িত্ব আৰু অন্যান্য গল্প, জীৱন আৰু অন্যান্য গল্প, আকৌ মধুপুৰ, দূৰগত আৰু অন্যান্য গল্প, মধুপুৰ বহুদূৰ, তৰ্পণ, চিঠি আৰু অন্যান্য গল্প, নিৰ্বাচিত গল্প, লগৰীয়া, অন্য এখ মধুপুৰ, মধুপুৰৰ মধুকৰ, উত্তৰ নাই, আপোন মানুহ, জীৱনৰ ৰং আৰু সায়াহ্ন। প্ৰায় চাৰে চাৰিটা দশক অৰ্থাৎ মৃত্যু পৰ্যন্ত একান্ত সাধনা আৰু নতুন সম্পৰীক্ষাৰে তেওঁ প্ৰায় চাৰিশ গল্প ৰচনা কৰি থৈ গৈছে। এক পৃথক কথন শৈলী আৰু বৈশিষ্ট্যৰে শীলভদ্ৰই গল্পৰ মাজেৰে পাঠকক এক ভিন্ন স্বাদ প্ৰদান কৰিছিল। প্ৰথম গল্প 'অভিযোগ'তে তেওঁৰ অভিজ্ঞ মন আৰু অগতানুগতিক চেতনাৰ বহিঃপ্ৰকাশ ঘটিছে। শীলভদ্ৰৰ সমসাময়িক সময়ছোৱাত অৰ্থাৎ

B.H.B. College, Sarupeta

ষাঠিৰ দশকত অসমীয়া সাহিত্যত ৰামধেনুৰ গতিময়তা কিছু স্থবিৰ হৈ আহিছিল। স্বাধীনতাৰ পাছৰে পৰা আধুনিক ভাৱাদৰ্শেৰে পৰিচালিত হৈ অসমীয়া লেখকসকলে যিদৰে সাহিত্য ৰচনা কৰিছিল, ষাঠিৰ দশকৰ ৰাজনৈতিক, অৰ্থনৈতিক ইত্যাদি দিশৰ হতাশজনক পৰিস্থিতিত সেই গতি সংকুচিত হৈ আছিল। পাছলৈ প্ৰণৱজ্যোতি ডেকা, নগেন শইকীয়া, অপূৰ্ব শৰ্মা ইত্যাদি গল্পকাৰৰ গল্পত অনাস্থা, সংশয় ইত্যাদি উন্মোচিত হ'বলৈ ধৰিছিল। কিন্তু শীলভদ্ৰৰ গল্পত পাঠকে সম্পূৰ্ণ এক পৃথক মেজাজ আৰু পৃথক স্বাদ পাবলৈ সক্ষম হৈছিল। সেই সময়ত প্ৰচলিত প্ৰথাগত শৈলীৰ গল্পৰ ধাৰা আৰু আধুনিক শৈলীৰ পৰীক্ষামূলক গল্পৰ ধাৰাৰ বিপৰীতে কথিত ভাষাৰ মেজাজ আৰু ভংগীৰে শীলভদ্ৰই তেওঁৰ গল্পসমূহ ৰচনা কৰিছিল।

শীলভদ্ৰৰ গল্পসমূহ বিচাৰ কৰি চালে দেখা যায়, বেছিভাগ গল্পই আত্মজীৱনীমূলক আৰু প্ৰায় বেছিসংখ্যক গল্পৰে পশ্চাৎপদত আছে 'মধুপুৰ' নামৰ বিশেষ অঞ্চলটো। মধুপুৰ আঞ্চলটোৰ ঐতিহ্যময় প্ৰাচীন ৰূপটোৰ সামাজিক, ভৌগোলিক, সাংস্কৃতিক আদি বিভিন্ন দিশৰ বিস্তৃত বৰ্ণনা দাঙি ধৰি শীলভদ্ৰই কেইবাটাও গল্প ৰচনা কৰিছে। সেইসমূহৰ ভিতৰত প্ৰথমেই আমি উল্লেখ কৰিব লাগিব 'মধুপুৰ বহুদূৰ' শীৰ্ষক গল্পটোৰ কথা। গল্পটোৰ পটভূমিয়েই হৈছে মধুপুৰ নামৰ এক বিশেষ অঞ্চল। আত্মবিবৃতিমূলক এই গল্পটোত শীলভদ্ৰই মধুপুৰ কেন্দ্ৰিক সৰু সৰু ঘটনাৰ অভিজ্ঞতাৰে স্মৃতি ৰোমন্থনৰ জৰিয়তে প্ৰাক্ স্বাধীনতা কালৰ মধুপুৰ নামৰ ঠাইখনৰ এক সামাজিক ছবি দাঙি ধৰিছে। গল্পটোত কথকে ব্যক্তিগত অভিজ্ঞতাৰ ৰোমন্থনৰ মাধ্যমেৰে মধুপুৰৰ মধুকৰ শীলভদ্ৰই নিজৰ অকৃত্ৰিম সত্বাৰ অন্বেষণৰ জৰিয়তে মধুপুৰৰ ঐতিহ্যময় প্ৰাচীন সত্বাটোৰ লগত নিজক একীভূত কৰিছে। এইয়া যেন গল্পকাৰৰ আত্মআৱিস্কাৰৰ কাহিনী। গল্প অনুসৰি জীৱনৰ বেছিভাগ সময় গল্পৰ কথক জন্মস্থানৰ পৰা আঁতৰত আছে। তথাপি তেওঁৰ অন্তৰাত্মাত আৱেগিকভাৱে নিহিত হৈ আছে তেওঁৰ শৈশৱ আৰু কৈশোৰ যাপন কৰা ঐতিহ্য বিজড়িত মধুপুৰ নামৰ ঠাইখন। প্ৰাকস্বাধীনতাৰ সময়ছোৱাত মধুপুৰত সামন্তবাদী ব্যৱস্থাই গা কৰি উঠিছিল আৰু জমিদাৰসকল আছিল এই ক্ষমতাৰ কেন্দ্ৰবিন্দু। জমিদাৰী শাসনৰ ফলশ্ৰুতিত মধুপুৰৰ সামাজিক আৰু সাংস্কৃতিক পৰিৱেশ কিদৰে প্ৰভাৱান্বিত কৰিছিল সেই বিষয়ে গল্পটোত উল্লেখ কৰা হৈছে এনেদৰে-

"ভিন্ন এক জীৱন, ভিন্ন এক বাতাৱৰণ। সৰু ঠাই, সকলোৰে পৰা বিচ্ছিন্ন কিন্তু স্বয়ংসম্পূৰ্ণ। ব্ৰিটিছৰ তলত আছিল নে অইন কাৰোবাৰ তলত আছিল সেই লৈ কাৰো চিন্তা নাই। সকলো কাৰ্যক্ৰমৰ কেন্দ্ৰ আছিল জমিদাৰ অৰ্থাৎ ৰাজাবাহাদুৰ। ব্যৱস্থাটো ভাল নে বেয়া ক'ব নোৱাৰিম। কিন্তু জীৱনধাৰা আছিল শান্তিপূৰ্ণ আৰু নিৰুদ্বেগ।" (শীলভদ্ৰ গল্প সমগ্ৰ, (২০০৭) পৃ. ৫)

গল্পৰ কথক তথা প্ৰধান চৰিত্ৰৰ শৈশৱ কৈশোৰৰ বিচৰণভূমি মধুপুৰ শিক্ষা-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ হোৱাৰ লগতে উৎসৱ অনুষ্ঠান, বিনোদন, আমোদ-প্ৰমোদেৰে ভৰপূৰ সৰলতা আৰু আন্তৰিকতাৰে ভৰা এখন ঠাই আছিল। বিভিন্ন ঠাইৰ পৰা প্ৰব্ৰজন সূত্ৰে নিগাজী হোৱা ভিন ভিন মানুহৰ ভিন ভিন সংস্কৃতি আৰু সমন্বয়ৰ প্ৰতীক মধুপুৰৰ প্ৰাচীন ঐতিহ্য আৰু গৰিমা যে কালৰ বুকুত ক্ৰমান্বয়ে হেৰাই গৈছিল। মধুপুৰৰ সামন্তবাদী ব্যৱস্থাত মোক্ষম আঘাত হানিছিল দ্বিতীয় বিশ্বযুদ্ধই। স্বাধীনতাৰ পৰৱৰ্তী সময়ত জমিদাৰী প্ৰথা সম্পূৰ্ণৰূপে উচ্ছেদ হৈছিল আৰু এনেকৈয়ে মধুপুৰৰ বৰ্ণিল ঐতিহ্যৰ অৱক্ষয় হৈছিল। মূঠৰ ওপৰত স্বাধীনতাৰ পাছৰে পৰা মধুপুৰে এক নতুন ৰূপ পৰিগ্ৰহণ কৰিছিল। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি সকলো দিশতে বৃহৎ পৰিৱৰ্তনৰ সূচনা হৈ মধুপুৰৰ জমিদাৰী পৃষ্ঠপোষকতাত গা কৰি উঠা সমাজখন একেবাৰে হেৰাই গৈছিল।

কথক জীৱন আৰু জীৱিকাৰ তাড়নাত মধুপুৰৰ পৰা বিচ্ছিন্ন হৈ নগৰমুখী হৈছিল। তেওঁৰ শৈশৱৰ মধুপুৰেই হ'ল বৰ্তমানৰ গৌৰীপুৰ। শৈশৱ, কৈশোৰৰ বেছিখিনি সময় পাৰ কৰা মধুপুৰৰ জমিদাৰৰ প্ৰাসাদক 'ৰাজবাড়ী' বুলি গল্পটোত উল্লেখ কৰা হৈছে। ৰাজা বাহাদুৰ আৰু ৰাজবাড়ীক কেন্দ্ৰ কৰিয়েই মধুপুৰৰ সকলো কাৰ্য সম্ভৱ হৈছিল। লেখকৰ মনত সজীৱ হৈ থকা তেওঁ এৰি অহা মধুপুৰৰ বৰ্ণনা গল্পটিত এনেদৰে দাঙি ধৰিছে -

"মধুপুৰৰ কথা চিন্তা কৰিলে মোৰ চকুৰ আগত

B.H.B. College, Sarupeta

যিখন মধুপুৰৰ চিত্ৰ আঁহি আছে, সেইখন কেইবা দশকৰ আগৰ চিত্ৰ। মধুপুৰখন স্থিৰ হৈ ৰৈ থকা নাই আৰু এই পৰিৱৰ্তনশীল জগতত মধুপুৰৰ মানুহবোৰৰো আমূল পৰিৱৰ্তন ঘটিছে। যুক্তিৰে বুজি পালেও অন্তৰেৰে মানি ল’ব নোৱাৰো। মুস্কিল এইখিনিতে।” (শীলভদ্ৰ, (১৯৯৫), মধুপুৰ বহুদূৰ, পৃ. ১)

সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মধুপুৰত নাটকৰ প্ৰতি থকা মানুহৰ টানৰ কথাও উল্লেখ কৰাৰ লগতে সেই সময়ত নাটকত প্ৰচলিত এটি অপ্ৰিয় সত্যক তুলি ধৰিছে। প্ৰসংগক্ৰমে গল্পকাৰে মধুপুৰত থকা নাট্য সমিতিৰ পৃষ্ঠপোষক ৰাজ বাহাদুৰৰ পৃষ্ঠপোষকতাত মঞ্চস্থ হোৱা নাটকবোৰত কেৱল জমিদাৰৰ পৰিয়াল আৰু আন আন সম্ভ্ৰান্ত পৰিয়ালৰ মানুহেহে যে অভিনয়ৰ সুযোগ পাইছিল সেই ইতিহাস এখিনিও দাঙি ধৰিছিল। গল্পটিৰ প্ৰতিটো শাৰীতেই যেন কথকৰ শৈশৱ, কৈশোৰৰ মধুপুৰৰ লগত একাত্ম হৈ থকা তেওঁৰ প্ৰাচীন সত্বাটোৰ উমান স্পষ্ট হৈছে। সেয়েহে জমিদাৰীকালীন সেই প্ৰাচীন মধুপুৰৰ সম্ভ্ৰান্ত পৰিয়ালৰ সন্তান ‘ভদ্ৰ’ নামৰ চৰিত্ৰটোৱে যেন মধুপুৰৰ এই পৰিৱৰ্তন অন্তৰেৰে মানি ল’ব পৰা নাই।

‘মধুপুৰ বহুদূৰ’ শীৰ্ষক গল্পটোৰ কাহিনী, বিশেষ চৰিত্ৰক কেন্দ্ৰ কৰি নাইবা কোনো সু-পৰিকল্পিত ঘটনাৰ সমন্বয়ত গঢ়ি উঠা নাই। গল্পটিত বৰ্ণিত ঘটনাসমূহৰ মাজত কোনো ধৰণৰ সামঞ্জস্য দেখিবলৈ পোৱা নাযায়। প্ৰৱাসী জীৱন কালত প্ৰধান চৰিত্ৰৰ মন মননত দোলা দি যোৱা মধুপুৰ কেন্দ্ৰিক কিছুমান সৰু বৰ স্মৃতিৰ মাজেৰে গল্পটোৰ শৰীৰ নিৰ্মিত হৈছে। গল্পকাৰৰ এই নিৰ্মিতি যেন চেতনাস্ৰোতধৰ্মীতাৰ এক সুন্দৰ বহিঃপ্ৰকাশ। গল্পটিত মূল চৰিত্ৰৰ স্মৃতিকথাৰ মাজেৰে বৰ্ণিত প্ৰতিটো ঘটনাই শৃংখলাহীন আৰু বিচ্ছিন্ন। কিন্তু এই অসংলগ্ন যেন লগা অলেখ ঘটনাৰ মাজত ঐক্যসূত্ৰ গাঁঠিছে ‘মধুপুৰ’ নামৰ অঞ্চলটোৱে। গল্পত উল্লেখিত প্ৰতিটো চৰিত্ৰই ভিন্ন জীৱনধাৰাৰে আৰু ভিন্ন মানসিকতাৰে এক ভিন্ন স্তৰত অৱস্থান কৰিছে। মানসিক, শাৰীৰিক, আৰ্থিক অথবা নৈতিক কোনো দিশতেই চৰিত্ৰকেইটাৰ সাদৃশ্য পৰিলক্ষিত নহয়। এটা চৰিত্ৰ যদি জমিদাৰ আনজন পথৰ ভিক্ষাৰী, কোনোবাজন আকৌ নাট পৰিচালক, তাৰ বিপৰীতে আনজন মিস্ত্ৰী। এই বহুৰূপী চৰিত্ৰৰ ভিন্নতাৰ উৰ্দ্ধত অৱস্থান কৰিছে মধুপুৰ নামৰ ঠাইখনৰ প্ৰাচীন সত্বাটোৰ সৈতে সকলোৰে থকা আত্মিক টান। এই আৱেগ আৰু এই আকৰ্ষণেই যেন এটা চৰিত্ৰক আনটো চৰিত্ৰৰ কাষ চপাই আনিছে। এই আত্মিক আকৰ্ষণৰ বাবেই গল্পটোৰ প্ৰধান চৰিত্ৰই জমিদাৰ, গগন ঠাকুৰ আৰু কৃষ্ণ ঠাকুৰৰ কাজিয়াৰ ঘটনাৰ পৰা ফেলুবাবুৰ জীৱনৰ ঘটনা অথবা মেছ ফেক্টৰিত কাম কৰি প্ৰভাত দত্ত নামৰ মানুহজনৰ সোহাঁতখন মেচিনত সোমোৱা, এশ টকা ধাৰ কৰি নৰখুড়াই প্ৰধান চৰিত্ৰক অতি হেঁপাহেৰে এসাঁজ ভাত খুওৱাৰ পৰা হত্যাকাৰীলৈকে মধুপুৰৰ প্ৰতিটো চৰিত্ৰ আৰু প্ৰতিটো ঘটনাৰ সৈতে এক আত্মিক ঘনিষ্ঠতাৰে বান্ধ খাই আছে বুলি অনুভৱ কৰিছে। সেইবাবেই সংসাৰ যুদ্ধৰ ভাগৰুৱা পথিক হোৱা মূল চৰিত্ৰৰ জীৱনৰ বিয়লি পৰত অলিখিত স্মৃতিৰ অসংলগ্ন টুকুৰাবোৰে স্মৃতিৰ দুৱাৰ খুলি মুকলি হ’বলৈ হেতা-ওপৰা লগাইছে। সেয়েহে তেওঁৰ মন এফালে যেতিয়া জমিদাৰৰ মৰম আৰু শুভেচ্ছাৰ কথা সুঁৱৰি পৰিতৃপ্ত হৈছে আকৌ আনফালে মধুপুৰৰ আতপজান পাগলীৰ আন্তৰিকতাপূৰ্ণ মৰম, হেঁপাহ আৰু আৰ্শীবাদৰ ছবিখনেও মনত দোলা দিছে এনেদৰে -

“কলেজৰ পৰা বন্ধত ঘৰলৈ আহিলে লগ পালেই তাই মাত লগাইছিল। ভিক্ষা বিচাৰি নহয়, শুভানুধ্যায়ী হিচাপে। ৰাও, ভাল কৰি পঢ়া-লিখা কৰি ডাঙৰ মান্সী হুওয়া খাইবে। আল্লায় তোৰ ভাল কৰবে। দুয়োখন হাত ওপৰৰ পিনে মূৰৰ দুয়োখন হাত ওপৰৰ পিনে মূৰৰ দুয়োফালে দাঙি লৈ চকুদুটা বন্ধ কৰি বিৰবিৰাই তাই কিবা কৈছিল। অৰ্থাৎ মোৰ মংগল কৰাৰ কাৰণে আল্লাৰ ওচৰত প্ৰাৰ্থনা।” (শীলভদ্ৰ গল্প সমগ্ৰ, (২০০৭)পৃ. ১৪)

সমগ্ৰ গল্পটোত ভিন্ন চৰিত্ৰ আৰু ভিন্ন কাহিনীৰ আচৰণ আৰু বৰ্ণনাৰে সামন্তকালীন জমিদাৰকালীন মধুপুৰ নামৰ ঠাইৰ অতীত ঐতিহ্যৰ ছবি এখন গল্পকাৰে ফুটাই তুলি ইয়াৰ মাজেৰেই গল্পটোত কেন্দ্ৰীভূত হৈ থকা ঐক্যসূত্ৰ গাঁঠিছে। চুটিগল্পৰ সংজ্ঞা আৰু বৈশিষ্ট্যৰ ফালৰ পৰা বিচাৰ কৰি চালে শীলভদ্ৰৰ ‘মধুপুৰ বহুদূৰ’ গল্পটোত চুটিগল্পৰ নিটোল গাঁথনি এটা দেখা পোৱা নাযায়। গল্পটোৱে বহুধৰণৰ চৰিত্ৰ, ভালেখিনি ঘটনা সামৰি লোৱাৰ বাবে বিষয়বস্তুৰ ক্ষেত্ৰত গল্পটোত উপন্যাসসম বিষয়বস্তুৰ বিস্তৃতি পৰিলক্ষিত হৈছে। স্বাধীনতাৰ পাছত জমিদাৰকালীন মধুপুৰ অঞ্চলটোৰ ভিন্ন দিশত পৰিৱৰ্তনৰ বৰ্ণনাৰ মাজেৰে বহুখিনি সময়ত গল্পকাৰে এটা

B.H.B College, Sarupeta

মাত্র কেন্দ্ৰস্থ ভাবৰ আদৰ্শৰ ছন্দ হেৰুৱাইছে যেন বোধ হৈছে। বহুসময়ত অপ্ৰাসংগিক আৰু অপ্ৰয়োজনীয় ঘটনাৰ বৰ্ণনাই গল্পটোৰ আংগিক আৰু শিল্পগুণৰ ওপৰত আঘাত হানিছে। 'মধুপুৰ'ৰ ভিন্ন স্মৃতিৰ চেতনাৰ টুকুৰাবোৰৰ বিছিন্নতাই গল্পটোত সাহিত্যৰ চেতনাস্ৰোতধৰ্মী ধাৰাৰ কিছু স্বাদ দিছে যদিও ই প্ৰকৃত চেতনাস্ৰাতধৰ্মী গল্পৰ শাৰীলৈ উন্নীত হোৱা নাই। কিন্তু গল্পকাৰৰ এই সম্পৰীক্ষা নিঃসন্দেহে প্ৰশংসনীয়। নামকৰণৰ ক্ষেত্ৰত ব্যঞ্জনাধৰ্মী শিৰোনামেৰে গল্পটো সাৰ্থক হৈছে বুলি ক'ব পাৰি। পৰিৱৰ্তনৰ সোঁতত বিধৌত মূল চৰিত্ৰৰ শৈশৱ কৈশোৰৰ প্ৰাণৱন্ত মধুপুৰৰ অতীত স্মৃতিয়ে তেওঁক অনবৰতে আমনি কৰে। মানসিক তাড়নাৰ সত্ত্বেও তেওঁ পুনৰ মধুপুৰলৈ উভতি যোৱাৰ কল্পনাও কৰিব নোৱাৰে। বৰ্তমানৰ পৰিৱৰ্তিত মধুপুৰ লেখকৰ পৰা এতিয়া বহু দূৰত। এই দূৰত্ব কেৱল ভৌগোলিকেই নহয়, ই এশ শতাংশই মানসিক আৰু আন্তৰিক। 'মধুপুৰ বহুদূৰ' শীৰ্ষক নামকৰণৰ ব্যঞ্জনাই গল্পটোৰ অন্তৰ্নিহিত ভাব-ভংগী প্ৰকাশত যথেষ্ট পৰিমাণে অৰিহণা যোগাইছে। ইয়াৰ উপৰিও চৰিত্ৰ অনুসৰি গল্পকাৰে ব্যৱহাৰ কৰা উপযুক্ত সংলাপে ভাষাৰ ক্ষেত্ৰত গল্পকাৰৰ দক্ষতাৰ ইংগিত বহন কৰিছে। জমিদাৰ, শ্ৰমিক, ভিক্ষাৰী, সাধুবাবা, হত্যাকাৰী, পাগলী আদি প্ৰত্যেকটো চৰিত্ৰৰ ভাষাৰ ভিন্নতাই গল্পটোৰ কথন শৈলীক আকৰ্ষণীয় কৰি তুলিছে। ইয়াৰ উপৰিও ঠায়ে ঠায়ে কথিত ভাষাৰ কৌশলী প্ৰয়োগেৰে সহৃদয় হৃদয় সংবাদী প্ৰতিজন সাধাৰণ পাঠকক আস্বাদিত কৰাত গল্পকাৰ সফল হৈছে। লগতে ব্যংগাত্মক ভাষাশৈলীৰ প্ৰয়োগ আৰু বৰ্ণনীয় বিষয়ক চুটি চুটি বাক্যৰে কৰা উপস্থাপনে গল্পটোক এক সুকীয়া আবেদন প্ৰদান কৰিছে। মুঠৰ ওপৰত স্মৃতিৰ মাধ্যমেৰে উদ্‌যাপিত বিক্ষিপ্ত ঘটনা, বিচ্ছিন্ন চৰিত্ৰ, আকৰ্ষণীয় ভাষাশৈলী, ব্যঞ্জনাধৰ্মী নামকৰণ আৰু মধুপুৰৰ সামন্তযুগীয় প্ৰাচীন ঐতিহ্যৰ প্ৰতি আত্মিকতা এই সকলোবোৰ বৈশিষ্ট্যৰ সমাহাৰেৰে শীলভদ্ৰৰ 'মধুপুৰ বহুদূৰ' অসমীয়া আঞ্চলিক সাহিত্যৰ ধাৰাটোৰ এক অনৱদ্য সংযোজন।


<u>সহায়ক গ্ৰন্থপঞ্জী ঃ</u>

তালুকদাৰ, প্ৰাঞ্জল (সম্পাঃ) (২০২১); *অসমীয়া সাহিত্যৰ ভিন্ন পৰ্ব*, গুৱাহাটী: পূৰ্বায়ণ।

দাস, অতুল চন্দ্ৰ (২০১২); *অসমীয়া চুটিগল্পৰ আলোচনা*, গুৱাহাটী: মানৱ বিকাশ সমাজ।

বৰুৱা, প্ৰ!াদ কুমাৰ (১৯৯৫); *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, গুৱাহাটী: বনলতা।

বায়ন, মুনীন (সম্পাঃ) (২০০০); *মধুপুৰৰ মধুকৰ*, গুৱাহাটী: সৃষ্টিলেখা।

শীলভদ্ৰ (১৯৯৫); *মধুপুৰ বহুদূৰ*, গুৱাহাটী: বৰুৱা এজেন্সী।

শীলভদ্ৰ (২০০৭); *শীলভদ্ৰ গল্প সমগ্ৰ*, গুৱাহাটী: বনলতা।


*********

B.H.B. College, Sarupeta

# সামাজিক মাধ্যম ঃ শিক্ষাৰ্থীৰ উদ্বেগ আৰু আত্মমৰ্যাদাৰ ওপৰত ইয়াৰ প্ৰভাৱ

— শংকুদীপ দাস
স্নাতক চতুৰ্থ ষাণ্মাসিক

ডিজিটেল যুগত, ছ'চিয়েল মিডিয়া ছাত্ৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। ইনষ্টাগ্ৰাম, টুইটাৰ, ফেচবুক আৰু স্নেপচ্যাটৰ দৰে প্লেটফৰ্মে শিক্ষাৰ্থীসকলক সংযোগ, ভাগ বতৰা আৰু নিজকে প্ৰকাশ কৰাৰ নতুন উপায় প্ৰদান কৰে। অৱশ্যে, ছ'চেয়েল মিডিয়াৰ ব্যাপক উপস্থিতিয়ে এক প্ৰত্যাহ্বানৰ সমষ্টিও আনিছে যি শিক্ষাৰ্থীসকলৰ মানসিক স্বাস্থ্যত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়, বিশেষকৈ ছদ্বেগ আৰু আত্মৰ্যাদাৰ ক্ষেত্ৰত।

সামাজিক মাধ্যমৰ আকৰ্ষণ (The Allure of Social Media) : সামাজিক মাধ্যমৰ আবেদন তাৎক্ষণিক সন্তুষ্টি প্ৰদান কৰাৰ সামৰ্থত নিহিত আছে। লাইক, মন্তব্য আৰু শ্বেয়াৰে তাৎক্ষণিক প্ৰতিশ্ৰুতি হিচাপে কাম কৰিব পাৰে, যাৰ ফলত এক সম্পৰ্ক আৰু গ্ৰহণযোগ্যতাৰ অনুভূতি সৃষ্টি হয়। এই ডিজিটেল বৈধতা বিশেষকৈ সহকৰ্মীৰ অনুমোদন বিচৰা শিক্ষাৰ্থীসকলৰ বাবে শক্তিশালী হ'ব পাৰে। অৱশ্যে, ওলোটা দিশটো হৈছে এক নিখুঁত অনলাইন ব্যক্তিত্ব প্ৰস্তুত কৰাৰ চাপ, যাৰ ফলত প্ৰায়ে চাপ আৰু উদ্বেগ হয়।

নিখুঁততাৰ উদ্বেগ (The of Perfection) : নিজৰ এটা আদৰ্শসংস্কৰণ উপস্থাপন কৰাৰ চাপ অত্যধিক হ'ব পাৰে। শিক্ষাৰ্থীসকলে প্ৰায় তেওঁলোকৰ জীৱনক সামাজিক মাধ্যমত তেওঁলোকৰ সহকৰ্মীসকলে প্ৰদৰ্শন কৰা নিখুঁত জীৱনৰ সৈতে তুলনা কৰে। এই নিৰন্তৰ তুলনাৰ ফলত অপ্ৰয়োজনীয়তা আৰু উদ্বেগৰ অনুভূতি হ'ব পাৰে। সামাজিক আৰু নিদানিক মনোবিজ্ঞান জাৰ্নেলত প্ৰকাশিত এক অধ্যয়ন অনুসৰি, সামাজিক মাধ্যমপ্লেটফৰ্মৰ বৰ্ধিত ব্যৱহাৰ লক্ষণৰ সৈতে সম্পৰ্কিত। বাদ পৰাৰ ভয়টোৱে (the fear of missing out, FOMO) এই উদ্বেগ বৃদ্ধি কৰে। বন্ধুবৰ্গক অনুষ্ঠান বা কাৰ্যকলাপৰ বিষয়ে পোষ্ট কৰা দেখিলে শিক্ষাৰ্থীসকল বৰ্জিত অনুভৱ কৰিব পাৰে, আনকি তেওঁলোকে সেই অনুষ্ঠানবোৰত বিশেষ আগ্ৰহী নহ'লেও। এই অনুভৱ বৰ্জনৰ ফলত সামাজিক উদ্বেগ আৰু এৰি যোৱাৰ ভয় হ'ব পাৰে।

আত্মমৰ্যাদাৰ ৰোলাৰকোষ্টাৰ (The Self-Esteem Rollercoaster): সামজিক মাধ্যমেও আত্মমৰ্যাদাক গুৰুত্বপূৰ্ণভাৱে প্ৰভাৱিত কৰিব পাৰে। পোষ্টবোৰৰ ওপৰত ইতিবাচক প্ৰতিক্ৰিয়াই অস্থায়ীভাৱে আত্ম-সন্মান বৃদ্ধি কৰিব পাৰে, কিন্তু বাহ্যিক বৈধতাৰ ওপৰত এই নিৰ্ভৰশীলতা দীৰ্ঘম্যাদী সময়ত ক্ষতিকাৰক হ'ব পাৰে। নিৰন্তৰ অনুমোদনৰ প্ৰয়োজনীতাই নিৰ্ভৰশীলতাৰ এক চক্ৰ সৃষ্টি কৰিব পাৰে, য'ত শিক্ষাৰ্থীসকলৰ আত্ম-মূল্য তেওঁলোকে প্ৰাপ্ত কৰা লাইক আৰু মন্তব্যৰ সংখ্যাৰ সৈতে বান্ধ খাই পৰে।

তদুপৰি আদৰ্শিত ছবি আৰু জীৱনশৈলীৰ সংস্পৰ্শলৈ (the exposure to idealized images and lifestyles)অহাৰ ফলত শৰীৰৰ প্ৰতিচ্ছবিৰ (body images issues) সমস্যা আৰু নিম্ন আত্মৰ্যাদা হ'ব পাৰে। ৰয়েল চছাইটি ফৰ পাব্লিক হেল্থৰ এক প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে সামাজিক মাধ্যমৰ ব্যৱহাৰ শৰীৰৰ প্ৰতিচ্ছবিৰ উদ্বেগৰ সৈতে সম্পৰ্কিত, বিশেষকৈ যুৱতীসকলৰ মাজত। সম্পাদিত আৰু ফিল্টাৰ কৰা ছবিৰ প্ৰসাৰে অবাস্তৱ মানদণ্ড নিৰ্ধাৰণ কৰে, যাৰ ফলত শিক্ষাৰ্থীসকলে অনুভৱ কৰে যে তেওঁলোক এই অপ্ৰাপ্তিযোগ্য আদৰ্শবোৰৰ পৰা কম।

মোকাবিলাকৰাৰ ব্যৱস্থা আৰু কৌশল (Coping Mechanisms and Stregies): শিক্ষাৰ্থীৰ উদ্বেগ আৰু আত্মমৰ্যাদাৰ ওপৰত সামাজিক মাধ্যমৰ প্ৰভাৱ ৰক্ষা কৰাৰ বাবে এক বহুমুখী দৃষ্টিভংগীৰ প্ৰয়োজন। ইয়াত কিছুমান ৰণনীতি দিয়া হৈছে যিসহায় কৰিব পাৰে।

B.H.B. College Sarupeta

1. ডিজিটেল ডিটক্স (Digital Detoxes): শিক্ষাৰ্থীসকলক সামাজিক মাধ্যমৰ পৰা নিয়মীয়া বিৰতি ল'বলৈ উৎসাহিত কৰিলে উদ্বেগ হ্ৰাস কৰাত আৰু সামাজিক সুস্থতা উন্নত কৰাত সহায় কৰিব পাৰে। ডিজিটেল ডিটক্স প্ৰতিদিনে কেইঘণ্টামানৰ পৰা সপ্তাহতন্তৰ অফলাইনলৈকে (entire weekends offline) : হ'ব পাৰে।

2. মননশীল ব্যৱহাৰ (Mindful Usage): মননশীল ছ'চিয়েল মিডিয়া ব্যৱহাৰৰ প্ৰচাৰৰ বাবে এই প্লেটফৰ্মসমূহত কটোৱা সময় আৰু খৰচ কৰা বিষয়বস্তুৰ প্ৰতি সচেতন হোৱাটো জড়িত হৈ থাকে। শিক্ষাৰ্থীসকলক নেতিবাচক তুলনা আৰম্ভ কৰা একাউণ্টবোৰৰ সলনি ইতিবাচকতা আৰু আত্ম-গ্ৰহণৰ (self-acceptance) প্ৰচাৰ কৰা একাউণ্টবোৰ অনুসৰণ কৰিবলৈ উৎসাহিত কৰিব লাগে।

3. বাস্তৱ জীৱনৰ সংযোগসমূহ (Real-life Connections) : মুখামুখি বাৰ্তালাপৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে সামাজিক মাধ্যমৰ প্ৰভাৱ হ্ৰাস কৰাত সহায় কৰিব পাৰে। বাস্তৱ জীৱনত শক্তিশালী, সহায়ক সম্পৰ্ক গঢ়ি তোলাটোৱে আত্মমৰ্যাদাৰ বাবে এক অধিক স্থিৰ ভেটি প্ৰদান কৰে আৰু ডিজিটেল বৈধতাৰ (digital validation) ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰে।

4. শিক্ষা আৰু সজাগতা (Education and Awareness) : বিদ্যালয় আৰু মহাবিদ্যালয়সমূহে সামাজিক মাধ্যমৰ স্বাস্থ্যকৰ ব্যৱহাৰৰ ওপৰত শিক্ষা প্ৰদান কৰি এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। ডিজিটেল সাক্ষৰতা, মানসিক স্বাস্থ্য আৰু আলোচনাচক্ৰই শিক্ষাৰ্থীসকলক এই প্লেটফৰ্মবোৰ অধিক কাৰ্যকৰীভাৱে নেভিগেট কৰাৰ সঁজুলিৰে সজ্জিত কৰিব পাৰে।

5. পৰামৰ্শ সেৱাসমূহ (Counseling Services) : সামাজিক মাধ্যমৰ সৈতে সম্পৰ্কিত উদ্বেগ আৰু আত্মসন্মানৰ সমস্যাৰ সৈতে যুঁজি থকা শিক্ষাৰ্থীসকলৰ বাবে সুলভ মানসিক স্বাস্থ্য সেৱা অত্যাৱশ্যকীয়। শিক্ষাৰ্থীসকলক তেওঁলোকৰ মানসিক স্বাস্থ্য নিয়ন্ত্ৰণ কৰাত সহায় কৰিবলৈ পৰামৰ্শই ব্যক্তিগতকৃত ৰণনীতি আৰু সমৰ্থক প্ৰদান কৰিব পাৰে।

যদিও ছ'চিয়েল মিডিয়াই সংযোগ আৰু আত্মপ্ৰকাশৰ বাবে মূল্যৱান সুযোগ প্ৰদান কৰে, ই শিক্ষাৰ্থীৰ মানসিক স্বাস্থ্যৰ বাবে গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বানও প্ৰদান কৰে। এক নিখুঁত অনলাইন উপস্থিতি বজাই ৰখাৰ চাপ আৰু আনৰ সৈতে নিৰন্তৰ তুলনাৰ ফলত উদ্বেগ বৃদ্ধি হ'ব পাৰে আৰু আত্মমৰ্যাদা হ্ৰাস হ'ব পাৰে। মনোযোগেৰে ব্যৱহাৰৰ ৰণনীতি গ্ৰহণ কৰি, নিয়মীয়া ডিজিটেল ডিটক্স গ্ৰহণ কৰি, আৰু বাস্তৱ জীৱনৰ সংযোগ বৃদ্ধি কৰি, শিক্ষাৰ্থীসকলে সামাজিক মাধ্যমৰ নেতিবাচক প্ৰভাৱবোৰ হ্ৰাস কৰিব পাৰে। স্বাস্থ্যকৰ সামাজিক মাধ্যমৰ অভ্যাসৰ প্ৰচাৰ আৰু মানসিক স্বাস্থ্যৰ প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা শিক্ষৰ্থীসকলৰ বাবে সমৰ্থন প্ৰদান কৰাত শিক্ষানুষ্ঠানসমূহৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। সামাজিক মাধ্যমত মনোযোগেৰে নেভিগেট কৰিলে শিক্ষাৰ্থীসকলক এক স্বাস্থ্যকৰ ভাৰসাম্য বজাই ৰখাত সহায় কৰিব পাৰে, অধিক ইতিবাচক আত্ম-প্ৰতিচ্ছবি বৃদ্ধি কৰিব পাৰে আৰু উদ্বেগ হ্ৰাস কৰিব পাৰে।

*********

B.H.B. College Sarupeta

# অসমৰ লোকসমাজত প্ৰচলিত অপশক্তি সম্পৰ্কীয় বিশ্বাস— এক অধ্যয়ন

— দিপ তালুকদাৰ
স্নাতক চতুৰ্থ ষাণ্মাসিক

পৃথিৱীত মানুহৰ সৃষ্টি হোৱাৰ পৰাই মানুহে কিছুমান অদৃশ্য, ৰহস্যময়, অলৌকিক তথা অতিলৌকিক মহাশক্তিক বিশ্বাস কৰি আহিছে। এই বিশ্বাসৰ আঁৰতেই সৃষ্টি হৈছে পৰম মহাশক্তি ঈশ্বৰ বা ভগৱানৰ। পৃথিৱীৰ প্ৰায় সকলো লোকসমাজতেই পৰমশক্তি ঈশ্বৰক বিশ্বাস কৰি আহিছে। অসমীয়া লোকসমাজাতো এনে অপশক্তি সমূহৰ ওপৰত গভীৰ বিশ্বাস নিহিত হৈ থকা দেখা যায়। অসমৰ গাঁৱে-ভূঞে ককা-আইতাসকলৰ মুখত এনে অপশক্তিসমূহৰ কাহিনী শুনিবলৈ পোৱা যায়। এনে কাহিনীসমূহ শুনিবলৈ আচহুৱা যেন লাগিলেও অসমীয়া লোকসমাজত প্ৰায় প্ৰতিজন ব্যক্তিৰ মনতেই এই কাহিনীসমূহ শুনিলে এক অবৰ্ণনীয় ভয় বা শংকাৰ সৃষ্টি হয়। অসমৰ গাঁৱলীয়া লোকসকলে এনেদৰে অদৃশ্য আৰু ৰহস্যজনক অপশক্তিক অতীজৰে পৰাই বিশ্বাস কৰি আহিছে।

অসমীয়া লোকসমাজখনৰ হিন্দুধৰ্মৰ পৰম্পৰা প্ৰাচীন কালৰে পৰা চলি আহিছে। হিন্দু সমাজে নানা দেৱ-দেৱী বিশ্বাস কৰে। এইবোৰ দেৱ-দেৱতা স্বৰ্গত থাকে বুলি ভাবে। ইয়াৰে কিছুমান দেৱতা নিম্নস্তৰৰ অপদেৱতাৰ পৰ্য্যায়লৈ অৱনমিত হয়। তাৰে কিছুমান দেৱতাক দেৱতা ৰাজ্যৰ পৰা কিছুমান অন্ধকাৰ অসম্ভৱ ঠাইত নিক্ষেপ কৰি দিয়ে। এনেবোৰ নিম্ন পৰ্য্যায়ৰ দেৱতাকে সাধাৰণতে 'অপদেৱতা' বুলি কোৱা হয়। ইহঁত বৰ বেছি পৰিমাণে মানুহৰ অনিষ্টকাৰী আৰু হিংসুক প্ৰবৃত্তিৰ।

অসমৰ গাঁৱলীয়া ককা-আইতা সকলে এনে অপদেৱতা সমূহৰ কথা কয়। তেওঁলোকৰ কোনো কোনোৱে হেনো এনোবোৰ অপদেৱতা দেখিছে। অসমীয়া লোকসমাজত প্ৰচলিত অপদেৱতা সমূহ হৈছে— বৰদৈচিলা, বুঢ়া ডাঙৰীয়া, ভূত, বাঁক, পৰুৱা, পৰভূত, কণভূত, ধনগুলৈ, বাঁহগছৰ ভূত, জাউকাৰ পাল ইত্যাদি।

**বৰদৈচিলা**— বসন্ত কালত বৰদৈচিলা বা এছাতি ধুমুহা বতাহ সমগ্ৰ অসমৰ ওপৰেদি বৈ যায়। অৰ্থাৎ বাৰিষাৰ আগজাননী দিয়া এজাক ধুমুহা-বতাহ আৰু বৰষুণকে বৰদৈচিলা বোলে। 'বৰদৈচিলা' শব্দটো বড়ো জনজাতীয় ভাষাৰ বাৰ্ (বায়ু), দৈ (পানী), চিখ্‌লা (ছোৱালী) শব্দকেইটাৰ সংমিশ্ৰণ। বৰদৈচিলাক অসমীয়া সমাজে দেৱী বুলি ভাবে। বৰদৈচিলা বোলে বসন্ত কালৰ আগে আগে মাকৰ ঘৰলৈ যায়। গছ-গছনি, হিল-দল ভাঙি থৈ যায়।

**বুঢ়া ডাঙৰীয়া**— বুঢ়া ডাঙৰীয়াক আগৰ বুঢ়াসকলে সন্মানৰ চকুৰে চাইছিল। বুঢ়া ডাঙৰীয়া হৈছে নামঘৰসমূহৰ ৰক্ষক। বুঢ়া ডাঙৰীয়াই সম্ভ্ৰান্ত ব্যক্তিয়ে পাগুৰি মৰাৰ দৰেই পাগুৰি মাৰি থাকে সেইকাৰণেই ই 'ডাঙৰীয়া' সম্বোধন লাভ কৰিছে। তাৰ উপৰিও বুঢ়া ডাঙৰীয়াই গাত সম্ভ্ৰন্ত ব্যক্তিয়ে লোৱাৰ দৰেই খনীয়া কাপোৰ লয়। আঁঠুৰ তললৈকে ওলমি পৰা ধূতি পিন্ধে। তেওঁ পিন্ধা কাপোৰ মাৰ্বল পাথৰৰ দৰে বগা। তেওঁ আকৃতিত হৃষ্ট-পুষ্ট, থুলন্তৰ পুৰুষ আৰু বগা ঘোঁৰা তেওঁৰ বাহন। সকলো অপদেৱতাতকৈ বুঢ়া ডাঙৰীয়াক লোকে পূজে। বুঢ়া ডাঙৰীয়া ডাঙৰ গছত থাকে। সেই গছ কাটি দোষ লগোৱা জনক ডাঙৰ নৰিয়াত পেলাই দিয়ে। তেতিয়া গছকটা জনে বুঢ়া ডাঙৰীয়াক পূজা এভাগ আগ বঢ়ালেই আৰোগ্য লাভ কৰে।

**ভূত**— মানুহে সাধাৰণতে সকলো অপদেৱতাকেই দেও-ভূত বুলি কয়। আচলতে ভূত এবিধ সুকীয়া অপদেৱতা। ভূতে তাৰ আকৃতি ঘনে ঘনে সলনি কৰিব পাৰে। কেতিয়াবা ইয়াক মানুহৰ দৰে দেখি অৰ্থাৎ মানুহৰ ৰূপ ধৰে আৰু প্ৰায়েই জনশূণ্য পথ অথবা নিৰ্জন পথাৰ আদি ঠাইত শূণ্যতে ওপঙি গৈ থাকে। দূৰৈৰ পৰা এনেকুৱা লাগে যেন কোনো ব্যক্তিয়ে খোজকাঢ়িহে গৈ আছে। কিন্তু ভূতৰ ভৰি মাটিত নালাগে। শূণ্যতে ওপৰে ওপৰে খোজকাঢ়িহে গৈ থাকে। কেতিয়াবা ই বিভিন্ন

B.H.B. College, Sarupeta

জীৱ-জন্তু, পক্ষী আদিৰ ৰূপো ধৰে। আন্ধাৰ ৰাতি মানুহক অকলে পালেই ই ভয় খুৱায় বা ক্ষতি কৰে। ভয় খোৱা ব্যক্তিক বেজে মন্ত্ৰৰে জৰা-ফুকা কৰিলেই আৰোগ্য লাভ কৰে।

**বাঁক—** বাঁক হৈছে একশ্ৰেণীৰ পানীত থকা বা জলচৰ অপদেৱতা। বাঁক সাধাৰণতে— বিল, নিৰ্জন পুখুৰী-খাল, পুৰণি জান-জুৰি, নৈ আদিৰ পাৰত ৰাতি দেখা পোৱা যায়। বাঁকক নামনি অসমৰ ফালে ঘোঁৰাপাক বুলিও কয়। ইহঁতে মাছ খাবলৈ বৰ ভাল পায়। ইয়াৰ গাটো দেখা পোৱা নাযায়; মাত্ৰ চিলমিলকৈ অনুমানহে কৰিব পাৰি। কিন্তু বহুজনে ইয়াক সম্পূৰ্ণৰূপে দেখা পোৱাৰ কথাও উল্লেখ কৰিছে। ই হেনো দেখাত বহুত ওখ (খেৰ থোৱা পুঁজিৰ দৰে) আকৌ তাৰ দেহৰ ওপৰ অংশ মানুহ আৰু তল অংশ ঘোঁৰাৰ দৰে আকৃতিৰ। সেইদেখি নামনি অসমৰ লোকসকলে তাক ঘোঁৰাপাক বুলিও কয়। আনহাতে বহুজনৰ মতে ইয়াৰ গাটো কেচেমা-মেচেম গোন্ধায়। ৰাতি অকলে মাছ মাৰিবলৈ যোৱা মানুহক ই পালে দ পানীলৈ লৈ যায় আৰু তাত জুবুৰিয়াই মাৰি পেলায়।

**পৰুৱা—** পৰুৱা এবিধ বৰ চেঙা আৰু খৰতকীয়া স্ত্ৰীজাতীয় অপদেৱতা। ই এটাতকৈ অধিক পথ লগ লগা ঠাই যেনে— ৰাতিত অকলশৰীয়া পথযাত্ৰীক লগ পালে ই যাত্ৰীৰ মনত ভ্ৰম কৰি পথ মণিব নোৱাৰা কৰে আৰু আচল বাটটো পাহৰাই দিয়ে। বাট হেৰুৱা মানুহজন ক্ৰমে দূৰৰ পৰা দূৰলৈ গৈ থাকে অথবা একে ঠাইতে গোটেই ৰাতিটো ঘূৰাই লৈ ফুৰে। কোনো অন্য লোকে পথ দেখুৱাই গলেহে পৰুৱা আঁতৰি যায়।

**কণভূত—** কণভূত এবিধ বৰ ভয়লগা অপদেৱতা। ইয়াৰ ডিঙিটো কটা আৰু মুণ্ডহীন। ইয়াৰ বুকুত টল টল কৰে জিলিকি থকা এহাল বৰ ভয়ালগা ডাঙৰ ৰঙা চকু থাকে। সি আন্ধাৰ ৰাতি নিৰ্জন বাৰী, বাঁহনি বাৰী, নিৰ্জন পথাৰ ইত্যাদি ঠাইত ভ্ৰমি ফুৰে। তাৰ ৰঙা চকুকেইটাৰ পৰা ডাঙৰ উজ্জ্বল পোহৰো দিয়ে। নামনি অসমত ইয়াক 'কন্ধকটা' বা 'স্কন্ধকটা' বুলিও কয়। সংস্কৃত 'কবন্ধ' শব্দৰ পৰাই 'কন্ধ' বা 'স্কন্ধ' শব্দৰ উৎপত্তি হৈছে।

**বীৰা—** বীৰা এক প্ৰকাৰৰ শক্তিশালী তথা মাৰাত্মক আৰু ৰক্তপিপাসু অপদেৱতা। কু-তান্ত্ৰিক সকলে নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে বীৰা পোহে। কেতিয়াবা তান্ত্ৰিকে মানুহৰ অন্যায় কৰিবলৈকেও বীৰা জাপি দিয়ে। বীৰাৰ পৰা সতকাই উদ্ধাৰ পোৱা টান। বহুত ডাঙৰ বেজেহে ইয়াক মন্ত্ৰ মাতি খেদিব পাৰে।

**ধনগুলৈ—** ধনগুলৈ হৈছে পুতি থোৱা ধন-সোণৰ ৰক্ষক। আন্ধাৰ ৰাতি নিৰ্জন ঠাই, পথাৰ, নৈৰ পাৰ ইত্যাদিত অকস্মাৎ জুই জ্বলি উঠে। কেতিয়াবা ই জ্বলি বহু সময় ধৰি শূণ্যতে উৰি গৈ থাকে। দূৰৈৰ পৰা এগছি চাকি গৈ থকা যেন দেখা পোৱা যায়। নামনি অসমৰ লোকে শূণ্যতে অৰ্থাৎ উকা ঠাইত জুই জ্বলাৰ বাবে ইয়াক উকা জুই বুলিও কয়। ই ক্ষতিকাৰক অপদেৱতা নহয় যদিও বিভিন্ন ক্ষেত্ৰত মানুহক ভয় খুৱাব পাৰে। বেজৰ দ্বাৰা পানী জাৰি দিলে ভয় খোৱা ব্যক্তিয়ে আৰোগ্য লাভ কৰে।

**বাঁহ গছৰ ভূত—** এইবিধ অপদেৱতা সাধাৰণতে নিৰ্জন বাঁহনিবাৰী বাঁহেৰে ঢাকি ৰখা জনশূণ্য পথ ইত্যাদিত থাকে। পথিকে যেতিয়া সেই পথেৰে গমন কৰে তেতিয়া সি এডাল বা ততোধিক বাঁহ বাটটোত পথালিকৈ পেলাই বাটটো বন্ধ কৰি থৈ দিয়ে। যদি কোনো পথযাত্ৰীয়ে সেই পেলাই থোৱা বাঁহডাল চেৰাই ওপৰেদি পাৰ হৈ যায় তেতিয়া ই গাত লম্ভে। উত্তম বেজৰ দ্বাৰা মন্ত্ৰ মাৰি তাবিজ তথা ডোল-ফটি দিলেই এই অপদেৱতা গুছি যায়।

**জাউকাৰ পাল—** জাউকাৰ পাল অসমত বিশেষকৈ নামনি অসমৰ লোককথাত প্ৰচলিত এক শ্ৰেণীৰ অপদেৱতা। ই হৈছে সৰু বাওনা শিশু এটাৰ দল। ইহঁত দেখিবলৈ তেলেতীয়া ক'লা। জাক পাতি থাকে বাবে ইহঁতক 'জাউকাৰ পাল' বুলিও কয়। ইহঁত জনশূণ্য তিনিআলি বা চাৰিআলি চ'ক, নিৰ্জন দলং অথবা অন্ধকাৰ ৰাতি ইহঁতে বাট আগচি ধৰি বহি থাকে। যদিহে পথিকে ভয় কৰে তেতিয়া ই লম্ভে আৰু যদিহে পথিকে ভয় নকৰে তেনেহলে নিজে নিজে আঁতৰি যায়।

ইয়াৰ উপৰিও অসমীয়া লোকসমাজত বিভিন্ন ধৰণৰ অপদেৱতাৰ কথা উল্লেখ আছে। অপদেৱতাবোৰ বাস্তৱতে আছে নে নাই সেই সম্পৰ্কে কোনেও সঠিককৈ ক'ব নোৱাৰে। কেৱল আগৰ দিনত যিসকল ককা-আইতাই এই সমূহ অপশক্তি দেখিছে তেওঁলোকেহে এনেবোৰ কাহিনী কয়। এই অপশক্তিসমূহৰ অস্তিত্ব মানুহৰ বিশ্বাস-অবিশ্বাসৰ ওপৰতো নিৰ্ভৰ কৰে। মানুহে কয়— 'ভয়েই ভূত' তথাপিতো যেন অন্ধকাৰত সকলো মানুহেই এবাৰ নহলেও এবাৰ ভূত বা অপদেৱতাৰ অস্তিত্ব অনুভৱ কৰে।



B.H.B. College, Sarupeta

# এনিমে (Anime) ৰ পৃথিৱীখন আৰু ভাল লগা শৈশৱ

**ৰিদিপ বৰ্মন**
স্নাতক দ্বিতীয় ষাণ্মাসিক

সৰুতে আমি টিভিত Doraemon, Shin Chan, Pokemon ইত্যাদি চাই খুব ভাল পাইছিলোঁ। কিন্তু বয়স বাঢ়ি অহাৰ লগে লগে আমি এইবোৰ চোৱা বন্ধ কৰিলোঁ। প্ৰযুক্তিবিদ্যাৰ উন্নতি আৰু mobile, internet ৰ সুলভ ব্যৱহাৰে আমাক এইবোৰৰ সৈতে বহল ভাৱে চিনাকি কৰাই দিলে। গম পালো যে, যিবোৰক আমি কাৰ্টুন কাৰ্টুন বুলি কৈ আছিলোঁ এইবোৰক প্ৰকৃততে Anime বোলা হয়। বহুতো লোকে Anime আৰু কাৰ্টুন একে বুলি ভাবে, প্ৰকৃততে দুয়োবিধৰ মাজত ভিন্নতা আছে। তাৰ এটি চমু ব্যাখ্যা আগবঢ়ালোঁ। আশা কৰোঁ আপোনালোকে পঢ়ি ভাল পাব।

এনিমে হ'ল জাপানত উদ্ভৱ হোৱা এনিমেচনৰ এটা শৈলী। “এনিমে” শব্দটো ইংৰাজী শব্দ “এনিমেচন”ৰ পৰা আহৰণ কৰা হৈছে আৰু ইয়াত দূৰদৰ্শন, ধাৰাবাহিক, চলচিত্ৰ আৰু ৱেব চিৰিজকে ধৰি বিভিন্ন এনিমেটেড মাধ্যম অন্তৰ্ভূক্ত হৈ আছে। Anime য়ে বিভিন্ন ধাৰা সামৰি লয়, যেনে একচন, এডভেঞ্চাৰ, কমেডি, ড্ৰামা, ফেণ্টাচী, ৰোমাঞ্চ, বিজ্ঞান কল্পকাহিনী আৰু বহুতো। এনিমে ইয়াৰ স্বকীয় দৃশ্যশৈলীৰ বাবে জনাজাত। যাৰ বিশেষত্ব হৈছে জীৱন্ত আৰু ৰঙীণ শিল্পকৰ্ম, অতিৰঞ্জিত মুখৰ অভিব্যক্তি আৰু প্ৰায়ে বিৱৰণৰ প্ৰতি জটিল মনোযোগ। ইয়াত প্ৰায়ে ষ্টাইলাইজড, ডাঙৰ চকুৰ চৰিত্ৰ থাকে যিবোৰ এনিমে কলাৰ এক প্ৰতিষ্ঠিত উপাদান হৈ পৰিছে।

Anime য়ে বিশ্বজুৰি গুৰুত্বপূৰ্ণ জনপ্ৰিয়তা অৰ্জন কৰিছে আৰু ইয়াৰ এক সমৰ্পিত অনুৰাগী আছে। ই বিভিন্ন বিষয়বস্তু আৰু কাহিনী কোৱাৰ কৌশল অন্বেষণ কৰে, বিভিন্ন বয়সৰ আৰু ৰুচিবোধৰ দৰ্শকক আকৰ্ষণ কৰে। বহুতো Anime ত ধাৰাবাহিক আৰু চলচিত্ৰই আকৰ্ষণীয় বৰ্ণনা, জটিল চৰিত্ৰ আৰু সৃষ্টিশীল কাহিনী কোৱাৰ বাবে আন্তঃৰ্জাতিক স্বীকৃতি আৰু সমালোচকৰ প্ৰশংসা অৰ্জন কৰিছে।

জাপানৰ এনিমে প্ৰযোজনাৰ এক সমৃদ্ধ ইতিহাস আছে, য'ত উল্লেখযোগ্য ষ্টুডিঅ' যেনে— Ghibli, Gainax, MAPA, WID studios, TV Tokyo, Studio Pierrot, Kyoto, Animation and Production I.G. আদিত ভালেসংখ্যক প্ৰসিদ্ধ আৰু জনপ্ৰিয় Anime ৰ কাম সম্পন্ন হৈছে। Anime য়ে বৰ্তমান সময়ত সমগ্ৰ বিশ্বতে এক গুৰুত্বপূৰ্ণ সাংস্কৃতিক প্ৰভাৱ পেলাইছে। ভিডিঅ' গেম, সংগীত, ফেশ্বন, আনকি লাইভ-এক্সন, চলচিত্ৰ আৰু টিভি শ্ব'কে ধৰি বিভিন্ন প্ৰকাৰৰ মিডিয়াক ই প্ৰভাৱিত কৰিছে।

নিশ্চিতভাৱে, আমাৰ ভাৰতত বৰ্তমান জনপ্ৰিয় এনিমে ধাৰাবাহিক আছে যিয়ে এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। যেনে ঃ— Doraemon, Shin Chan, Dragon Ball, Beyblade, Pokemon, Naruto, One piece, Death Note, Attack on Titan, Demon slayer, Perman আদি উল্লেখযোগ্য।

এইবোৰ এনিমেৰ মাত্ৰ কেইটামান অতিৰিক্ত দিশ। এনিমেৰ পৃথিৱীখন বিশাল আৰু বৈচিত্ৰময়। কল্পনাপ্ৰৱণ কাহিনী, স্মৰণীয় চৰিত্ৰ আৰু অতি আশ্চৰ্যপূৰ্ণ এনিমেশ্বনৰ দ্বাৰা দৰ্শকক আকৰ্ষিত কৰিবলৈ আৰু মনোৰঞ্জন দিবলৈ নিৰন্তৰ ই বিকশিত হৈ আছে। বৰ্তমান আমাৰ দেশতো ইয়াৰ প্ৰভাৱ আৰু বিকাশ হোৱা দৃষ্টিগোচৰ হৈছে। বহুতো ভাৰতীয় ষ্টুডিঅ'ই জাপানী ষ্টুডিঅ'ৰ সৈতে লগ হৈ ভাৰতীয় Anime বনাবলৈ আগবাঢ়ি আহিছে, যিয়ে ভাৰতীয় শিল্পী সমাজ আৰু দৰ্শকৰ মাজত উৎসাহজনক বতৰা কঢ়িয়াই আনিছে।

*********

B.H.B. College, Sarupeta

# ইছলাম ধৰ্মত মহৰমৰ গুৰুত্ব



— ফাৰহিনা চুলতানা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

আৰম্ভণি

আৰবী বাৰ মাহৰ প্ৰথম মাহৰ নাম 'মহৰম'। 'মহৰম' যদিও এটা মাহৰ নাম তথাপিও ই ইছলাম ধৰ্মৰ লগত বিশেষ ভাৱে জড়িত। এই মাহৰ বহুত ফজিলত আছে। ৰমজান মাহৰ বাহিৰে আৰু চাৰিটা মাহক আল্লাহ তালাই পৰম সন্মানিত আৰু পবিত্ৰ মাহ হিচাপে কোৰ-আন শ্বৰীফত ঘোষণা কৰিছে। তাৰ ভিতৰত 'মহৰম' মাহো অন্তৰ্ভূক্ত হৈ আছে।

হজৰত ওচমান (ৰাঃ) এ বৰ্ণনা কৰিছে যে নবীয়ে (ছাঃ) কৈছে তোমালোকে আল্লাহ পাকৰ প্ৰিয় "মহৰম" মাহৰ প্ৰতি সন্মান কৰা। যি ব্যক্তিয়ে মহৰম মাহক সন্মান কৰে আল্লাহ তালাই তেওঁক বেহেস্তত সন্মানিত কৰিব আৰু জাহান্নামৰ জুইৰ পৰা মুক্ত ৰাখিব।

**গুৰুত্ব আৰু ফজিলত**

'মহৰম' মাহ যিহেতু আল্লাহ তালাৰ এটা প্ৰিয় মাহ সেয়েহে ইয়াৰ গুৰুত্ব কোনো গুণেই কম নহয়। এই মাহতেই অতীতত আল্লাহ তালাই বহুত ডাঙৰ ডাঙৰ বা গুৰুত্বপূৰ্ণ কাম সমাধান কৰিছে। এই মাহৰ গুৰুত্ব আৰু ফজিলত যে কোনেও নুই কৰিব নোৱাৰে সেই কথা মহা নবী হজৰত (ছাঃয়) কিছুমান হাদিছৰ পৰাই নিশ্চিত হ'ব পৰা যায়, তাৰে কিছুমান হাদিছ ইয়াত উল্লেখ কৰা হ'ল। যেনে— এইমাহৰ ১০ তাৰিখত আল্লাহ তালাই লাওহে মাফুজ ও সকলো জীৱৰ ৰুহ (আত্মাহ) সৃষ্টি কৰিছিল। নদ-নদী, পাহাৰ-পৰ্বত, সাগৰ মহাসাগৰ আদি সৃষ্টি কৰিছিল। আদি পিতা আদমক বেহেস্তত দাখিল কৰিছিল ইব্ৰাহিম (আঃ) আল্লাহ তালাই নম্ৰুদৰ অগ্নিকুণ্ডৰ পৰা মুক্তি প্ৰদান কৰিছিল। আয়ুব (আঃ) বেমাৰৰ পৰা মুক্তি প্ৰদান কৰিছিল। হজৰত মুছায়ে (আঃ) তুৰ পৰ্বতত আল্লাহৰ লগত কথা পাতিছিল।

হজৰত ৰাছুলে আকৰাম বৰ্ণনা কৰিছে যে,যি ব্যক্তিয়ে 'মহৰম' মাহৰ প্ৰথম দহ দিন ৰোজা ৰাখে সেই ব্যক্তিয়ে যেন ১০ হাজাৰ বছৰ জাৰৰ দিনত ৰোজা ৰাখিব লাগে।

**আশুৰাৰ দিন ঃ**

মহৰম মাহৰ দহ তাৰিখক আশুৰাৰ দিন বুলি কোৱা হয়। কিয়নো, এই দিনটোতে আল্লাহ তালাই বহুতো গুৰুত্বপূৰ্ণ কাৰ্য্য সম্পাদন কৰিছিল।

**সামৰণি ঃ**

মহৰম মাহৰ গুৰুত্ব আৰু ফজিলত যে কোনেও নুই কৰিব নোৱাৰে সেই কথা আল্লাহৰ বাণী আৰু নবীৰ হাদিছৰ পৰা প্ৰমাণিত হৈ আহিছে। বৰ্তমান সময়ত মুছলমান সকলক দেখা যায় যে তেওঁলোকৰ সমাজ ব্যৱস্থাত 'মহৰম' মাহৰ এবাদত স্বৰূপে কেৱল মাত্ৰ খিচিৰি খাই ইয়াক উদযাপন কৰা দেখা যায়। মহা নবী হজৰত মহম্মদে উল্লেখ কৰা নামাজ আৰু ৰোজাৰ কথা তেওঁলোকে গুৰুত্ব নিদিয়ে আৰু এচামে হাই হোছেন হাই হোছেইন বুলি নিজৰ শৰীৰত আঘাত কৰি থাকে।

*********

B.H.B College, Sarupeta

# মহাবীৰ লাচিত

—সমলয় আৰ. এন. কাশ্যপ
প্ৰাক্তন ছাত্ৰ

'লাচিত ফুকন লাচিত ফুকন
মোৰ স্বদেশৰ বীৰঙ্গ
দেশৰ কাৰণে তাহানি এদিন
যাঁচিলা নিজৰ শিৰ।' —
(দেবকান্ত বৰুৱা)

লাচিত বৰফুকন অসমৰ ইতিহাসৰ এক অনন্য চৰিত্ৰ এইগৰাকী মহাবীৰৰ জন্ম হৈছিল ১৬২২ চনী ২৪ নবেম্বৰত, আহোম ৰাজ্যৰ প্ৰথম জন বৰবৰুৱা তথা পাইক প্ৰথাৰ প্ৰৱৰ্তক মোমাই তামুলী বৰবৰুৱাৰ ঔৰষত আৰু নাগেশ্বৰী আইদেউৰ গৰ্ভত, ছশ বছৰীয়া ইতিহাস বিজড়িত পৰাক্ৰমী জাতি আহোম সকলৰ বিখ্যাত ফৈদ লুখুৰাখন ফৈদৰ লান ফিমা বংশত।

**লাচিত বৰফুকনৰ পিতৃ ঃ—**

লাচিত বৰফুকনৰ পিতৃ শুকতি আছিল এগৰাকী শৃংখলাবদ্ধ লোক। তেওঁক দায়িত্ব প্ৰদান কৰিলে, সেই দায়িত্ব অতি নিয়াৰিকৈ পালন কৰিছিল। শুকতিৰ গুণ আৰু দৃষ্টিনন্দন কাম দেখি ৰজা প্ৰতাপ সিংহসই ভাগিনীয়েকৰ ঋণ পৰিশোধ কৰি প্ৰথমতে শুকতিক 'তিপমীয়া ৰাজখোৱা' পাতিলে। সেই দায়িত্ব অতি বিচক্ষণতাৰে পালন কৰাৰ পিছত পদোন্নতি দি ৰাজঘৰৰ 'বাৰীচোৱা' বৰতামুলী পাতিলে তেতিয়াই লাচিত বৰফুকনৰ পিতৃ শুকতি 'মোমাই তামুলী' নামেৰে প্ৰখ্যাত হৈ পৰিল। শেষত তেওঁ সন্মানীয় 'বৰবৰুৱা' পদো লাভ কৰিছিল। ১৬৩৮-৩৯ চনত মোগলৰ লগত যুদ্ধৰ সময়ত মোমাই তামুলী বৰবৰুৱাই আহোম সেনাপতি হিচাপে ৰণক্ষেত্ৰত বিচক্ষণতাৰ পৰিচয় দিছিল। ১৬৩৯ চনত মোগল সেনাপতি আহলায়াৰ খাৰ লগত হোৱা সন্ধিপত্ৰত আহোম ৰজাৰ হৈ মোমাই তামুলী বৰবৰুৱাই স্বাক্ষৰ কৰিছিল। প্ৰতাপ সিংহৰ ৰাজত্ব কালত আৰু মোমাই তামুলী বৰবৰুৱাৰ উদ্যোগত অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক সংস্কাৰমূলক কাম-কাজবোৰ আৰম্ভ হৈছিল। কৰ্তব্যজ্ঞান আৰু কৰ্মদক্ষতাৰ বলত সাধাৰণ ৰণুৱাৰ পৰা উচ্চপদস্থ ৰজাঘৰীয়া বিষয়ালৈ পদোন্নতি লাভ কৰা মোমাই তামুলী বৰবৰুৱাৰ পুত্ৰ, ৰাজ আনুগত্য আৰু কৰ্ত্তব্য পালনৰ প্ৰতি আকৰ্ষিত হৈছিল।

**লাচিত বৰফুকনৰ শিক্ষা ঃ—**

সৰুকালৰ পৰাই সৎ, কৰ্তব্যপৰায়ণ, নিয়মানুবৰ্ত্তী, স্পষ্টবাদী লাচিতে নিজ বাসগৃহতেই প্ৰাৰম্ভিক শিক্ষা আৰম্ভ কৰিছিল। ৰাজ পৰিয়ালত জন্মগ্ৰহণ কৰা লাচিতে সামৰিক আৰু অসামৰিক দুয়োবিধ শিক্ষাই আয়ত্ব কৰিছিল। পিতৃ মোমাই তামুলী বৰবৰুৱাই সন্তান সকলৰ বাবে ঘৰুৱা শিক্ষক নিয়োগ কৰিছিল। লাচিতে হিন্দু ধৰ্মনীতি, অৰ্থশাস্ত্ৰৰ শিক্ষা গ্ৰহণ কৰিছিল। আনহাতে পিতৃৰ পৰা ৰাজনীতি, কূটনীতি, অৰ্থনীতি আৰু সমাজনীতি বিষয়ৰ জ্ঞান অৰ্জন কৰিছিল।

**লাচিত বৰফুকনৰ কৰ্মজীৱন ঃ—**

শিক্ষা সমাপ্ত হোৱাৰ লগে লগেই লাচিতে ৰজাঘৰত ৰাজমন্ত্ৰীৰ 'হাঁচটি ধৰা তামুলী' হিচাপে কৰ্মজীৱনৰ পাতনি মেলে। এই পদত নিযুক্ত হৈ তেওঁ ৰজা-মন্ত্ৰীয়ে কেনেকৈ বিচক্ষণতাৰে ৰজাঘৰীয়া সমস্যাবোৰ সমাধান কৰে তাক সুন্দৰকৈ বুজিব পাৰিলে। ইয়াৰ পিছত লাচিত লাচিত বৰফুকনে 'দুলীয়া বৰুৱা', তাৰ পিছত 'শিমলু গুৰীয়া ফুকন' আৰু 'দোলাকাষৰীয়া বৰুৱা' পদত অধিষ্ঠিত হয়।

**জয়ধ্বজ সিংহৰ ৰাজত্ব কাল ঃ—**

১৬৪১ চনত স্বৰ্গদেউ প্ৰতাপ সিংহ বৈকুণ্ঠগামী হয়। তেওঁৰ পিছত চুৰামফাই তিনিবছৰ ৰাজত্ব কৰে।

B.H.B. College Sarupeta

চুৰামফাৰ মৃত্যুৰ পিছত চুত্যিনফা ৰজা হয়। ১৬৪৮ চনত জয়ধ্বজ সিংহ ৰাজ পাটত উঠে। ১৬৬৩ চনৰ নৱেম্বৰ মাহলৈ ৰাজত্ব কৰি থকা সময়তেই জয়ধ্বজ সিংহৰ মৃত্যু হৈছিল।

**মিৰজুমলাৰ অসম আক্ৰমণ ঃ—**

মোগল আৰু আহোম সেনাৰ মাজত হোৱা ভয়ংকৰ যুদ্ধৰ ওৰ পেলাই ১৬৩৯ চনত মোগল পক্ষৰ আহলয়াৰ খাঁ আৰু আহোম পক্ষৰ মোমাই তামুলী বৰবৰুৱাৰ মাজত হোৱা সন্ধিপত্ৰ মতে গুৱাহাটীৰ পৰা আৰম্ভ কৰি নামনি অসম মোগলৰ শাসনাধীন হৈচিল।

জয়ধ্বজ সিংহ ৰজা হোৱাৰ পিছত তেওঁ লক্ষ্য কৰিলে যে— দিল্লীৰ মোগল সম্ৰাট চাহাজাহাজৰ নৰিয়া হোৱা বাবে সিংহাসনক লৈ পুত্ৰসকলৰ মাজত কন্দল লাগিছে। এই অস্থিৰ পৰিস্থিতিৰ সুযোগ লৈ জয়ধ্বজ সিংহই গুৱাহাটীস্থিত মোগলসকলক আক্ৰমণ কৰে। বিশাল আহোম বাহিনীয়ে মোগলক পৰাস্ত কৰি গুৱাহাটী উদ্ধাৰ কৰে। কিছুদিন যোৱাৰ পিছত ঔৰংজেৱ দিল্লীৰ সিংহাসনৰ আৰোহন কৰে আৰু বঙ্গৰ নবাব মিৰজুমলাক অসম আক্ৰমণ কৰিবলৈ আদেশ দিয়ে। ১৬৬২ চনত মিৰজুমলাই অসমত প্ৰৱেশ কৰে। মিৰজুমলাই অসম ৰাজ্যক কৰতীয়া ৰাজ্য হিচাপে অন্তৰ্ভূক্ত কৰিছিল। ৰজা জয়ধ্বজ সিংহই আপ্ৰাণ চেষ্টা কৰিও অসমৰ স্বাধীনতা ঘূৰাই আনিবলৈ সক্ষম হোৱা নাছিল।

**চক্ৰধ্বজ সিংহৰ শাসনকাল ঃ—**

জয়ধ্বজ সিংহৰ পৰলোক গমনৰ পিছত সৰ্বসন্মতিক্ৰমে জয়ধ্বজ সিংহৰ দদায়েকৰ পুত্ৰ ভায়েক চক্ৰধ্বজ সিংহক ৰজা পতা হয়। চক্ৰধ্বজ সিংহ আছিল স্বাধীনচিতীয়া আৰু অত্যন্ত সাহসী। অসম ৰাজ্য মোগলৰ কৰতলীয়া হৈ থকা কথাটো তেওঁ সহ্য কৰিব পৰা নাছিল। সেয়েহে অসমৰ অতীত গৌৰৱ ঘূৰাই আনিবলৈ তেওঁ এজন যোগ্য সেনাপতিৰ সন্ধান কৰি লাচিত বৰফুকনক সেই গধূৰ দায়িত্ব অৰ্পণ কৰিছিল।

**সেনাপতি হিচাপে লাচিত বৰফুকন ঃ—**

সেনাপতিৰ দায়িত্ব গ্ৰহণ কৰিয়েই লাচিত বৰফুকনে দেশৰ সৈন্যসকলক একগোট কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছিল। সৈন্য সকলৰ সংগঠিত কৰি লাচিত বৰফুকনে ১৬৬৭ খ্ৰীষ্টাব্দত গুৱাহাটী উদ্ধাৰৰ প্ৰচেষ্টাৰে মোগল সকলক আক্ৰমণ কৰে। লাচিত বৰফুকনৰ নেতৃত্বত হোৱা এই আক্ৰমণত ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ দুয়োপাৰেই আহোম সৈন্যই বিজয়-ধ্বজা উৰুৱায় আৰু আহোম সৈন্যই ১৬৬৭ খ্ৰীষ্টাব্দৰ ২ নবেম্বৰৰ দিনা মাজনিশা ইটাখুলি আৰু গুৱাহাটী দুৰ্গ অধিকাৰ কৰে। লাচিত বৰফুকন সেনাপতিৰ নেতৃত্বত হোৱা এই ৰণত বহু সংখ্যক মোগল সেনাই প্ৰাণ আহুতি দিয়ে আৰু মিৰজুমলাই ১৬৬২ চনত বন্দী কৰি নিয়া ভালেসংখ্যক অসমীয়া সৈন্যক লাচিত বৰফুকনে উদ্ধাৰ কৰিবলৈ সক্ষম হয়।

**ৰামসিংহৰ অসম আক্ৰমণ ঃ—**

১৬৬৯ চনৰ ফেব্ৰুৱাৰী মাহত বিশাল সৈন্যবাহিনী লৈ ৰামসিংহই অসমত প্ৰবেশ কৰে। সেই সময়ত আহোম সৈন্য ৰণৰ বাবে প্ৰস্তুত নাছিল যদিও লাচিত বৰফুকনে বুদ্ধিৰে সম্ভব্য বিপদৰ সন্মুখীন সকলোকে প্ৰস্তুত কৰিছিল।

**আলাবৈ ৰণত লাচিত বৰফুকৰ ভূমিকা ঃ—**

১৬৬৯ চনৰ আহোম আৰু ভোগলৰ মাজত তয়া ময়া ৰণ হৈছিল। লাচিত বৰফুকনৰ সেনাপতিত্বত হোৱা এই আলাবৈ ৰণত দহ হাজাৰ আহোম সৈন্যই প্ৰাণ আহুতি দিছিল। এই ভয়ংকৰ বিপদৰ সময়তো এখন্তেকৰ বাবেও বিচলিত হোৱা নাছিল বীৰ লাচিত।

এইক্ষেত্ৰত উল্লেখযোগ্য যে অসম আক্ৰমণ কৰিবলৈ মোগল সম্ৰাট ঔৰংজেৱে সেনাপতি ৰামসিংহৰ সৈতে ১৮,০০০ অশ্বাৰোহী, ৩০,০০০ পদাতিক আৰু ১৫,০০০ কাড়ী সৈন্য প্ৰেৰণ কৰিছিল। আনহাতে আহোম সেনাপতি লাচিত বৰফুকনে মোগল সেনাপতি ৰামসিংহক ভেটা দিবলৈ কোঠা নিৰ্মাণ কৰিছিল আৰু এটা ৰাতিৰ ভিতৰতে গড় নিৰ্মাণ কৰিবলৈ মোমায়েকৰ ওপৰিত দায়িত্বভাৰ অৰ্পণ কৰিছিল। কৰ্ত্তব্যৰ প্ৰতি অৱহেলা কৰা বাবে লাচিতে মোমায়েকৰ শিৰচ্ছেদ কৰা বুলি কথিত আছে যদিও তেওঁ মামাক আছিল নে

B.H.B. College, Sarupeta

অভিযন্তা মোমাই-গড় নির্মাণ কৰা বিশেষ অভিযন্তা) আছিল সেয়া সঠিককৈ জনা নাযায়। কিন্তু কৰ্মপ্ৰেৰণা যোগাইছিল। যাৰ ফলত আজিও মোমাই কটা গড় থিয় হৈ আছে।

**ঐতিহাসিক শৰাইঘাটৰ ৰণ ঃ-**

লাচিত বৰফুকনৰ ৰণ কৌশল আছিল আন সকলো সেনাপতিতকৈ সুকীয়া। তেওঁ চোৰাংচোৰাৰ যোগেদি ৰামসিংহৰ ৰণনীতি তথা যুদ্ধ কৌশলৰ বুজ লৈছিল আৰু পৰিস্থিতিৰ লগত খাপ খোৱাকৈ ততাতৈয়াকৈ নিজৰ ৰণনীতি সলনি কৰি উপযুক্ত নীতি গ্ৰহণ কৰি ল'ব পাৰিছিল।

আলাবৈ ৰণত মোগল সেনাই জয়লাভ কৰাৰ পিছত পুনৰ ঔৰংগজেৱে আহোম সৈন্যক আক্ৰমণ কৰিবলৈ ৰামসিংহক নিৰ্দ্দেশ দিয়ে। ৰামসিংহই সসৈন্যে আহোম সকলক আক্ৰমণ কৰাৰ সময়ত সেনাপতি লাচিত বৰফুকন অসুস্থ হৈ আছিল। তথাপিও দেশ ৰক্ষাৰ স্বাৰ্থত নৰীয়া গাৰেই ৰামসিংহৰ লগত সন্মুখ সমৰত লিপ্ত হৈছিল। ১৬৭১ চনত অসম প্ৰথম বাৰৰ বাবে 'গেৰিলা পদ্ধতি"ৰে যুদ্ধ কৰি আহোম সেনাপতি লাচিত বৰফুকনে 'শৰাইঘাটৰ যুদ্ধত জয়লাভ কৰিছিল। অসমক মোগলৰ হাতৰ পৰা চিৰদিনৰ বাবে মুক্তি প্ৰদান কৰা বীৰ লাচিতৰ নাম যুগে যুগে অমৰ হৈ ৰ'ল।

**ৰামসিংহৰ অসম ত্যাগ ঃ—**

১৬৭১ চনৰ ৫ এপ্ৰিলত ৰামসিংহই ভাটিমুৱা যাত্ৰা আৰম্ভ কৰিলে। হাজো এৰাৰ আগতে তেওঁ হয়গ্ৰীৱ মাধৱ মন্দিৰত সেৱা কৰিলে আৰু বিদায় লোৱাৰ পৰত ব্ৰাহ্মণসকলক কৈ গ'ল— বৰফুকন সামান্য বীৰ নহয়। যন্ত্ৰাক্যতি গড়। মই একো ঠাইতে ছিদ্ৰ নাপালো।

**বীৰ লাচিতৰ দেহাৱাসান ঃ—**

বীৰ লাচিতে অসুস্থ গাৰেই যুদ্ধ কৰি দেশমাতৃক ৰক্ষা কৰিলে যদিও অসুস্থাতাৰ পৰা নিজৰ শৰীৰক ৰক্ষা কৰিব নোৱাৰিলে। ১৮৭২ চনৰ ২৫ এপ্ৰিলত তেওঁ পৰলোকলৈ গমন কৰে। পিছত চাওফা উদয়াদিত্য সিংহই যোৰহাটৰ পৰা ১৬ কিলোমিটাৰ আঁতৰত 'লাচিত মৈদাম' নিৰ্মাণ কৰে। পৃথিৱীত চন্দ্ৰ সূৰ্য থকালৈকে অসমৰ জাতীয় বীৰ ৰূপে লাচিত বৰফুকনৰ নাম সোণালী আখৰেৰে ইতিহাসত লিখা থাকিব আৰু প্ৰতিজন অসমীয়াৰ হৃদয়ত অংকিত হৈ ৰ'ব।

কবি নকুল চন্দ্ৰ ভূঞাই নতুন প্ৰজন্মৰ বাবে লিখি থৈ গৈছে লাচিতৰ কবিতা—

"তোমালোকে গিৰিহঁত লাচিতৰ ডেকা,
ৰাখিব লাগিব মান হৈ একা চেকা।
বীৰৰ পোৱালি তুমি, তুমিও যে বীৰ,
হ'বা মাথোঁ সাহিয়াল, হ'বা মাথো বীৰ।
লাচিতৰ গুণখিনি মনলৈ আনি,
দেশত শুনাবা সোণ অভয়ৰ বাণী।"

*********



B.H.B. College Sarupeta

# বন্ধুত্ব এক চিৰসেউজ সম্পৰ্ক

— পিংকী দাস
স্নাতক ষষ্ঠ ষণ্মাসিক
অসমীয়া বিভাগ

Friendship is the
golden thread
That ties the heart
of all the world

- John Evelyn

বন্ধুত্ব এনে এটি শব্দ যাৰ উচ্চাৰণতেই অনুভৱ হয় এক মধুৰ শিহৰণ। মনলৈ ভাহি আহে কিছুমান সৰু-বৰ কথাৰ মাজে-মাজে খিল্‌খিলীয়া হাঁহি, অভিমান, কাজিয়া আৰু বহুতো পাহৰিব নোৱাৰা মূহুৰ্তৰ অলেখ ছবি। বন্ধুত্ব হৈছে পৃথিৱীৰ পৱিত্ৰ সম্পৰ্ক, যাৰ উমাল পৰশত আপুনি, মই আৰু সকলোৱেই নতুনকৈ জী উঠিব পাৰো। এই যে আকাশৰ নীলা ডেউকাখনৰ তলত ইচ্ছা কৰিলেই আমি হেৰাই যাব পাৰো, মন গ'লেই গুচি যাব পাৰো আকাশৰ বিশালতালৈ আৰু চৌপাশে সিঁচি দিব পাৰো মুঠি মুঠি সেউজীয়া। বন্ধুত্ব হয়তো এনেকুৱাই— য'ত গঢ়ি উঠে এখন বুকুৰ পৰা আন এখন বুকুলৈ এক অদৃশ্য সাঁকো, যাৰ বাবে হয়তো প্ৰতিটো মুহূৰ্ততে আমি ভগাই ল'ব পাৰো ইজনে-সিজনৰ মনৰ খবৰ। সেয়া লাগিলে আনন্দৰেই হওক অথবা বিষাদৰ।

বন্ধুত্ব এটি গভীৰ সম্পৰ্ক য'ত থাকে বিশ্বাস, আন্তৰিকতা, বুজাবুজি, সহযোগিতা, প্ৰতিশ্ৰুতি আৰু নিস্বাৰ্থ মনোভাৱ। বন্ধুত্ব গঢ়ি তোলা সহজ কিন্তু সেই বন্ধুত্বৰ এনাজৰীডাল চিৰজীৱন সুদৃঢ় কৰি ৰখা অতি কঠিন। সেয়েহে প্ৰায়েই কয়—

Friendship like a glass

When it broken
Never repair again

কিন্তু, এই ভাঙি যোৱা বন্ধুত্বও পুনৰ ঠন ধৰি উঠিব পাৰে যদিহে সেই বন্ধুত্ব প্ৰকৃত হয়। যিদৰে এজন বন্ধুৰ সন্মুখত সুখ-দুখ, আৱেগ-অনুভূতি ভগাই ল'ব পাৰো, ঠিক সেইদৰে মান-অভিমান, কাজিয়া-ধেমালিও কৰিব পাৰে। প্ৰকৃত বন্ধুৱে বন্ধুক সমালোচনা কৰাৰো অধিকাৰ থাকে। এনে বন্ধুত্ব এৰ্জনে নিঃসংকোচে বন্ধুৰ ভুল বা দোষখিনিক ফঁহিয়াই আলোচনা কৰিব পাৰে আৰু তেওঁক বিপথে পৰিচালিত হোৱাৰ পৰা ৰক্ষা কৰিব পাৰে। সেয়েহে কোৱা হয়—

True Friends are like
Diamonds Precious and rare.

প্ৰাচীন কালৰ পৰাই 'বন্ধুত্ব' নামৰ এই সু-সম্পৰ্ক অবিৰতভাৱে বৰ্তমানলৈ চলি আছে। শ্ৰীকৃষ্ণ আৰু সুদামাৰ সম্পৰ্ক বন্ধুত্বৰ এক উল্লেখনীয় নিদৰ্শন। ঠিক তেনেদৰে কৰ্ণ আৰু দুৰ্যোধনৰ বন্ধুত্বও এক আদৰ্শপূৰ্ণ বন্ধুত্ব।

বৰ্তমান যান্ত্ৰিকতাৰ যুগত এজন বন্ধুৰ অতি প্ৰয়োজন। বন্ধুৰ লগত কটোৱা প্ৰতিটো মুহূৰ্ত স্মৃতিৰ মণিকোঠাত সদায় জীপাল হৈ ৰৈ যায়। বন্ধু অবিহনে এই বিনন্দীয়া ধৰাৰ মাদকতাই শূণ্য। বৰ্তমান সময়ত ক্ষণস্থায়ী বন্ধুৰ অভাৱ নাই, অভাৱ প্ৰকৃত বন্ধুৰহে। গতিকে আমাৰ জীৱনত বন্ধুৰ সংখ্যা কমেই হওক কিন্তু প্ৰকৃত আৰু স্থায়ী হোৱা প্ৰয়োজন।



B.H.B. College, Sarupeta

# কৃত্রিম বুদ্ধিমত্তা (Artificial Intelligence) আৰু সাম্প্ৰতিক সময়

— তন্ময় বৰ্মন
স্নাতক দ্বিতীয় ষান্মাসিক

বৰ্তমান অৰ্থাৎ এই যোৱা এক বছৰ মানৰ পৰা এটি শব্দ খুবেই প্ৰচলিত হৈ আছে। যাক ইংৰাজীত A-I আৰু অসমীয়াত আমি কৃত্ৰিম বুদ্ধিমত্তা বুলি ক'ব পাৰোঁ।

আজি বিজ্ঞান প্ৰযুক্তিৰ দ্ৰুত উন্নয়নৰ লগে লগে নতুন নতুন আৱিষ্কাৰ দেখিবলৈ পোৱা গৈছে। তিনিশ বছৰ আগতে কোনেও ভবা নাছিল যে এঠাইৰ পৰা আন ঠাইলৈ যাবৰ বাবে ঘোঁৰা,মহ, গৰুৰ সহায় অবিহনে কেৱল ইন্ধনৰ দ্বাৰা গাড়ী চলাব পাৰিব বুলি এশবছৰ আগতে কোনেও ভবা নাছিল। আকাশতো উৰিব পাৰিব বুলিও কোনেও ভবা নাছিল। ভবা নাছিল ,এটি যন্ত্ৰৰে দূৰৈত থকা আনজনৰ লগত কথা পাতিব বুলি। একেদৰে বিশ বছৰ আগলৈ কোনেও ভবা নাছিল যে আমি গোটেই পৃথিৱীখন নিজৰ জেপত ৰাখিব পাৰিম বুলি। এতিয়া আমি ক'ব পৰা নাই যে A-I বোলা আৱিষ্কাৰে আৰু কি কি পৰিৱৰ্তন কৰিব পাৰিব। Artificial intelligence এ সংক্ষেপে A-I যন্ত্ৰবোৰৰ কামবোৰ সম্পাদন কৰাৰ সামৰ্থ্যক বুজায় যিবোৰ সম্পাদন কৰিবলৈ সাধাৰণতে মানুহৰ বুদ্ধিমত্তাৰ প্ৰয়োজন হ'ব। A-I এলগৰিথমে ডাটাৰ পৰা শিকিব পাৰে আৰু সেই তথ্যৰ ওপৰত আধাৰিত কৰি সিদ্ধান্ত বা ভৱিষ্যতবাণী কৰিব পাৰে। এই প্ৰযুক্তিয়ে ইতিমধ্যে স্বাস্থ্যসেৱাৰ পৰা বিত্ত আৰু পৰিবহনলৈকে বিভিন্ন ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে।

উদাহৰণস্বৰূপে,স্বাস্থ্যসেৱাত চিকিৎসা ছবি বিশ্লেষণ কৰিবলৈ আৰু সম্ভাব্য স্বাস্থ্য বিপদাশংকা বা ৰোগ চিনাক্ত কৰিবলৈ এ.আই, ব্যৱহাৰ কৰা হৈছে। বিত্তৰ ক্ষেত্ৰত, এ.আই বৃহৎ পৰিমাণৰ বিত্তীয় তথ্য বিশ্লেষণ কৰিবলৈ আৰু বজাৰৰ প্ৰৱণতা বা সম্ভাব্য বিনিয়োগৰ সুযোগৰ পূৰ্বানুমান কৰিবলৈ ব্যৱহাৰ কৰা হয়। পৰিবহনত, A-I স্বয়ং-চালিত গাড়ী বিকশিত কৰিবলৈ আৰু যান-বাহন ব্যৱস্থাপনাৰ উন্নতি সাধন কৰিবলৈ ব্যৱহাৰ কৰা হৈছে।

আন এটা ক্ষেত্ৰ য'ত A-I- য়ে গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে ,সেয়া হৈছে প্ৰাকৃতিক ভাষা প্ৰক্ৰিয়াকৰণ (এন. এল. পি.)। এনএলপি হৈছে যন্ত্ৰবোৰৰ মানৰ ভাষা বুজিপোৱা আৰু ব্যাখ্যা কৰাৰ এটি প্ৰক্ৰিয়া। এই প্ৰযুক্তিটো চিৰি আৰু এলেক্সাৰ দৰে ভাৰ্চুৱেল সহায়ক, লগতে ৱেবছাইট আৰু চ'চিয়েল মিডিয়া প্লেটফৰ্মত গ্ৰাহকৰ সৈতে বাৰ্তালাপ কৰিব পৰা চেট টপ বক্সত ব্যৱহাৰ কৰা হৈছে।

Artificial interlligence বা A-I ক এক পৰিৱৰ্তনশীল প্ৰযুক্তি হিচাপে অভিহিত কৰা হৈছে যিয়ে আমাৰ পৃথিৱীত বিভিন্ন ইতিবাচক উপায়েৰে বৈপ্লৱিক পৰিৱৰ্তন অনাৰ সম্ভাৱনা আছে। অৱশ্যে, যিকোনো প্ৰযুক্তিৰ দৰে, বিবেচনা কৰিবলগা নেতিবাচক দিশবোৰো আছে। A-I বিষয়ে এটা মুখ্য উদ্বেগ হ'ল ব্যাপক চাকৰি স্থানান্তৰৰ সম্ভাৱনা। যিহেতু যন্ত্ৰ আৰু এলগৰিথমবোৰ এসময়ত মানুহে কৰা কামবোৰ সম্পাদন কৰিবলৈ অধিক সক্ষম হয়। উৎপাদন ,পৰিবহন, আৰু গ্ৰাহক সেৱাৰ দৰে উদ্যোগত বহুতো কাম স্বয়ংক্ৰিয় হোৱাৰ আশংকা থাকে।

আন এটা চিন্তা হ'ল এ. আই. এলগৰিথমত পক্ষপাতিত্ব আৰু বৈষম্যৰ সম্ভাৱনা। এই এলগৰিথমবোৰ প্ৰশিক্ষণ দিবলৈ ব্যৱহৃত ডাটাত পক্ষপাতিত্ব বা বৈষম্য থাকে। এলগৰিথমে এই সমস্যাবোৰ বঢ়াব পাৰে। উদাহৰণস্বৰূপে, মুখ চিনাক্তকৰণ কৰোঁতে এলগৰিথমবোৰ কম শুদ্ধ বুলি পোৱা গৈছে, যাৰ ফলত বাস্তৱ-পৃথিৱীৰ পৰিণাম যেনে মিছাতে গ্ৰেপ্তাৰ বা ভুল ভাৱে দোষী সাব্যস্ত হ'ব পাৰে। গোপনীয়তাৰ উদ্বেগবোৰো A-I ৰ সৈতে জড়িত এটা সমস্যা। যিহেতু এই প্ৰণালীবোৰে ব্যক্তিসকলৰ বিষয়ে বিশাল পৰিমাণৰ তথ্য সংগ্ৰহ আৰু পুনৰ ব্যৱহাৰ কৰে। সেই ডাটা

B.H.B. College Sarupeta

কেনেদৰে ব্যৱহাৰ কৰা হ'ব আৰু কোনে ইয়াত প্ৰৱেশাধিকাৰ পাব সেই বিষয়ে উদ্বেগ আছে। তথ্যৰ সুৰক্ষা আৰু ইয়াক হেক বা চুৰি কৰাৰ সম্ভাৱনাৰ বিষয়েও উদ্বেগ আছে।

বৰ্তমান সময়ত খুবেই চৰ্চাত থকা আন এটি A-I হৈছে Chat GPT, যিয়ে প্ৰায় মানুহৰ দৰে আলোচনা কৰে আৰু প্ৰশ্নবোৰৰ উত্তৰ দিয়ে। বিশেষজ্ঞ সকলৰ মতে এই Chat GPT য়ে মানুহৰ কাম আৰু চাকৰিৰ কাম কৰিবলৈ সক্ষম, সেয়েই ভৱিষ্যত ই ভয়াবহ ৰূপ ল'ব পাৰে। যি কি নহওক Chat GPT ৰ দ্বাৰা আমি Google অথবা Yahoo ত কৈ বেছি ভাল কৈ উত্তৰ বোৰ পাওঁ, বিভিন্ন কাম ইয়াৰ হতুৱাই কৰিব পাৰোঁ।

অৱশেষত, এ.আই.-ৰ চাৰিওফালে কেইবাটাও নৈতিক বিবেচনা আছে। ইয়াত অন্তৰ্ভুক্ত আছে এ.আইৰ প্ৰণালীবোৰ স্বচ্ছ আৰু দায়বদ্ধ হোৱাটো কেনেদৰে নিশ্চিত কৰিব পাৰি, সমাজৰ হিতৰ বাবে এ.আই কেনেদৰে ব্যৱহাৰ কৰাটো নিশ্চিত কৰিব পাৰি আৰু এ.আইৰ বিকাশ নৈতিক আৰু দায়িত্বশীল ভাৱে কেনেদৰে কৰা হয় সেই বিষয়ে প্ৰশ্ন। এ.আইৰ আঁৰত নেতিবাচক দিশবোৰ বিবেচনা কৰাটো গুৰুত্বপূৰ্ণ কিয়নো আমি এই প্ৰযুক্তিটো বিকাশৰ লগত প্ৰয়োগ কৰি আছোঁ। এনে কৰাৰ দ্বাৰা, আমি সম্ভাব্য ক্ষতিবোৰ হ্ৰাস কৰিবলৈ আৰু এ.আই এক দায়িত্বশীল আৰু লাভজনক উপায়েৰে ব্যৱহাৰ কৰাটো নিশ্চিত কৰিবলৈ কাম কৰিব পাৰোঁ। এই ক্ষেত্ৰত গৱেষণাৰ বহু থল আছে।

*********

B.H.B. College, Sarupeta

# এক নিভাঁজ নাম- বন্ধুত্ব

— পম্পী ৰয়
স্নাতক পঞ্চম যান্মাসিক

বন্ধুত এটা অতি পৱিত্ৰ শব্দ, য'ত বিশ্বাস, সততা, ত্যাগ আৰু মৰম জড়িত হৈ থাকে। এই বন্ধুত্ব নাৰী, পুৰুষ, জীৱ-জন্তু, চৰাই-চিৰিকটি সকলোৰে মাজত পৰস্পৰে গঢ়ি উঠিব পাৰে। বন্ধুত্বৰ বাবে এজন ব্যক্তি দেৱতাৰ শাৰীলৈ উঠিব পাৰে আৰু বন্ধুত্বৰ বিশ্বাসঘাটকতাই এজন ব্যক্তিক চূড়ান্ততম আঘাত হানিব পাৰে। কিছুমান অমানুহৰ তুলনাত পশুৰ জ্ঞান-বুদ্ধি যথেষ্ট উন্নত। সেয়েহে এনে ব্যক্তিক পশুৰ লগত তুলনা কৰি পশু জাতিক হেয় কৰিব পৰা মানসিকতা নাই।

বন্ধুত্ব গঢ়ি তোলাৰ আগতে ব্যক্তিজন কেনে প্ৰকৃতিৰ তাক ভালদৰে অধ্যয়ন কৰি ল'ব লাগে। কথাতে কয় নহয় 'অচিন কাঠৰ থোৰা নলগাবা' বন্ধু হ'ব লাগে কৃষ্ণ-অৰ্জুনৰ দৰে, শ্ৰীকৃষ্ণ আৰু দামোদৰ বিপ্ৰৰ দৰে।

বন্ধুই বন্ধুৰ জীৱন গঢ়িব পাৰে, বন্ধুই বন্ধুৰ জীৱন ধ্বংসও কৰিব পাৰে। বন্ধুহীন জীৱন, নিসংগ জীৱন। নিসংগ জীৱন, সমাজহীন জীৱন। সমাজহীন জীৱন অমানুহৰ জীৱন। যাৰ জ্ঞান-বুদ্ধি, বিবেক শূণ্য। যাৰ কোনো সংস্কৃতি নাই, যাৰ কোনো নীতি আদৰ্শ নাই সিয়ে অমানুহ।

এই বন্ধুত্বৰ বাবে প্ৰত্যেক বছৰৰ আগষ্ট মাহৰ প্ৰথম দেওবাৰে আন্তৰ্জাতিক বন্ধুত্ব দিৱস পালন কৰা হয়। বিপদৰ সময়তহে বন্ধুক চিনিব পাৰি। 'A Freind in need is a friend indeed' যিসকল প্ৰকৃত বন্ধু সি বন্ধুৰ বিপদ-আপদ, সুখ-দুখ সকলো সময়তে সংগ দিয়ে। যিসকল দুষ্ট বন্ধু বা স্বাৰ্থপৰ বন্ধু সি বন্ধুৰ সুখৰ বা সম্পদৰ সময়তহে সংগ দিয়ে। এনে বন্ধুৱে বিপদৰ সময়ত কিবা সহায় সহযোগ কৰাৰ ভয়ত ওচৰত নাথাকে।

এই সম্বন্ধে এটা গল্পৰ কথা মনত পৰিছে। দুজন নলে-গলে লগা বন্ধুৱে এদিন ফুৰিবলৈ গৈ থাকোতে এখন হাবিৰ ওচৰ পালে। এনেতে সিহঁতৰ ফালে এটা ভালুক আগবাঢ়ি অহা দেখিলে। বন্ধু দুজনৰ এজন নিজক বচাবলৈ গৈ দৌৰ মাৰি ওচৰৰ গছ এজোপাত উঠিল। আনজনে উপায় বিহীন হৈ মৃত দেহৰ দৰে গছৰ তলত পৰি থাকিল। বন্ধুজনে কোনোবাই কোৱা শুনিছিল ভালুকে মৰা মানুহ নাখায়। ভালুকটোৱে আহি শুঙিছিল তাৰ উশাহ নিশাহ নাই। সি মৰিল বুলি ভাবি ভালুকটো লাহে লাহে আঁতৰি গ'ল। কিছুসময়ৰ পিছত গছত উঠি থকা বন্ধুটোৱে নামি আহি মাটিত পৰি থকা বন্ধুজনক সুধিলে— 'বন্ধু ভালুকটোৱে কাণে কাণে কি কৈ গ'ল? তেতিয়া পৰি থকা বন্ধুজনে উত্তৰ দিলে "ভালুকটোৱে কৈ গ'ল যে, যি বন্ধুৱে বিপদৰ সময়ত বন্ধুক এৰি নিজক ৰক্ষা কৰাতহে ব্যস্ত হৈ পৰে, তেনে বন্ধু সততে ত্যাগ কৰিবা।"

গতিকে বন্ধু নিৰ্বাচন কৰোতে সদায় সাবধান হ'ব লাগে। ভাল সংগইহে ভাল পথ দেখুৱাব আৰু কুসংগই কুপথে আগুৱাই নিব। সেয়েহে আমি কুসংগ ত্যাগ কৰি সৎ সংগ গ্ৰহণ কৰা উচিত।

*********



B.H.B. College, Sarupeta



# চুটিগল্প

চুটি গল্প যেন এটি পাখিলাহী পখিলা। নাচি নাচি উৰি আহে, এক লহমাৰ বাবে এটা ফুলৰ পাহিত বহি মৌ চোঁহে, তাৰ পাছত উৰামাৰি কোনোবাখন পায়গৈ। আমাৰ চকুৱে বন্দী কৰিব পাৰে মাথোন তাৰ এক লহমাৰ আকণ্ঠ মধুপান।

- মহেন্দ্ৰ বৰা

B.H.B. College, Sarupeta

# বৰষুণ

— মৃদুস্মান নাথ
স্নাতক তৃতীয় ষাণ্মাসিক

নিশা প্ৰায় ১০ বাজিছে। ৰমেন আৰু পম্পী দুয়ো শোৱনি কোঠাত সোমাইছে। দুৱাৰখন জপাবলৈ যাওঁতে পম্পীয়ে দূৰৈৰ কোনোবাখিনিৰ পৰা কেঁতেকী এটাৰ মাত ভাঁহি অহা শুনিলে। হঠাৎ এছাতি মৃদু শীতল বতাহ খিৰিকীৰে সোমাই আহিল। খিৰিকীৰে পম্পীয়ে পলকতে আকাশলৈ জুমি চালে। দেখিলে কলীয়া মেঘবোৰ ইফালে-সিফালে দৌৰি আছে। গিৰিয়েকৰ মুখলৈ চাই তাই কৈছিল হে মাত্ৰ বৰষুণ আহিব নেকিঙ্গ হঠাৎ জিৰ-জিৰ কৈ নামি আহিল এজাক বৰষুণ।

নঙলামুখত ব'হাগ, চ'ত শেষ হও হও। ফাগুনে সৰাপাতৰ বুকুত সিঁচি দিয়া কুঁহিপাতৰ সপোনবোৰে এতিয়া পোখা মেলিছে। 'ন-কুঁহিপাতবোৰে প্ৰথমজাক বৰষুণৰ পৰশ পাই কিমান যে উৎফুল্লিত হৈছে'— পম্পীয়ে মনতে ভাবিলে। বসন্তৰ সময়ছোৱা তাইৰ বৰ প্ৰিয়, তাতে আকৌ তাইৰ আপোন বৰষুণজাক, তাই আৰু ৰ'ব নোৱৰিলে। দুৱাৰখন খুলি লগে লগে তাই বৰষুণজাকৰ ওচৰলৈ দৌৰ মাৰিলে। বাহিৰৰ পৰাই তাই ৰমেনক মাত লগালে

— হেৰি শুনিছেনে, বাৰাণ্ডালৈ ওলাই আহকচোন, ইমান যে ভাল লাগিছে।

— নালাগে দিয়া, তুমি তোমাৰ বৰষুণজাকৰ লগতে থাকা। মই পুৱা সোনকালেই অফিচ যাব লাগিব, ৰমেনে ভিতৰৰ পৰাই পম্পীক ক'লে।

— আপুনিও যে মানুহ, বৰষুণজাকো ভাল নাপায় নেঙ্গ

ৰমেনে এইবাৰ একো মাত নিদিলে। গাৰুটোত ভেজা দি সি শুবলৈ চেষ্টা কৰিলে।

শাওণমহীয়া বাৰিষা, এজাকৰ পিছত আনজাক মুষলধাৰ বৰষুণ। অঞ্চলটোত একপ্ৰকাৰ হাহাকাৰময় পৰিবেশ। ঘৰবোৰৰ প্ৰায় মুধচলৈকে পানী। ঘৰ-বাৰী এৰি অঞ্চলটোৰ সকলো মানুহ নৈখনৰ সিটো পাৰৰ মথাউৰিত আছেহি। অৱশ্যে এতিয়াও দুৰ্গম ঠাইবোৰৰ দুই-এঘৰ মানুহ বাঢ়নী পানীৰ মাজতেই আবদ্ধ। তাৰ ভিতৰত তেওঁলোকো পানীৰ মাজতেই আছে। অসুখীয়া মাক-দেউতাকৰ সৈতে ঘৰৰে ওচৰৰ ওখ ঠাই এটুকুৰাত তিনিওজনে কোনোমতে আশ্ৰয় লৈ আছে। দুদিনৰ অন্তত সিদিনা তেওঁলোকে সিহঁতৰ একমাত্ৰ আশ্ৰয়থলী মথাউৰিটোলৈ যাব। পানীৰ মাজত আৱদ্ধ হৈ থকা সেই দুই- এঘৰ পৰিয়াল সিদিনা নৈ পাৰৰ ওখ মথাউৰিটোলৈ নিজেই নাওঁৰে যাবলৈ যো-জা চলাইছে। প্ৰশাসনলৈ আৰু বাট নাচায়। অৱশেষত এখনত ৮-১০ গৰাকীমান ব্যক্তি আৰু আন খনত বস্তু বাহানিসহিতে নাও দুখন আহি সিহঁতৰ কাষত ৰ'লহি। মাক দেউতাকক আন মানুহবোৰৰ সৈতে প্ৰথম নাওখনত উঠাই দি বস্তু-বাহানিৰে সৈতে সি একমাত্ৰ নাৱৰীয়াজনৰ সৈতে আনখন নাৱত বহিলহি। চাৰিওফালে উকা পানীৰ আচ্ছাদন, আধা বুৰা ঘৰবোৰ আৰু কিমান চাব, আজি অন্তত তালৈ গৈ এসাঁজ খাব পাৰিব। মনতে এইখিনি ভাবি দুখবোৰৰ মাজতে কিছু আশা বুকুত বান্ধি লৈ পানীবোৰ ফালি আগবাঢ়ি গৈছিল। দুয়োখন নাও আহি নদীখনৰ ঠিক মাজভাগ পাইছে। হঠাৎ এটা ডাঙৰ শব্দ। চাৰিওফালে কেৱল চিঞৰ-বাখৰ, 'আমাক বচোৱা বচোৱা', 'ভগৱান বচোৱা'। বানত ডুব গৈ থকা নিৰ্মীয়মান পকী দলঙৰ খুটা এটাত মানুহেৰে ভৰা নাওখনৰ প্ৰচণ্ড খুন্দা। লগে লগে নাওখনৰ অধিকাংশ যাত্ৰী পানীত পৰি গ'ল। ক্ৰমাৎ ডুব যাবলৈ ধৰিলে দুৰ্ঘনাগ্ৰস্ত নাওখন। চকুৰ পলকতেই সকলো শেষ হৈ গ'ল। চাৰিওফালে কেৱল আৰ্তনাদ। হাজাৰ চেষ্টা কৰিও কোনেও কাকো বচাব নোৱাৰিলে। তাৰ চকুৰ আগতেই পানীবোৰৰ মাজত নোহোৱা হৈ গ'ল মাক, দেউতাক আৰু আত্মীয় স্বজন।....।

ৰমেনে 'মা-দেউতা' বুলি চিঞৰি টোপনিৰ পৰা উচপ খাই উঠি বহিল। লগে লগে বাহিৰত বহি থকা পম্পীয়ে দৌৰি ভিতৰলৈ সোমাই আহিল আৰু সুধিলে কি হ'ল আপোনাৰ? বৰষুণ আহিলেই আপুনি টোপনিৰ পৰা এনেদৰে সাৰ পাই চিঞৰি উঠে যে?

— নাইঅ', বেয়া সপোন এটা দেখিলোঁ, ৰমেনে ক'লে

— পানী অলপ খাই এতিয়া আপুনি শুই থাকক মইও শুবলৈ যাও। বহুত ৰাতি হ'ল, পম্পীয়ে ৰমেনক ক'লে।

পম্পীয়ে নাজানে ৰমেনৰ নিচিনা মানুহজনে বৰষুণ বেয়া পোৱা আৰু ভয় কৰাৰ প্ৰকৃত কাৰণ। বৰষুণ জাক তেতিয়াও আহিয়েই থাকিল....।

B.H.B College, Sarupeta



# মাজনিশাৰ এক আধৰুৱা কাহিনী

— সাগৰিকা পাঠক
স্নাতক চতুৰ্থ ষণ্মাসিক

সৌ সিদিনালৈকে জীৱনটো স্বাভাৱিক আছিল। একেই সাধাৰণ হাঁহি-ধেমালি, অহা-যোৱা ইত্যাদি ইত্যাদি। সেই ঘটনাটো নঘটা হ'লে সকলো ঠিকেই আছিল। কিন্তু জীৱনটো সদায় একে দৰে নাযায়। মই নভবা স্বত্বেও সেই ঘটনাটো অজানিতে ঘটি গ'ল। ক'বলৈ আধৰুৱা হৈ ৰ'ল সেই কাহিনী।

সোঁৱৰণী মতে মোৰ নাম ময়ূৰী। ডিগ্ৰী পঢ়িবৰ বাবে চহৰৰ কলেজলৈ আহিছিলোঁ। কলেজৰ হোষ্টেলতে থাকো। মুঠতে সকলো ঠিক ঠাক। কলেজৰ হোষ্টেলৰ ওচৰত বেছি মানুহৰ বসবাস নাছিল। মাত্ৰ ওচৰতে এটা চৰকাৰী কাৰ্যালয় আছিল। ঠাইখন ৰাতিলৈ মৰিশালি সদৃশ। মোৰ ভয় নালাগে। তথাপিও মাজনিশা কিছুমান অজান শব্দ আমিবোৰে শুনি টোপনিৰ পৰা সাৰ পাওঁ। সেইদিনা মোৰ ৰূমমেট হিয়া ঘৰলৈ গৈছে। মই অকলে ৰূমত শুই আছিলো। সেইদিনাও সেই একেই চিঞৰ এটা শুনিলোঁ কিন্তু বাহিৰত নহয়, বৰঞ্চ মোৰ কোঠাৰ ভিতৰত। অজানিতে মোৰ শৰীৰত এটা শিহৰণ জাগি উঠিল। হঠাৎ এজাক বতাহে মোৰ কোঠাৰ পৰ্দাখন উৰুৱাই দিলে। মই অনুভৱ কৰিলো মোৰ কাষত যেন কোনোবা অশৰীৰীয়ে অবিৰতভাৱে খোজকাঢ়ি ঘূৰি ফুৰিছে। এক অজান ভয়ত মই একো ক'ব নোৱাৰা হ'লো। তথাপিও আন্ধাৰৰ মাজতে মই সুধিলো, "কোন"? সিফালৰ পৰা কঁপা কঁপা মাতেৰে শুনিবলৈ পালোঁ

ঃঃ "মই, বহুদিন মানুহৰ লগত কথা পতা নাই। মই মানুহৰ লগত কথা পাতিবলৈ বিচাৰো। মোৰ নিজৰ জীৱনৰ কথা। ময়ূৰী, মই মই তোমাক মোৰ জীৱনৰ কথা ক'ব বিচাৰোঁ।"

সেই সময়ত মই ভয়তে একো এটা শব্দ ক'বলৈ সক্ষম নহ'লো। মাথো মই অনুভৱ কৰিলোঁ অদৃশ্য কিবা এটা মোৰ বিচনাত বহিল আৰু ক'বলৈ আৰম্ভ কৰিলে তাইৰ জীৱনৰ কথা—

ঃঃ মোৰ নাম আছিল হিয়াশ্ৰী। যেতিয়া মই জীয়াই আছিলো তেতিয়া এইখন কলেজৰে ডিগ্ৰীৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰী আছিলো আৰু এইটো হোষ্টেলৰে এই কোঠাটোত আছিলো। সেই দিনা মোৰ ৰূমলৈ নতুনকৈ এজনী ৰূমমেট আহিল। ৰাতি প্ৰায় একমান বাজিছিল, বটলৰ পানী শেষ হোৱা বাবে আমি পানী আনিবলৈ দুয়োজনী ওলালো। বৰ পিয়াহ লাগিছিল। তাই আগে আগে আৰু মই পিছে পিছে। হোষ্টেলৰ সকলো শুই পৰিছিল। এক নিশব্দ পৰিৱেশ, কাৰেণ্ট যোৱাৰ বাবে চাৰিওফালে হঠাৎ ভয়ানক আন্ধাৰে আবৰি ধৰিলে। হঠাৎ আমাৰ আগেৰে এটা ছায়ামূৰ্তি দেখা যেন পালো। তাৰ পিছত এক অজান শংকাত মোৰ বুকু কঁপি উঠিল। মোৰ লগৰজনীয়ে মোৰ ফালে ঘূৰি চালে। সেই অস্পষ্ট আন্ধাৰৰ মাজতে মই দেখিলো তাইৰ চকু, মুখ, মূৰ একো নাছিল, কেৱল ওলমি আছিল এটা ৰক্তাক্ত মাংসপিণ্ড।

ঠিক অলপ সময়ৰ পাছতে ৰাতি পুৱাল আৰু মোৰ মনলৈ সম্বিৎ ঘূৰি আহিল। ইতিমধ্যে মোৰ গাটো ভয়ত ঘামি গৈছিল। মই কাষলৈ চালো, ৰূমটোত তেতিয়া কোনো নাছিল। ৰূমটোত ৰাতিপুৱাৰ সূৰ্যৰ ৰঙা পোহৰ সোমাই আহিল। তাৰ পিছত মাথো এটা অস্পষ্ট আৰু কঁপি থকা মাতেৰে মই শুনিবলৈ পালো ময়ূৰী, মই আকৌ আহিম কেতিয়াবা আধৰুৱা কথাবোৰ ক'বলৈ..........

*********

B.H.B. College, Sarupeta



# কথা কাহিনী

— বিদ্যুৎ পাঠক
স্নাতক তৃতীয় ষান্মাসিক

তেতিয়া গৰম বন্ধৰ সময়

যতীন আৰু প্ৰতীকাৰ ল'ৰা ছোৱালী দুয়োজনে মোমায়েকৰ ঘৰত যাবলৈ আমনি কৰি আছে মাকৰ আগত। তেতিয়াই যতীন office ৰ পৰা আহি পালে।

ঃ হেৰা চাহ অকণমান বনোৱাচোন মূৰটো বৰকৈ বিষাইছে অ'।

ঃ বনাই আছোঁ ৰব...।

হেৰি শুনিচেনে ইহঁতে জেদ কৰি আছে। মোৰ ওচৰলৈ বাৰে বাৰে আহি কয়হি সিহঁত হেনো মোমায়েকৰ ঘৰলৈ যায় দুদিন মান থকাকৈ।

ঃ হয় নেকি? এৰা এতিয়া নগৈনো কেতিয়া যাব? স্কুল খুলিলেটো যাব নোৱাৰিব। চাও ৰ'বা মইছুটী পাওঁনে নাপাওঁ।

ঃ এইয়া লওক...ঙ

এই বুলি প্ৰতীকাই চাহ দিয়ে....

আৰু অৱশেষত দহ দিনৰ ছুটী লৈ সপৰিয়ালে মোমায়েকহঁতৰ ঘৰলৈ যাবলৈ ওলাল....

মোমায়েকহঁতৰ ঘৰলৈ ট্ৰেইনেৰে গ'লে প্ৰায় পাঁচ ঘণ্টা মান সময় লাগে। ট্ৰেইনখন দিনৰ দুই বজাত আহে। তেওঁলোকে সেইদৰে হিচাপ কৰি প্ৰায় সন্ধ্যা ছয় মান বজাত মোমায়কহঁতৰ গাঁৱৰ ষ্টেচন গৈ পাব বুলি অনুমান কৰিলে।

মোমায়কহঁতৰ ঘৰত খবৰ দিছিলে.... তেওঁলোক গৈ থকা বুলি কিন্তু মোবাইলৰ network বেয়া বাবে একোকেই শুনা নাপালে।

ঠিক সময়তে ট্ৰেইন আহিলে আৰু গোটেই কেইজন উঠিল আৰু যাত্ৰা আৰম্ভ কৰিলে। এক ঘণ্টা মান দূৰ অতিক্ৰম কৰি কিবা এটা শব্দ কৰি ট্ৰেইনখন ৰৈ গ'ল...; খবৰ কৰি গম পালে যে, ট্ৰেইন খনৰ হেনো ইঞ্জিনত কিবা বিজুতি ঘটিছে...ঙ এনেকৈ ৰৈ ৰৈ প্ৰায় ২ ঘণ্টা মান পিছত ট্ৰেইনখন চলিল আৰু অৱশেষত প্ৰায় ৯ মান বজাত মোমায়েকহঁতৰ গাওঁৰ ষ্টেচনটো পালে। ষ্টেচনৰ পৰা মোমায়েকহঁতৰ ঘৰলৈ যাওতে পথাৰৰ মাজেৰে প্ৰায় তিনি কিলোমিটাৰ মান যাব লাগে।

ষ্টেচনৰ বাহিৰত কেইখনমান E-Rickshow আছে। যতীন গৈ ইখনৰ পিছত সিখনক সুধিলে...., নাই কোনো নাযায়। যতীনে ঘূৰি আহি দেখে যে তেওঁৰ পত্নীয়ে এখন E-Rickshow ত বেগবোৰ উঠাই আছে। তেওঁ আহি পোৱাৰ পিছত পত্নী, মানে প্ৰতীকাই ক'লে, হেৰা এইখন যাব বোলে। যতীনে কোনো প্ৰশ্ন নকৰা কৈ E-Rickshow খনত উঠিলে আৰু নিজান, নিস্তব্ধ বাটেৰে, পথাৰৰ মাজেৰে লাহে লাহে গৈ থাকিল আৰু কিছু দূৰ যোৱাৰ পিছত তেওঁলোকে মোমায়েকহঁতৰ ঘৰ পালে।

মাক আৰু ল'ৰা-ছোৱালী E-Rickshow ৰ পৰা নামি ভিতৰলৈ সোমায় গ'ল আৰু তেতিয়া যতীনে E-Rickshow ৰ ড্ৰাইভাৰ জনক সুধিলে ভাড়া কিমান টকা হ'ল? ড্ৰাইভাৰ জনে ক'লে এশ টকা দাদা....

লগে লগে খঙত উচপ খাই উঠি যতীনে ক'লে -

ঃ কি কোৱা হে এইখিনি বাট আহোতে এশ টকা লাগে নেকি....?

ঃ নহয় দাদা এশ টকাই লাগিব। এই ৰাতিখন....ঙ

তেতিয়া যতীনৰ আৰু বেছিকৈ খং উঠি কেটেৰা মাতেৰে ক'লে...

ঃ তই অচিনাকি মানুহ পাই ঠগিবলৈ বিচাৰিছ... এই ৰাতিখন দালাল ওলাইছ।

নহয় দাদা, বাইদেউ এ এশ টকাত ঠিক কৰিছিলে...ঙ ঙ

এই পঞ্চাশ টকাটো দিছোঁ... ল'লে ল নহ'লে যাব পাৰ।

এই বুলি যতীনে পঞ্চাশ টকাটো আগবঢ়াই দিলে।

মুখৰ ভিতৰতে কিবা কিবি ভোৰ-ভোৰাই পইচা পঞ্চাশ টকাটো লৈ ড্ৰাইভাৰজন গুচি গ'ল আৰু যতীন ঘৰৰ ভিতৰলৈ সোমাল...। মুখ-হাত ধুই আহিলে আৰু শাহু মাকে চাহ খাবলৈ দিলে। তাৰ পিছত প্ৰতীকাই সুধিলে...

B.H.B College, Sarupeta

ঃ বাহিৰৰ পৰা আহোতে আপোনাৰ ইমান সময় কিয় লাগিল... ?

ঃ ন'কবা আৰু...ঙ্গ সেই যে আমি অহা ড্ৰাইভাৰ জন বহুত বদমাছ। এইখিনি বাট আহোতে বোলে তাক এশ টকা লাগে।

ঃ দি নিদিলে কিয়.... মই এই এশ টকাতেই ঠিক কৰিছিলোঁ। ইমানখন E-Rickshow চালো কোনো এখনে ইয়ালৈ আহিম বুলি ন'কলে সেইখনক এশ টকা দিম বোলেতে আহিবলৈ মান্তি হ'ল। তাৰ কাৰণেই আমি এই ৰাতিখিন ইয়ালৈ আহিব পাৰিলো..., দি দিব লাগিছিল আপুনি এশ টকাটো।

ঃ তুমি নাজানা। এইবোৰ এটা এটা ডকাইত, ৰাতিৰ ডকাইত। এতিয়া বাদ দিয়া সেইবোৰ।

এনে দৰে কৈ যতীনে বেলেগ কথা উলিয়ালে। এনেকৈ সিহঁতে ৰাতিৰ ভাত খাই উঠি ভাতৰ টেবুলতে বহি কথা পাতি আছিলে। তেতিয়াই প্ৰতীকাই শোৱনি কোঠাৰ পৰা ওলাই আহি ক'বলৈ ধৰিলে -

ঃ হেৰা আমি অনা ডাঙৰ ৰঙা ৰঙৰ বেগটো নাই দেখোন।

ঃ কি কোৱা, নাই নেকি, ক'ত থ'লা... ?

চোৱাচোন চোৱা পাবা। বেগটো ক'লৈ যাব?

ঃ E-Rickshow খনৰ পৰা নমাইছিলা নে...?

ঃ মই ননমালো.... মই ভাবিলো তুমি নমালা সকলো আৰু ঘৰৰ ভিতৰলৈ আনিলা। মই পইচা দিয়াত ব্যস্ত থাকিব লগা হ'ল নহয়।

ঃ এতিয়া কি হ'ব ইহঁতৰ সকলো কাপোৰ-কানি আছিলে লগতে কেইহাজাৰ মান টকাও আছিলে।

ঃ যতিনে ক'লে মই কৈছিলো নহয়... সেই ড্ৰাইভাৰজন এজন বদমাছ ডকাইত, লৈ গ'ল সি বেগটো..।

গোটেই ঘৰখনৰ পৰিৱেশটো ক্ষন্তেক সময়তে পৰিৱৰ্তন হৈ গ'ল। প্ৰত্যেকৰে হাঁহি নোহোৱা হৈ পৰিল। একো যেন নোহোৱা হৈ পৰিল। তাৰ মাজতে শাহু মাকে মাত লগালে, যি হ'ল হ'ল এতিয়া শুই থাকা। ৰাতি বহুত হ'ল। এই বুলি প্ৰত্যকে নিজৰ নিজৰ শোৱা কোঠালৈ গ'ল। বিষাদ মনেৰে যতীন আৰু প্ৰতীকাও বিছনালৈ গ'ল।

ল'ৰা ছোৱালী দুয়োটা টোপনিত লাল কাল। সিহঁতে কি হৈছে একোৰেই গম পোৱা নাই। এনেকৈ থকাৰ সময়তে বাহিৰত কোনোবাই গাড়ীৰ হৰ্ণ বজায় আছিলে বহু সময় ধৰি। কোন হ'ব পাৰে এই ৰাতিখন ইমানকৈ হৰ্ণ বজায় আছে, এই বুলি কৈ দৰ্জাখন খুলি যতীন বাহিৰলৈ ওলাই গ'ল। ওলাই গৈ দেখে যে, সেই ড্ৰাইভাৰ জন, কাষত এটা ডাঙৰ বেগলৈ গেটৰ সন্মুখত ৰৈ আছে। যতীন ওলাই চোতাল পোৱাৰ লগে লগে ড্ৰাইভাৰ জনে মাত লগালে। দাদা আপোনালোকৰ বেগটো মোৰ লগত মোৰ গাড়ীত গুচি গৈছিল। ঘৰত গৈ চাওতেহে দেখা পালো আপোনালোকৰ বেগটো। তেতিয়া যতীনে ক'লে.... অশেষ ধন্যবাদ তোমাক। কাপোৰ কানিৰ পৰা টকা পইচালৈকে সকলোবোৰ লাগতিয়াল সামগ্ৰী বেগটোতে আছিল। আমাৰটো বেয়াই লাগিছিল বেগটো নাপাম বুলি। বহুত বহুত ধন্যবাদ তোমালৈ। আহা, একাপ চাহ খাই যাবাহি। নাই নাই দাদা এতিয়া নাখাও.. বহুত ৰাতি হ'ল। পুৱা সোনকালে উঠি আৰু ভাড়া মাৰিবলৈ যাব লাগিব।

ঃ অ হয় নেকি ৰ'বা তেতিয়া হ'লে এই এশ টকাটো লোৱা।

ঃ কিয় দিছে দাদা এইটো।

ঃ তোমাক এইটো মৰমতে দিছোঁ লোৱা ৰাতিখন বেগটো দিবলৈ অহাৰ বাবে।

ঃ নালাগে নালাগে দাদা এইটো আমাৰ ধৰ্ম। কোনোবা যাত্ৰীৰ যদি কিবা বস্তু ৰৈ যায় ঘূৰাই দিয়াটো। দাদা, বিনা কামত আমি কেতিয়াও পইচা নলওঁ, কাম কৰিহে পইচা উপাৰ্জন কৰোঁ। আপোনালোকে ষ্টেচনত গাড়ী বিচাৰি থাকোতে মই ঘৰলৈ যাবলৈ ওলাইছিলো। আপোনালোকক দেখা পালোঁ, ইমান ৰাতি কিবা বিপদত পৰিছে নেকি বুলি আহি আপোনালোকক ইয়ালৈ থ'বলৈ আহিলো। যাও দিয়ক দাদা এই বুলি কৈ ড্ৰাইভাৰজন গুচি গ'ল আৰু যতীনে গেটখন খুলি ভিতৰলৈ সোমাই আহি বাৰাণ্ডাতে বহি লৈ ড্ৰাইভাৰজনে কোৱা কথাটোকে ভাবি থাকিল। ড্ৰাইভাৰজনৰ পৰা তেওঁ এটা ডাঙৰ শিক্ষা লাভ কৰিলে...

মানৱতা আৰু ব্যৱহাৰ....

*********

B.H.B College, Sarupeta



# অণুগল্প

অল্প পৰিসৰৰ অল্প কথাৰ এক অনন্য উন্মোচন

B.H.B. College, Sarupeta

# সন্তান

— দিগন্ত দাস

স্নাতক পঞ্চম যান্মাসিক

চাৰিজনী ছোৱালীৰ পাছত ঈশ্বৰৰ আশীৰ্বাদ স্বৰূপে ল'ৰা সন্তানটি পাই বৰুৱা-বৰুৱানীৰ আনন্দৰ সীমা নাই। অৰ্থনৈতিক দিশত পিছপৰা হেতুকে ছোৱালীকেইজনীক স্কুলৰ দেওনা পাৰ কৰায়েই বিয়া দি তেওঁলোকৰ দায়িত্ব সামৰিলে। ছোৱালীকেইজনীক বিয়া দি ল'ৰাজনক মাটি-বাৰি বিক্ৰী কৰি চহৰত পঢ়ুৱালে। ল'ৰায়ো পঢ়া-শুনা কৰি বিদেশত চাকৰি পালে আৰু তেওঁলোকেও কষ্ট সাৰ্থক হোৱা যেন অনুভৱ কৰিলে।

যেতিয়া এমাহ ধৰি হাস্পাতালৰ বিচনাখনত পৰি থকা দেউতাকৰ প্ৰতি জীয়েক কেইজনীৰ দায়িত্ব দেখে, বিদেশত থকা ল'ৰাৰ উজুহাতবোৰ দেখে আৰু তেতিয়া বৰুৱা-বৰুৱানীয়ে উপলব্ধি কৰে ল'ৰা-ছোৱালী বুলি কোনো প্ৰভেদ ৰাখিব নালাগে, সন্তান সন্তানেই।

*********



B.H.B. College, Sarupeta

# হাঁহি

—সীমাশ্ৰী কলিতা

স্নাতক ষষ্ঠ যান্মাসিক

চহৰত থকা পুতেকলৈ বুলি বহু মৰমৰে সৈতে খোৱা বস্তুৰ টোপোলাটো বাপেকৰ হাতত তুলি দিলে। ৰাতিপুৱাই গা-পা ধুই সাজু হোৱা বাপেকে ভৰিত জোতাযোৰ পিন্ধিবলৈ ধৰোতে পুতেকৰ ফোন আহিল— "ইয়ালৈ অলপ চাফু-চিকুণ হৈ আহিবছোন।" সন্মুখত ৰৈ থকা মানুহজনক দেখি দেউতাকৰ ওঁঠৰ ফাকেৰে হাঁহি এটি নিগৰি আহিল। কিন্তু খন্তেক আগৰ সেই উজ্জ্বল মুখখন যেন কিবা এটা ধূসৰ হৈ পৰিল আৰু দেউতাকৰ মনটো যেন কিবা এক উদাসীনতাই আৱৰি পেলালে।



# স্বচ্ছতা ঃ কিমান ?

— অংকিতা দাস
স্নাতক পঞ্চম ষান্মাসিক

বীৰলানন্দ তালুকদাৰ— পুৱাই স্বচ্ছতা অভিযান চলাবৰ কাৰণে যাবলৈ ওলাইছে। নিজৰ বাহনখনত উঠি যাবলৈ ওলোৱা তালুকদাৰে পেকেটত খোৱাৰ বাবে খোৱাবস্তু ল'লে। ঘৈণীয়েকে তৈয়াৰ কৰি দিয়া বস্তুখিনি লৈ গাড়ীখন ষ্টাৰ্ট দিলে।

ৰাস্তাতে ভোক লগাত খাবলৈ বুলি বস্তুখিনি উলিয়াই ল'লে। মিনাৰেল ৱাটাৰ আৰু খোৱাখিনি খাই পেলনীয়া প্লাষ্টিক আৰু খালী বটলটো খিৰিকীৰে দলিয়াই দিলে।

*********



# নীলা দোলনাখন

— উপম নাথ
স্নাতক তৃতীয় ষান্মাসিক

পাৰ্কখন এঞ্জেলৰ বৰ প্ৰিয়। কাৰণ তাতেই আছে সেইটো সম্পদ যিটো তাইৰ প্ৰথম প্ৰেম, শৈশৱৰ প্ৰেম, নীলা দোলনাখন। শনিবাৰটো আহিলেই যেন তাইৰ মন আনন্দেৰে নধৰা হয়। কাৰণ শনিবাৰ আৰু ৰবিবাৰে তাইৰ স্কুল বন্ধ। তাতোকৈ সুখৰ কথা শনিবাৰে তাইৰ দেউতাকৰ অফিচ সোনকালে ছুটি হয় আৰু ৰবিবাৰে বন্ধই থাকে। সেই বিশেষ দোলনাখনত এঞ্জেলক দেউতাকে বিশেষ কায়দাৰে বহাই দিয়ে। বহুত স্ফূৰ্তি কৰে দুয়োৱে। এঞ্জেলৰ দেউতাকেও লাহে লাহে সেই দোলনাখনৰ প্ৰেমত পৰিছে। তেখেতেও আজিকালি শনিবৰটিলৈয়ে অপেক্ষা কৰে মাথোন নীলা দোলনাখনত এঞ্জেলৰ সৈতে ধেমালি কৰিবলৈ, নিজৰ ছোৱালীজনীক মাকৰ ভাগৰো মৰমখিনি দিবলৈ।

*********

B.H.B. College Sarupeta



# গ্ৰন্থ-সমালোচনা

B.H.B. College, Sarupeta

" পক্ষপাতহীন আলোচনাৰ জৰিয়তে যিকোনো সৃষ্টিধৰ্মী সাহিত্যকৰ্মৰ দোষ-গুণ নিৰূপণ কৰাটোৱেই হ'ল সমালোচনাৰ কাম। "

- মহেন্দ্ৰ বৰা

# মৃণাল কলিতাৰ “বকুল ফুলৰ দৰে”— এটি অনুভৱ

— শ্ৰীকৃষ্ণা দাস
স্নাতক পঞ্চম যান্মাসিক

শৈক্ষিক জীৱনত বিশেষ প্ৰতিভাৰ পৰিচয় দিয়া ড° মৃণাল কলিতা গল্পকাৰ হিচাপে সুপ্ৰতিষ্ঠিত। কলিতাদেৱে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ১ম স্থান আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত বিজ্ঞান শাখাত ৫ ম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। বাতৰি কাকতৰ দুটি উল্লেখনীয় শিতান ‘মোৰ আৰু পৃথিৱীৰ’ আৰু ‘অকপটে’ৰ জৰিয়তে তেখেতে জনপ্ৰিয়তা আৰ্জিছিল। “বকুল ফুলৰ দৰে”— তেখেতৰ প্ৰথম উপন্যাস। কলিতাদেৱৰ অন্যান্য উল্লেখনীয় কিতাপ সমূহ হ’ল—

১। অযান্ত্ৰিক অনুশীলন (গল্প সংলন)

২। মৃত্যুৰ সিপাৰে (গল্প সংকলন)

৩। অকপটে (প্ৰবন্ধ সংলকন)

৪। অনুশীলন (গল্প সংকলন)

৫। গডফাদাৰৰ হাত আৰু চয়তানৰ মগজু (ৰচনা সংকলন)

৬। ৰিবৰিব মুনমীহঁতৰ শেষ নোহোৱা কাহিনী (শিশু উপযোগী কাহিনী সংকলন)

এদিন হঠাতে টি.ভি.ত এখন অসমীয়া চিনেমাৰ ‘Trailer’ দেখা পালোঁ। এক মিনিট সময়ৰ ‘Trailer’ টো দেখিয়েই কাহিনীটোৰ প্ৰতি আকৃষ্ট হৈ পৰিছিলো। হয়, চিনেমাখনৰ নাম আছিল ‘বকুল ফুলৰ দৰে’। তাৰ কেইদিনমান পিছত কলেজৰ লাইব্ৰেৰীত কিতাপ বিচাৰি থাকোঁতে হঠাতে এই একে নামৰ কিতাপখনৰ ওপৰত চকু পৰিল। পঢ়াৰ লোভ সামৰিব নোৱাৰি কিতাপখন ললোঁ আৰু অতি কম সময়ৰ ভিতৰতে পঢ়ি শেষ কৰিলোঁ।

এতিয়া আহোঁ কাহিনীৰ মূল অংশলৈ। মৃণাল কলিতাৰ ‘বকুল ফুলৰ দৰে’ উপন্যাসখন পঢ়ি সচাঁকৈয়ে যেন মোৰ মনত বকুল ফুলৰ সুগন্ধই বিৰাজ কৰিছিল। স্কুলীয়া জীৱনৰ পটভূমিৰে আৰম্ভ কৰা এখন হৃদয়স্পৰ্শী আৰু চিন্তা শক্তি আলোড়িত কৰিব পৰা অসাধাৰণ গ্ৰন্থ। কেৱল নম্বৰকেন্দ্ৰিক দৃষ্টিৰে বিচাৰ কৰা শিক্ষা ব্যৱস্থাক প্ৰত্যাহ্বান জনাই এক সুস্থ সবল শৈক্ষিক পৰিৱেশ গঢ়ি তুলিবলৈ লেখক যেন দৃঢ় প্ৰতিজ্ঞ। প্ৰচলিত শিক্ষা ব্যৱস্থাক সমালোচনা কৰি তেখেতে লিখিছে— “আমাৰ শিক্ষাব্যৱস্থাত সৃষ্টিশীলতাক গুৰুত্ব দিয়া নহয়। ছাত্ৰ-ছাত্ৰীক মৌলিক চিন্তা-চৰ্চাৰ বাবে উৎসাহিত কৰা নহয়। এনে ব্যৱস্থাৰে প্ৰতি পালিত ছাত্ৰৰ মেধাৰ বিকাশ আশানুৰূপ নহয়; বৰং ব্যতিক্ৰমী মেধাও এসময়ত মুজুৰা পৰি আহিবলৈ বাধ্য হয়। ......... আমাৰ শিক্ষা ব্যৱস্থা আকৌ পৰীক্ষা কেন্দ্ৰিক। পৰীক্ষাৰ নম্বৰক লৈয়েই আমি সকলো ব্যস্ত— ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক সকলো” তদুপৰি কেৱল শিক্ষা ব্যৱস্থাৰ মাজতে সীমাবদ্ধ নাৰাখি সমাজৰ অপ-সংস্কৃতি, ৰাজনৈতিক ক্ষমতাৰ অপপ্ৰয়োগ, গতানুগতিক চিন্তাধাৰাই কোঙা কৰি পেলোৱা মানুহৰ মনস্তত্বৰ ফোপোলা স্বৰূপটোও যেন লেখকে উদঙাই দিবলৈ প্ৰয়াস কৰা দেখা গৈছে।

উপন্যাসখনৰ প্ৰতিটো চৰিত্ৰক বাস্তৱ ৰূপ দিব পৰাটো লেখকজনৰ এক অন্যতম কৃতিত্ব। গতনুগতিক প্ৰতিযোগিতামূলক মনোভাৱৰ বিপৰীতে নিৰ্মল আৰু অসীমৰ নিঃস্বাৰ্থ বন্ধুত্ব, অনুভৱ ছাৰৰ দৰে বহল অন্তৰৰ শিক্ষক, জিলমিলৰ চিন্তা উদ্ৰেককাৰী বিচাৰ বিশ্লেষণবোৰ মহেন্দ্ৰ মাষ্টৰৰ চেকনিৰ কোব আদিয়ে সচাকৈয়ে আপ্লুত কৰি তুলিছিল। অসীম নামৰ চৰিত্ৰটোৰ মাজেৰে পৰিস্থিতি আৰু দুৰ্ভাগ্যই কোঙা কৰি পেলাব খোজা এজন ল’ৰাৰ জীৱন কাহিনী অংকিত কৰা হৈছে। অসীম স্কুলৰ আটাইতকৈ মেধাৱী ছাত্ৰ আছিল। যাৰ বাবে তাক স্কুলখনৰ জুৱেল বুলি কোৱা হৈছিল। কিন্তু তাৰ মদাহী বাপেকৰ ক্ৰমান্বয়ে

B.H.B. College, Sarupeta

হোৱা অধঃপতন, সিহতঁৰ মাকে অকলে বহন কৰিব নোৱাৰা ঘৰখনৰ দায়িত্ব ইত্যাদিৰ বাবে অসীমৰ পঢ়া বেয়াৰ ফালে ঢাল খাই আহিছিল আৰু তাৰ ঠাই লৈছিল বন্ধু-নিৰ্মলে। কিন্তু প্ৰকৃত বন্ধুৰ দায়িত্ব পালন কৰা নিৰ্মলে অসীমক ঈৰ্ষা কৰা নাছিল বৰং তাক যৎপৰোনাস্তি সহায়হে কৰিছিল। উপন্যাসখনৰ আটাইতকৈ হৃদয়স্পৰ্শী চৰিত্ৰটো আছিল অনুভৱ ছাৰ যাৰ আগমণে অসীমৰ জীৱনলৈ জোনাক নমাই আনিছিল। এসময়ত পঢ়া এৰি শিলৰ কুৱেৰীত কাম কৰিবলৈ লোৱা ১৪-১৫ বছৰীয়া অসীমে অনুভৱ ছাৰ আৰু বন্ধু নিৰ্মলৰ সহযোগতে মেট্ৰিকত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। আমাৰ সমাজত অসীমৰ দৰে অসহায় ল'ৰা বহুত আছে, যাৰ বাবে অনুভৱ ছাৰৰ দৰে সহানুভূতিশীল ব্যক্তিৰ প্ৰয়োজন। অসীমহঁতৰ ক্লাছৰে সীমন্ত নামৰ ল'ৰাজনে যেতিয়া মেট্ৰিকত ফেইল কৰি হতাশত ভুগি বাঁহী বজাই আছিল আৰু কৈছিল— "মোৰ বাহিৰেতো সকলোৱেই পাছ কৰিলে.... অকল মইহে.......", তেতিয়া অনুভৱ ছাৰে তাক কৈছিল— 'অকল তুমিহে ইমান ধুনীয়াকৈ বাঁহী বজাব পাৰা সীমান্ত। আমাৰ স্কুলৰ কোনেও তোমাৰ দৰে বাঁহী বজাব নাজানে, ইয়াৰ দ্বাৰা লেখকে এইটোৱেই বুজাবলৈ প্ৰয়াস কৰিছে যে, সকলোৱে পঢ়াত ভাল ফল প্ৰদৰ্শন কৰিব নোৱাৰিব পাৰে, কিন্তু নিজ প্ৰতিভা অনুযায়ী জীৱনত অগ্ৰসৰ হ'লে সফল হোৱাটো ধ্ৰুৱপ। উপন্যাসখন পঢ়ি থকাৰ সময়ত প্ৰতিটো চৰিত্ৰই যেন দৃশ্য-শ্ৰাব্য ৰূপ পৰিগ্ৰহণ কৰি চকুৰ সন্মুখত ভাহি উঠিছিল। অসীমৰ মদাহী বাপেকৰ অক্ষমতা, অসীম আৰু আজলীৰ জীৱন সংগ্ৰাম, সিহঁতৰ মাকৰ কাহানিও শেষ নোহোৱা জীৱন যুদ্ধ, নিৰ্মলৰ হাৰ্টৰ অসুখৰ বাবে সি আৰু তাৰ মাক-দেউতাকে কৰা সংগ্ৰামে যেন কোনোবাখিনিত চকু সেমেকাই তুলিছিল।

এই কিতাপখন পঢ়া শেষ কৰি মই ভাবিছিলো— 'মই ইমানদিনে কিয় এইখন কিতাপ পঢ়া নাছিলো?' কিতাপখন পঢ়াৰ পিছত যেন কিছুমান বিষয় নতুনকৈ চিন্তা কৰিবলৈ হেঁপাহ জাগিছিল। সমাজৰ প্ৰতিজন ব্যক্তিৰ চিন্তাৰ খোৰাক যোগাই তুলিব পৰা এইখন এখন ব্যতিক্ৰমধৰ্মী কিতাপ যাৰ প্ৰতিটো চৰিত্ৰই হৃদয়স্পৰ্শী। ছাত্ৰ-শিক্ষক আৰু বন্ধুত্বৰ সম্পৰ্কৰ এক অনন্য প্ৰতিফলন।

কিতাপখনৰ কোনোবা এঠাইত অসীম নামৰ চৰিত্ৰটোৱে কৈছিল— 'বকুল ফুলবোৰ ইমান সৰু, অথচ ইমান ধুনীয়া।' সেই একে সুৰতে মইও কওঁ— "বকুল ফুলৰ দৰে" উপন্যাসখন সৰু অথচ অসাধাৰণ।

******




B.H.B. College, Sarupeta

# নৰকান্ত বৰুৱাৰ কপিলীপৰিয়া সাধু- বিহঙ্গম দৃষ্টিৰে এক আলোচনা

—নিকুঞ্জ বৰ্মন
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

**ঔপন্যাসিকৰ চমু পৰিচয় ঃ** কপিলীপৰীয়া সাধু উপন্যাসখনৰ লিখক হৈছে নৰকান্ত বৰুৱা। তেওঁ জন্ম হৈছিল গুৱাহাটীত ১৯২৬ চনত। তেওঁ স্কুলীয়া শিক্ষা নগাঁৱত শেষ কৰি শান্তি নিকেতনৰ পৰা বি. এ. আৰু আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেওঁৰ উল্লেখযোগ্য কাব্য গ্ৰন্থসমূহ হ'ল— 'হে অৰণ্য হে মহানগৰ', 'এটি দুটি এঘাৰটি তৰা',"ৰাৱণ', 'ৰত্নাকৰ' আদি। তেওঁৰ উপন্যাস কেইখনমানৰ নাম হ'ল— কপিলীপৰীয়া সাধু', ককাদেউতাৰ হাড়', 'গৰমা-কুঁৱৰী', আদি। তেওঁ ককাদেউতাৰ হাড় উপন্যাসৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল।

**উপন্যাসখনৰ চমু আলোচনা ঃ—** কপিলীপৰীয়া সাধু' উপন্যাসখনৰ প্ৰধান চৰিত্ৰ অৰ্থাৎ নায়ক আছিল ৰূপাই। তেওঁ ধীৰচিং আৰু ৰঙিলীৰ পুত্ৰ আছিল। ৰূপাইয়ে নিজ গাৱঁতে থকা বেথাৰাম পণ্ডিতৰ পাঠশালাত পঢ়িছিল যদিও পঢ়া - শুনাতকৈ সিহঁতৰ গাৱঁৰ বুকুৰেদি বাগৰি যোৱা কপিলীৰ প্ৰতিহে তাৰ বেছি ধাউতি আছিল। লগৰ অঘাইতং ছাত্ৰবোৰৰ লগতে ৰূপাইয়ো দুষ্টালি কৰি ফুৰিছিল। তেওঁ পঢ়া-শুনা কৰাতকৈ কপিলী নৈত মাছুৱৈসকলে মাছ মাৰি থকা দৃশ্য চাইহে আনন্দ পাইছিল। কিন্তু অন্যান্য ছাত্ৰসকলৰ তুলনাত তেওঁ লিখা-পঢ়াত কিছু উন্নত আছিল সেইবাবে তেওঁ বৃত্তি পৰীক্ষা দিবলৈও সুবিধা পাইছিল। পৰীক্ষাৰ কেইদিন তেওঁ চহৰৰ দীনবন্ধু উকীলৰ ঘৰত আছিল। কিন্তু বৃত্তি নোপোৱাত দেউতাক ধীৰচিঙে তেওঁক খেতিৰ কামত লগাব বিচাৰিছিল পিছত ভাঙুৰী ভকতৰ পৰামৰ্শ মতে তেওঁক দীনবন্ধু উকীলৰ ঘৰত থৈ বাংলা স্কুলত নাম লগাই দিয়ে। উকীলৰ ঘৰত তেওঁ ইটো-সিটো ঘৰুৱা কাম কৰিব লগীয়া হোৱাত পঢ়া-শুনা কৰিবলৈ সময় নাপাই পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰিলে। তাত থকা সময়খিনিত তেওঁ উকীলনী আৰু হাৰিয়া নামৰ লগুৱা জনৰ দাবি ধমকি খাব লগীয়া হৈছিল। ইয়াৰ পিছত তেওঁ গান্ধীজীৰ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰি ফাটেকলৈ যাব লগীয়া হয়। তাৰ পৰা মুক্তি হয়। এবাৰ কপিলী নদীৰ প্ৰচণ্ড বানত ৰূপাইহঁতৰ গাঁৱৰ লগত আৰু ভালেমান গাওঁ তল পৰিল। তেওঁ এই বানত ইংৰাজ বিষয়া এজনৰ লগত বানপানীত বিধ্বস্ত অসহায় গাঁও বাসীক উদ্ধাৰ কৰা অভিযানত অংশ গ্ৰহণ কৰে। বানবিধ্বস্ত এলেকা ঘূৰি ৰূপাইৰ বিৰল অভিজ্ঞতা হ'ল। সেই অভিযানত তেওঁ সোণপাহী নামৰ গাভৰু ছোৱালী এজনীক বানপানীৰ কবলৰ পৰা উদ্ধাৰ কৰে। সেই একে বছৰতে ৰূপাইৰ জন্ম পৰিচয়ৰ আন এটা সত্যৰ সন্ধান পায়। তেওঁৰ দেউতাকৰ অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত জানিব পাৰে যে তেওঁ ধীৰচিং আৰু ৰঙিলীৰ তোলনীয়া পুতেহে। সেই গাঁৱৰ সাতোলা নামৰ ব্যক্তিজনে ৰূপাইক কয় যে ধীৰচিং নিঃসন্তান আছিল। ধীৰচিঙৰ দেউতাকে নাতি এটাৰ মুখ চাবলৈ বহু আশা কৰিছিল যদিও সেই আশা পুৰণ নোহোৱাকৈ মৃত্যু মুখত পৰে। পিছলৈ এবাৰ প্ৰলয়ংকাৰী বানপানীৰ সময়ত উদ্ধাৰ অভিযানত ধীৰচিঙে এটি পানী কেঁচুৱা ঘৰৰ ছালত লাগি থকা দেখা পাই তুলি আনি নিজ পুত্ৰ হিচাপে ডাঙৰ-দীঘল কৰিবলৈ লয়। ৰূপাইয়ে নিজৰ জন্মৰ কাহিনী শুনি মনৰ বেজাৰত কপিলী নদীত জাপ দি আত্মহত্যা কৰিবলৈ লোৱাত সোণপাহী আৰু তাইৰ দেউতাকে ৰূপাইক উদ্ধাৰ কৰে। লাহে লাহে সোণপাহীৰ লগত ৰূপাইৰ প্ৰেম হয়। দুয়োজনৰে মিলনৰ ফলত সোণপাহী অন্তঃসত্বা হয়। ৰূপায়ে তাইক বিয়া কৰাবলৈ মান্তি নহ'ল। সোণপাহীয়ে তাইৰ ইচ্ছাক কুঠাৰাঘাত কৰাত কপিলী নদীত জাপ দি আত্মহত্যা কৰে।

লেখক নৰকান্ত বৰুৱাৰ 'কপিলীপৰীয়া সাধু' উপন্যাসখন আঞ্চলিক উপন্যাসৰ লগতে এখন নদীকেন্দ্ৰীক উপন্যাস। উপন্যাসখনৰ আৰম্ভণিৰ পৰা শেষলৈকে কপিলী নদীয়ে সেই গাওঁৰ মানুহৰ সুখ দুখৰ লগৰী, আশা-আকাংক্ষাৰ ভৰসা হিচাপে অংকিত হৈছে।

B.H.B. College, Sarupeta



# অনুবাদ সাহিত্য

অনুবাদত কৰ্ম একোটা ভাষাৰ প্ৰকাশ ক্ষমতাৰ পৰীক্ষাগাৰ।

*- হৰেকৃষ্ণ ডেকা*

B.H.B. College, Sarupeta

# ফাকুৱাৰ ৰং

— নমিতা দাস



B.H.B College

পিটাৰ্ছ এজন আঠবছৰীয়া নিগ্ৰো ল'ৰা। সি দক্ষিণ আফ্ৰিকাত মাক-দেউতাক আৰু ককায়েকৰ লগত আছিল। সিহঁতৰ পৰিয়ালটো এটা বৃহৎ অট্টালিকাৰ পিছফালে থকা পঁজাঘৰত বাস কৰিছিল। ডাঙৰ অট্টালিকাটো আছিল এটা বগা পৰিয়ালৰ। পিটাৰ্ছৰ পৰিয়ালটো আছিল সিহঁতৰ কাম কৰা মানুহ। পিটাৰ্ছৰ মাক-দেউতাক আৰু ককায়েকে দিন-ৰাতি সেই পৰিয়ালটোৰ কাম কৰিছিল। মাকে ঘৰৰ সকলো কাম কৰিছিল। কককায়েকে বজাৰ-সমাৰ কৰিছিল আৰু দেউতাকে খেতিপথাৰত কাম কৰিছিল। দিন-ৰাতি মূৰৰ ঘাম মাটিত পেলাই কষ্ট কৰা সত্ত্বেও সিহঁতে পেট ভৰাই খাবলৈ নাপাইছিল।

পিটাৰ্ছ দিনটো ঘৰত অকলে থাকিছিল। বৃহৎ অট্টালিকাটোত পিটাৰ্ছৰ বয়সৰে আব্ৰাহাম নামৰ ল'ৰা এটা আছিল। পিটাৰ্ছৰ আব্ৰাহামৰ লগত খেলিবলৈ বৰ মন গৈছিল; কিন্তু সি ৰাতিপুৱাই সাজি-কাচি গাড়ীৰে স্কুললৈ গুচি গৈছিল আৰু দুপৰীয়াহে ঘৰলৈ উভতিছিল। তাৰ পাছত ঘৰৰ সন্মুখত লগৰ বন্ধুৰ সৈতে খেলিছিল।

পিটাৰ্ছে দূৰৰ পৰাই সিহঁতৰ খেল চাইছিল। সি ভিতৰলৈ যাবলৈ অনুমতি নাপাইছিল। কেতিয়াবা ল'ৰাহঁতৰ বলটো আহি তাৰ ওচৰত পৰিলে সি অকণো পলম নকৰাকৈ বলটো সিহঁতলৈ দলিয়াই দিছিল।

বহুবাৰ পিটাৰ্ছে ল'ৰাবিলাকৰ লগত খেলিবলৈ জেদ ধৰিছিল; কিন্তু মাকে তাক টানি আনি নিজৰ কোঠাত থৈ আহিছিল। বহুদিন মাকে তাক বুজাইছিল—

"বোপাই, তেওঁলোক আমাৰ মালিক। আমি সিহঁতৰ লগত খেলিব নোৱাৰো। অলপ ডাঙৰ হ'লে তুমিও মোৰ লগত কাম কৰিব পাৰিবা। তেতিয়া তোমাৰ মন ভাল লাগিব।"

"নহয় মা, মই দাদাৰ নিচিনা কাম নকৰো। মই আব্ৰাহামৰ নিচিনাকৈ স্কুললৈ যাম।"

"বোপাই, তোমাৰ ভাগ্য ক'ত? তুমি নিগ্ৰো। বগা মানুহৰ সেৱা কৰাটোৱেই তোমাৰ কাম। সিহঁতৰ লগত একেলগে বহি পঢ়াটো তোমাৰ কাম নহয়।"

পিটাৰ্ছে মাকৰ এনেকুৱা কথা শুনি বৰ দুখ পাইছিল। সি বুজি নাপাইছিল মালিক আৰু গোলামৰ পাৰ্থক্য কি?

এদিন পিটাৰ্ছে সুধিলে— "দাদা, আমি কিয় চাকৰ, আব্ৰাহাম কিয় মালিক?"

"আব্ৰাহাম বগা আৰু আমি ক'লা।" ককায়েকে বহুত চেষ্টা কৰিও যেতিয়া তাক বুজাব নোৱাৰিলে, তেতিয়া এখন আইনা আনি তাৰ হাতত দি ক'লে— "লোৱা পিটাৰ্ছ, ইয়াত তোমাৰ মুখখন চোৱা।" তাৰ পাছত ক'লে, "তুমি দেখিলানে যে তুমি মোৰ নিচিনাই ক'লা আৰু আব্ৰাহাম কিমান বগা?"

ককায়েকৰ এই যুক্তিয়ে কিছু কাম দিলে। পিটাৰ্ছে মুখ ওফন্দাই তাৰ পৰা গুচি গ'ল। সি মনে-মনে বগা হ'বলৈ প্ৰতিজ্ঞা কৰি 'অবু পেইণ্টাৰ'ৰ দোকানলৈ গ'ল। এইখন দোকানত তাৰ খুৰাকৰ ল'ৰা এজনে চাকৰি কৰে।

"দাদা, মই আব্ৰাহামৰ নিচিনা বগা হ'ব বিচাৰোঁ; তেতিয়াহে মই স্কুললৈ যাব পাৰিম।"

পিটাৰ্ছৰ কথা শুনি খুৰাকৰ ল'ৰাজনৰ চকু চলচলীয়া হ'ল। ল'ৰাজনে ক'লে— "পাগল হৈছা নে কি? শৰীৰত কোনোবাই ৰং কৰে নে? ৰং কৰি দিলে গোটেই ছালবিলাক নষ্ট হৈ যাব। তুমি যদি বিচৰা, মই তোমাক এনেকুৱা এখন স্কুলৰ ঠিকনা দিওঁ, য'ত কেৱল নিগ্ৰো ল'ৰাহে পঢ়ে।"

খুৰাকৰ ল'ৰাৰ কথাত পিটাৰ্ছে বৰ আনন্দ পালে। মাকৰ খঙক গুৰুত্ব নিদি সেইদিনাই সি স্কুলত নামভৰ্ত্তি কৰিলে। এতিয়া সি ৰাতিপুৱাই ঘৰৰ পৰা ওলায় আৰু সন্ধিয়া ওভতে।

এদিন সি বৰ আনন্দেৰে স্কুলৰ পৰা আহি মাকক সাবটি ধৰি ক'লে— 'চমা, তুমি জানানে, হোলী উৎসৱ ক'ত পাতে?"

"নাজানো।"

"মা, মোৰ কিতাপত লিখা আছে যে ভাৰতবৰ্ষত 'হোলী উৎসৱ পাতে। এই দিনটোত সকলোৱে ইজনে সিজনক ৰং দিয়ে। সকলো একেলগ হয়।

"হয় নে কি?"

তাৰ পিছত পিটাৰ্ছে মাকৰ ডিঙিত-ওলমি ক'লে— মা, কিমান যে ভাল হ'লহেঁতেন আমাৰ ইয়াতো হোলী উৎসৱ পতা হ'লে?"

"কিন্তু কিয়?" মাকে আচৰিত হৈ সুধিলে।

"মা তেতিয়া বছৰত এনে এটা দিন আহিলহেঁতেন যিদিনা মই পাহৰি গ'লোহেঁতেন যে মই ক'লা, মই নিগ্ৰো। অন্ততঃ হোলীৰ ৰঙে এদিনৰ বাবে হ'লেওতো ক'লা-বগাক এক কৰিলেহেঁতেন।"

পিটাৰ্ছে পুনৰ সুধিলে— "কোৱানা মা, আমিও 'হোলী উৎসৱ' পাতিব পাৰিমনে?"

"সঁচাকৈয়ে যদি এনে কৰিব পৰা গ'লহেঁতেন?"

মাকে দীঘল হুমুনিয়াহ এৰিলে আৰু দৈনিক কামৰ বাবে মালিকৰ ঘৰলৈ খোজ দিলে।

মূল ঃ ওমপ্ৰকাশ গুপ্তা। "নহে সম্ৰাট" নামৰ হিন্দী আলোচনী

(এপ্ৰিল ২০০৮)ৰ পৰা।

*******

B.H.B. College, Sarupeta



# নীলা খামৰ চিঠি

B.H.B. College, Sarupeta

কুকুৰা ঠেঙীয়া আখৰকেইটিত
যি অমিয়া ঘঁহা আছে
ক'তো আৰু নাই

*-প্ৰিয়তমাৰ চিঠি (হেমচন্দ্ৰ গোস্বামী)*



# নীলা খামৰ চিঠি

**ডেইজী নাথ**
স্নতক প্ৰথম ষণ্মাসিক

প্ৰতি,

মোৰ মৰমৰ.........

কি নামেৰে নো মাতো তাকে ভাবিছোঁ। আশা কৰো তুমি ভালে আছা। বহুদিন হ'ল তোমাক নেদেখা, তোমাক লগ নোপোৱা। মনত পৰে তোমাক দেখা সেই প্ৰথম দিনটোলৈ, যিদিনা মোৰ হৃদয়ৰ কোণত বাজি উঠিছিল এক অচিন সুৰৰ ঝংকাৰ। কিয় জানো প্ৰথম দৃষ্টিতেই তোমাক আপোন কৰি ল'বলৈ মন গৈছিল। হয়তো, মই তোমাৰ প্ৰেমত পৰিছিলোঁ। কিন্তু তোমাক এইযাৰ কথা কোৱাৰ সাহস মোৰ নহ'ল। ভয় লাগিছিল তোমাক ক'বলৈ, ক'লে কিজানিবা আমাৰ এই বন্ধুত্বৰ সম্পৰ্কটো ফাট মেলে। তথাপিও আজি ভয়ে-ভয়ে মোৰ মনৰ এই কথাবোৰ তোমালৈ চিঠিৰ জৰিয়তেই প্ৰকাশ কৰিলোঁ। জীৱন যুদ্ধত মোৰ কাষত আজীৱন প্ৰেৰণা হৈ থাকিবা বুলি আশাৰে......।

ইতি—
তোমাৰ অনামী বান্ধবী

---



# নীলা খামৰ চিঠি

**প্ৰিয়া দাস**
প্ৰাক্তন ছাত্ৰী

মৰমৰ অনুৰাগ,

তুমি এদিন খবৰ নকৰিলে যে মোৰ গোটেই দিনটো ভালেই নালাগিছিল..... আৰু এতিয়া মাহৰ পিছত মাহ, বছৰৰ পিছত বছৰ ধৰি কোনো খবৰেই নাই। তুমিটো চাগে এতিয়া মোক পাহৰিয়েই পেলাইছা নহয়জানো? কিনো ক'ম আৰু মোৰেই হয়তো দোষ আছিল। মই যে সময়বোৰ ধৰি ৰাখিব নোৱাৰিলোঁ। সময়বোৰ যে পৰিৱৰ্তনশীল। সেই ক্ষণেই তোমাক মোৰ পৰা বহু দূৰলৈ লৈ গ'ল। এতিয়া যে তোমাক মোৰ কাষত যিমান বিচাৰিলেও নাপাও।

কেতিয়াবা সময় পালে আৰু লিখিম। শেষত তোমাৰ খবৰ.... খবৰ হয়তো ভালেই। আশা কৰোঁ ভালেই হ'ব, ভগৱানে তোমাক সদায় ভালে ৰাখক। বুকুত এটা ডাঙৰ শিল বান্ধি ময়ো ভালে আছোঁ দিয়া। ডাকোৱালে বা তোমাৰ তাত চিঠিখন দিলে নে নিদিলেঙ্গ শেষত আৰু এটা কথা কৈ যাও, সময় পালে এবাৰ অতীতৰ পৃষ্ঠাবোৰ লুটিয়াই চাবাচোন। কিমান যে মধুৰ আছিল সেই অতীত.... এতিয়া যে সেই অতীতৰ স্মৃতিবোৰকে বুকুত বান্ধি জটিল জীৱনৰ অংকবোৰ অকলেই কৰি আছোঁ......

ইতি—
তোমাৰ অতীত

B.H.B. College, Sarupeta

# নীলা খামৰ চিঠি

— বিদ্যুৎ পাঠক
স্নাতক তৃতীয় ষাণ্মাসিক

প্ৰতি,

মৰমৰ স্বৰ্ণালী, মৰম ল'বা, আজি বহুত কষ্ট কৰি কলমটো হাতত তুলি লৈছোঁ। কলমটো হাতত নোলোৱা যে বহু দিনেই হ'ল। এটা সময়ত জানা এই কলমটোৱেই মোৰ আটাইতকৈ প্ৰিয় বস্তু আছিল আৰু এতিয়া...ঙ্গ এ বাদ দিয়া সেইবোৰ কথা।

আজি তোমালৈ বহুত মনত পৰিছে অ'ঙ্গ সেইয়েহে বুকুৰ মাজৰ চন্দুকটোত আলফুলে সাঁচি ৰখা অতীতৰ স্মৃতিৰ পৃষ্ঠাবোৰ লুটিয়াই লুটিয়াই তোমলৈ কলমটো হাতত তুলি লৈছোঁ। মোৰ অতীত মানেইটো তুমি আছিলাঙ্গ তোমাৰ মনত পৰে নে...? সেই যে কলেজত পঢ়ি থকা দিনবোৰৰ কথা। মোৰ জানা এতিয়াও এটি এটি পল মনত আছে। আমি পাৰ কৰি অহা সুমথিৰাৰঙী দিন বোৰৰ কথা। আমি লাইব্ৰেৰীলৈ গৈছিলোঁ আৰু তাত থকা কবিতাৰ কিতাপবোৰ লৈ তুমি পঢ়িছিলা আৰু মই কাষত বহি শুনি আছিলোঁ। কিমান মধুৰ আছিল সেই সময়বোৰ। সেই যে ক্লাছৰ সুৰুঙাৰে গছৰ তলত বহি উপন্যাস পঢ়িছিলোঁ আৰু যে দোকানৰ পৰা মিক্সাৰ, চপ আনি একেলগে বহি খাইছিলোঁ.... আৰু যে কিমান কি...ঙ্গ আমি যে সেই সময়ত এজনে আন জনৰ পৰা কেতিয়াও পৃথক হোৱাই নাছিলোঁ আৰু এতিয়া....ঙ্গ

সময়বোৰ বৰ খৰখেদাকৈ সলনি হয় অ' স্বৰ্ণালী.... তুমি দিয়া প্ৰতিশ্ৰুতিবোৰে এতিয়া মোক কোঙা কৰে.... বিশ্বাসহীনতাৰ ভয় এটাই আজিও খেদি ফুৰে মোক। তথাপি মংয়ো অংগীকাৰবদ্ধ জীৱনটো ধুনীয়াকৈ পুনৰ সজাবলৈ... তুমিও সুখী হোৱা মনৰ জোখাৰে.....।

ইতি—
তোমাৰ নীলম



B.H.B. College, Sarupeta

# নীলা খামৰ চিঠি

**বৰষা দাস**
ষষ্ঠ যণ্মাসিক

মৰমৰ,

নিৰব,

বহু দিনৰ নীৰৱতাৰ অন্তত হাতত কলমটো তুলি ল'লো। আশা কৰোঁ তুমি কুশলে আছা। নিলিখো বুলিও চোন থাকিব নোৱাৰোঁ, স্মৃতিবোৰে বৰকৈ আমনি কৰে, তোমাৰ-মোৰ ধুনীয়া সময়বোৰ মোৰ অনুভৱৰ মানস পটত জিলিকি উঠে। অতীতৰ সেই ভাল লগা সময় বোৰলৈ উলটি যাবলৈ মন যায়।

মই জানো এতিয়া তুমি মোৰ পৰা বহু দূৰত। লগ পাবলৈ মন গ'লেও মই তোমাক আৰু কেতিয়াও লগ পাব নোৱাৰোঁ। তুমি মোক আৰু আমাৰ মৰমবোৰক হয়টো কেতিয়াবাই পাহৰি পেলালা। সেই যে আমি লগ পোৱা প্ৰথম আবেলিটো আৰু মোৰ লাজৰ ওৰণাখন উৰুৱাই নিয়া উতনুৱা বতাহ জাকে মোক যে বাৰুকৈয়ে আমনি কৰে।

আমাৰ প্ৰতিটো পল বৰ ভাল লগা আছিল নহয় নে? তুমি মই আমি লগ পালে তোমাৰ কোলাত মূৰ থৈ বহা সেই বিশেষ ঠাইখিনি, ঘণ্টাৰ পিছত ঘণ্টা ধৰি আমাৰ মৰম, অভিমান ভৰা কথাবোৰ, মেচেছ, ফোনত অভিমানবোৰৰ কথা কেতিয়াও মনত নপৰে নে বাৰু তোমাৰ?

এহঃ পৰিবনো কিয়? মই যে কি বোৰ কৈ আছো নহয়ঙ্গ এতিয়া তুমি নতুনৰ সৈতে সপোন ৰচাত ব্যস্ত, শুনিছো তাই বোলে বৰ মৰম লগা, তাইক কিন্তু মোৰ দৰে নকৰিবা দেই। মোৰ ভুল কি আছিল, ক'ত আছিল মোক তুমি এবাৰো নক'লাঙ্গ নিৰৱ কিয়নো এনেকুৱা হ'ল আজিলৈকে একো বুজিয়ে নাপালোঁ মই। মোৰ বাবে এইয়া এক উত্তৰ বিহীন প্ৰশ্ন। মোক বৰকৈ আমনি কৰে অতীতৰ সেই ভাল লগা কথাবোৰে, বেদনা হৈ নিগৰে কথাবোৰ। বহু ৰাতি উজাগৰে পাৰ কৰোঁ। কেতিয়াবা নিজকে শেষ কৰি পেলাবলৈ মন যায়। কিন্তু আকৌ ৰৈ যাও। তোমাৰ অবিহনে সুখী হ'বলৈ শিকাইছো নিজকে। আজিকালি নিসংগতাবোৰ মোৰ ভাল লাগে। এতিয়া এইবোৰকে আপোন কৰি লৈছোঁ। এতিয়া আৰু ভালপোৱা বোৰে পাহি নেমেলে, কাৰোবাৰ প্ৰেমত পৰি বাউলি হ'বলৈ মন নাযায়। মাথোঁ শুভকামনা নিৰৱ তুমি সদায় সুখী হোৱা।



বিঃদ্ৰঃ — ক্ষমা কৰিবা, তোমাৰ নহয়, কোনোবা অচিনাকি নীলা.........

B.H.B. College, Sarupeta



# নীলা খামৰ চিঠি

**বিভা কলিতা**
স্নাতক দ্বিতীয় ষণ্মাসিক

মোৰ হৃদয়ত তোমালৈ বুলি,
সাঁচি ৰখা অযুত মৰম ভাল পোৱা
অভিমাবোৰেৰে তোমালৈ বুলি লিখিলো আজি এখনি "নীলা খামৰ চিঠি"

মৰম

অনুৰাগ,

পোন প্ৰথমে তোমালৈ বহুত মৰম। চাওতে চাওতে তোমাক লগ পোৱাৰ আজি বহুত দিনেই হ'ল। আজিও মনত আছে মোলৈ অহা তোমাৰ প্ৰথম মেচেজটো। Hi, hello ৰ পৰা আৰম্ভ হোৱা আমাৰ এই সম্পৰ্কটো সময়বোৰ পাৰ হ'বলৈ ধৰিছে। কেতিয়াবা বহুত ভয় লাগে তুমি মোৰ পৰা আঁতৰি যাবা বুলি। মানুহৰ মুখত শুনিছোঁ চকুৰ আঁতৰ হ'লে বোলে মনৰো আঁতৰ হয়। বহুত দিনেই হ'ল তোমাক লগ নোপোৱা। কেতিয়াবা বৰকৈ মনত পৰে আমি পাৰ কৰা ধুনীয়া সময়বোৰৰ কথা। তোমাৰ বাৰু মনত পৰেনে মোলৈ, সেই ঠাইবোৰলৈ? তোমাৰ লগত কটোৱা প্ৰতিটো মূৰ্হুত মোৰ কাৰণে বৰ মধুৰ। তোমাৰ মোৰ প্ৰতি থকা মৰম-ভালপোৱা, অভিমানবোৰ সদায় এনেকৈ থাকিবলৈ দিবা। তোমাক লগ পোৱাৰ পাছৰে পৰা মোৰ জীৱনটো ৰঙীণ হ'বলৈ ধৰিছে। এতিয়া যেনেকৈ মোৰ প্ৰতিটো কামতে সাহস আৰু প্ৰেৰণা হৈ আছা পাছলৈও এনেদৰে থাকিবা। ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ আমাৰ এই সম্পৰ্কটোৱে যেন সোনকালে পূৰ্ণতা লাভ কৰে। তুমি নিজৰ কৰ্তব্য ভালদৰে পালন কৰা আৰু ময়ো জীৱন যুদ্ধৰ ৰণুৱা ঘোঁৰা দৌৰাও......

পুনৰবাৰে তোমালৈ মোৰ বহুত মৰম। নিজৰ যত্ন ল'বা।

B.H.B. College Sarupeta



# কাব্যকানন

(ছন্দৰ বাংময় বাট)

"মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতীঃ সমাঃ
যৎ ক্ৰৌঞ্চমিথুনাদেকমবধীঃ কামমোহিতমঃ"

-বাল্মীকি

B.H.B. College, Sarupeta



# কৃষ্ণকামনা

—পিংকী দাস
স্নাতক পঞ্চম যান্মাসিক

ভাদ মাহৰ পৱিত্ৰ অষ্টমী তিথি
দুষ্কৃতি নাশক
সংস্কৃতিৰ বাহক
শ্ৰীকৃষ্ণৰ ওপজা তিথি।
গৃহস্থীৰ গোঁসাইঘৰে গোঁসাইঘৰে
চাকি বন্তি জ্বলিল উজলি
ধূপ ধূনাৰ সৌৰভ পৰিল বিয়পি
আজি যে
কানাইৰ ওপজা তিথি।
নামঘৰে নামঘৰে জন্মাষ্টমীৰ আয়োজন
বৈষ্ণৱপ্ৰাণসকলৰ উল্লাসিত হিয়া মন
মধ্য ৰাতি
দুৰ্ঘোৰ তিমিৰ নাশি
কলমৌ পাতত উপজিব জগতপতি।
আকাশ-বতাহ মুখৰিত কৰি
ডবা, শঙ্খ, উৰুলিৰ মঙ্গল ধ্বনি....
প্ৰাণে প্ৰাণে বংশীবাদনৰ অনুৰণন.....
ময়ূৰ পাখিৰ অৱলোকন।
যুগে যুগে দুষ্কৃতিক বিনাশিবলৈ
সংস্কৃতিৰ আৰাধনা....
জগত বিয়াপি প্ৰাৰ্থনা
কংসৰূপী অসূয়া অশান্তিৰ
হওক পতন।



# নিৰ্জনতা

—ৰিমি পাঠক
স্নাতক দ্বিতীয় যান্মাসিক

যেতিয়া নিৰ্জন হয় এই ধৰা
নিস্তব্ধতাই কয় কথা।
পোহৰে পোহৰক পাহৰে।
এন্ধাৰে নিচুকণি গায়
তৰাবোৰ হয়তো তেতিয়াই সৃষ্টি হয়,
অন্তৰাত্মাৰ কি অপূৰ্ব মিলন....
নাথাকে সময়ৰ হাতুৰী
হেঁপাহত বাউলি।।
এই মিলন স্বপ্নৰ,
এই মিলন হেঁপাহৰ,
এই মিলন সাহচৰ্যৰ।

B.H.B. College, Sarup

# অতন্দ্ৰ প্ৰহৰী

— সৌৰভ তালুকদাৰ
স্নাতক তৃতীয় যান্মাসিক

এক প্ৰহৰত মই ধৰাৰ বুকুত
অহৰহ ৰৈ থাকো বন্দুক খামুচি
বন্দুক নহয়, ই মোৰ বন্ধু
মাতৃভূমি ৰক্ষাৰ স্বাৰ্থত
হাতত মোৰ এই বন্দুক
এনেই শান্ত হ'ব পাৰে,
ভয়াৱহ উগ্ৰবাদৰ বাবে, অত্যাচাৰীৰ বাবে
শান্তিৰ বাবে, কিন্তু ই সদায় শান্ত,
ৰৈ থাকে, ভোকে-পিয়াহে।
মোৰ বাবে বন্দুকেই বন্ধু
তোমাৰ নিদ্ৰা ত্ৰাসিত নহওক বুলিয়েই
মোৰ নিদ্ৰাক জোৰকৈ সামৰি থওঁ
চকু জপাবলৈ সময়নো ক'ত?
দেশৰ বাবে দহৰ বাবে,
আপোনালোকৰ জীৱন ৰক্ষাৰ হকে
মই অংগীকাৰবদ্ধ
প্ৰতিটো প্ৰহৰৰ অনুভূতি সাঁচিকৈয়ে
কি যে ৰোমাঞ্চকৰ
কি যে আবেগৰ.....



# তোৰ মায়ে কৈছো

— জোনদ্বীপ পাঠক
প্ৰাক্তন ছাত্ৰ

আজি পুৱাতে উঠিলোঁ বোপাই
থাপনাত এগছি বন্তি জ্বলাই
তোৰ দীৰ্ঘায়ু হোৱাৰ কামনা কৰিলোঁ
তই ভাল পোৱা পায়স অকনো বনালোঁ
মোৰ হাতেৰে খুৱাবলৈ তোক ওচৰতহে নাপালোঁ.....

আজি যে তোৰ জন্মদিন তই জাননে.....?
তোক কোঁচত লবলৈ এতিয়াও মন যায় বোপাই,
এবাৰ হেঁপাহ পলুৱাই চাবলৈ মন আছিল অ' বোপাই।
বৃদ্ধাশ্ৰমলৈ নাহিবি বোপাই
মই সহিব নোৱাৰিম।
দহ মাহ দহ দিন গৰ্ভত ৰাখি,
ঘৰে ঘৰে কাম কৰিছিলোঁ,
তোক মানুহ কৰিম বুলি,
সঁচাই তই বহুত ডাঙৰ মানুহ হ'লি.....
নিজৰ মাৰকে চিনি নাপালি.....
কিহৰনো অজুহাতত মোক বৃদ্ধাশ্ৰমলৈ পঠিয়ালি?

এৰা, সময়ৰ সৈতে জীৱনটো গৈ আছে এনেকৈ,
এতিয়া অপেক্ষা মাথো জীৱনৰ শেষ দিনটোলৈ।
আজিৰ দিনটোত এবাৰো মনত নপৰেনে তোৰ,
বৃদ্ধাশ্ৰমত যন্ত্ৰনাত চট্‌ফটাই থকা "মা" লৈ

শুনিছোঁ ডাঙৰ অট্টালিকা সাজিছ হেনো,
আজিকালি বহুত ব্যস্ত মানুহ.... ধনী মানুহ তই...
কাৰোৰে বাবে ৰ'বলৈ সময় নাই এতিয়া...
নিজক লৈয়ে ব্যস্ত....
টকাৰ দৌৰ...
টকাই যেন পাহৰাই পেলালে সকলো....
এবাৰ অতীতক মনত পেলাবিচোন বোপাই...
মই যে তোৰ মা আছিলোঁ আৰু তই মোৰ পুত্ৰ......

B.H.B. College Sarupeta

# পৰিৱৰ্তন সময়ৰ

— ডেইজী নাথ
স্নাতক প্ৰথম ষাণ্মাসিক

এতিয়া সেমেকা বতৰ....কোনোজন আছে সুখ নিদ্ৰাত
এই যে সেমেকা বতৰত
কোনো জন আকৌ বস্ত্ৰহীন
কোনোৰে কটাইছে ভাগি পৰা পঁজাটিৰ
তুঁহজুই একুৰাত
কোনোবা খেতিয়কে আকৌ নিয়ৰকে দেহত সানিছে।
কোনোৰে আকৌ পৰিয়ালটিৰ বাবে ঠেঁটুৰৈ লগা
জাৰতো নিহালি আঁতৰাই
ভাত মুঠিৰ বাবে ওলাই গৈছে,
কোনোৰে আকৌ
মাক-দেউতাকৰ সপোনবোৰ সাকাৰ
কৰিবলৈ কঁপি কঁপি কলম ধৰিছে।
মুঠতে কাৰোবাৰ বাবে ঠাণ্ডা অভিশাপ,
কাৰোবাৰ বাবে আকৌ গৰম অভিশাপ।
ঠাণ্ডাত হাবাথুৰি খায় ৰ'দৰ বাবে,
আকৌ, গৰমত হাবাথুৰি খায় বৰষুণৰ বাবে।
সময়ৰনো কি দোষ?
এই পৰিৱৰ্তন আৱশ্যম্ভাৱী।





# নিৰস্ত্ৰ মই

ৰিদিপ বৰ্মন
স্নাতক চতুৰ্থ ষান্মাসিক

মৃতপ্ৰায় সাহিত্যিকৰ, অস্তিত্বহীন পৰিচয়
জীৱন যুদ্ধৰ যুদ্ধক্ষেত্ৰত নিৰস্ত্ৰ মই,
কবিতাৰ বাবে এশাৰী বাক্যও মনলৈ অহা নাই
এয়াই নেকি জীৱন?
যিয়ে সপোনৰ আপোচ কৰায়।

নিবনুৱা নহয় মই, বনুৱা হয় ভাই
সমাজৰ শ্ৰেণীৰ সৈতে কেৱল মিলিব পৰা নাই
পঢ়াত বেছি মন নবহে, তথাপি পঢ়ো
জীৱনৰ বাটচোৰা কেনেবাকৈ যদি গঢ়িব পাৰো।

নিৰাশাৰ আকাশত আশাৰ পাখি মেলি
উৰা মাৰো মই
সপোনৰ ডেউকা খুলি,
সপোন ভাগিল, ডেউকা ছিগিল
সৰি পৰিলোঁ মই
জীৱন যুদ্ধৰ যুদ্ধক্ষেত্ৰত আকৌ নিৰস্ত্ৰ মই।

B. H. B. College, Sarupeta



# পুনৰ আহিবা ভূপেনদা

—মিনুৱাৰা বেগম
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

ভূপেনদা তুমি আহিবা
অগ্নিযুগৰ ফিৰিঙতি হৈ
সোণৰ অসমৰ প্ৰতিশ্ৰুতি লৈ
লুইতৰ দুয়ো পাৰ জিলিকাবলৈ

পাহৰি যাব নোৱাৰো তোমাৰ
অপূৰ্ব ভাষা-সংস্কৃতিৰ কৃষ্টি
আমাৰ হৃদয়ত উজ্জ্বলি থাকিব
সদায় তোমাৰ অমূল্য সৃষ্টি।।

তুমি আহিবা ভূপেনদা
বিশ্বজয়ী সংগীতৰ সুৰৰ লহৰ বিলাবলৈ
সংগীতৰ সুৰেৰে বিশ্ব জয় কৰিবলৈ
প্ৰতিজন অসমীয়াৰ হৃদয় জুৰ পেলাবলৈ।।

তমি আহিবা ভূপেনদা, তোমাৰ তীৰ্থভূমিলৈ
প্ৰতিজন অসমীয়াক
নিজক চিনি পোৱাৰ শিক্ষা দিবলৈ
অসমীয়াক ৰসাতলে যোৱাৰ পথ বন্ধ কৰিবলৈ
পুনৰ অসমক জিলিকাবলৈ।

তুমি আহিবা তোমাৰ জন্মভূমিলৈ
পুনৰ এই তীৰ্থভূমিক উজ্জ্বলাবলৈ
ধৰিত্ৰী আই বাট চাই আছে তোমালৈ
পুনৰ তোমাক কোলাত পাবলৈ।

# ৰামধেনু

—দ্বীপশিখা কলিতা
স্নাতক প্ৰথম ষাণ্মাসিক

তুমি ৰামধেনু দেখিছা?
নীলা আকাশখন যে কেতিয়াবা
বৰ্ণময়ী কৰি তোলে।।
তুলিকাত বুটাবছাৰ দৰে
ৰামধেনুৱেও কেতিয়াবা বুটাবাছে
নীলা আকাশত।
সাতোটা ৰঙৰ সৃষ্টিত
নীলা আকাশৰ ৰহণত
কেতিয়াবা জীপাল হৈ উঠে
এখন ৰামধেনু।
তুমি প্ৰকৃতিৰ পৰা বিচাৰিছানে
ৰামধেনুৰ সংজ্ঞা?
অৱশ্যে ময়ো বিচৰা নাই।
এখন বগা উকা কাগজত
এডাল ৰঙা সৰলৰেখাই
আঁচুৰি যাওতে
তুমি প্ৰশ্ন কৰিছানে?
মই কিন্তু কৰা নাই।
কিয়নো; মই এতিয়া
নিজক প্ৰশ্ন কৰিয়েই ভাগৰি পৰিছোঁ।
হৃদয়ৰ পৰা হৃদয়লৈ
তলৰ পৰা ওপৰলৈ
আগুৱাই গৈ থাকোতে
আহৰিয়েই নোহোৱা হৈছে
কাকো প্ৰশ্ন কৰিবৰ...
ৰামধেনু বাৰু দুখৰ হুমুনিয়াহ নেকি?
সুখৰ তিৰ্‌বিৰণি নেকি?
নীলা আকাশখনৰ তলত
যেতিয়া তিৰবিৰাই উঠে ৰামধেনু
তেতিয়াই অনুভৱ কৰোঁ
মোৰ দুখ আৰু সুখৰ সমাহাৰ
এই ৰামধেনু......

B.H.B. College Sarupeta

# প্ৰকৃতি

—ভৃগুমণি দাস

স্নাতক প্ৰথম ষাণ্মাসিক

সহ্যাতীত যন্ত্ৰণাবোৰত বিতুষ্ট হৈ
আজি এসেকা দিছে প্ৰকৃতিয়ে;
তথাপিও অবুজনৰ ভাও জুৰিছে,
অৰণ্য বৰ্যাৰণ্য ধ্বংস কৰিছে;
ইমান নিৰ্যাতনৰ পিছতো উচুপি সহিছে
প্ৰকৃতি যে আমাৰ মাতৃ.......
শেষ হ'ব এদিন প্ৰকৃতিৰো ধৈৰ্য্য, সহ্য,
হয়তো নাথাকিব আৰু তেতিয়া
এই পৃথিৱীত লুভীয়া মানুহ,
অথবা মানুহৰ অস্তিত্ব,
মোৰ, তোমাৰ, আমাৰ অস্তিত্ব.....





# বেদনাৰ ধুমুহা

—ৰশ্মি ৰেখা দাস

স্নাতক প্ৰথম ষাণ্মাসিক

কোনেনো শুনিব মোৰ দুখ-বেদনা
জীয়াই আছোঁ যদিও
গাত নাই অকনো চেতনা।
মোৰ হৃদয়ৰ, অতি মৰমৰ
সপোনৰ সৰু পঁজাটি
য'ত মই অতি সযতনেৰে
মোৰ সোণসেৰীয়া সপোনৰ
শুৱনি আশাবোৰ নিৰাপদে ৰাখিছিলোঁ,
আজি সেয়া কেনি গ'ল গমকে নাপালোঁ।
নিবিড় জোনাকত তিৰ্‌বিৰাই থকা তৰাবোৰ
আকাশত আজি নোহোৱা হ'ল.......
জোনাকীও যে ডাৱৰৰ মাজত লুকাই ৰ'ল......
বেদনাৰে ভৰা ধুমুহাজাকে
মোৰ সপোনবোৰ
এক অদ্ভুত জগতলৈ উৰুৱাই নিছিল.......
য'ত এক মহাশূণ্য ওলমি ৰৈছিল.....
মমবাতিৰ দৰে শাৰী শাৰী
মাথোন নিৰাশাৰ প্ৰদীপ জ্বলিছিল।
কিয় মোৰ জীৱনটো ইমান দুৰ্ভগীয়া?
মোৰ বাবে কাৰোৰে নাকান্দেনে হিয়া?

llege, Sarupeta

## উভতি যাব পৰা হ'লে

—আচমিনা বেগম
স্নাতক তৃতীয় যাণ্মাসিক

যদি উভতি যাব পাৰিলোহেঁতেন
সেই ল'ৰালি কাললৈ
হয়তো সুখবোৰ ঘূৰাই পালোহেঁতেন
হয়তো দুখবোৰ নাথাকিলহেঁতেন।
সন্ধিয়া আইতাৰ সাধু, মাৰ মৰম
দেউতাই নপঢ়াৰ বাবে দেখুওৱা ৰঙা চকু
সেই দিনবোৰেই চোন সুখৰ আছিল
চিন্তা নাছিল, দুখ নাছিল...
কেৱল হাঁহি আৰু স্ফূৰ্তি আছিল।
যদি উভতি যাব পাৰিলোহেঁতেন সেই দিনলৈ.....
এতিয়া সেইবোৰ মাথো স্মৃতি
একো একোটা পৃষ্ঠাত সজীৱ হৈ আছে
সেই দিনবোৰ
ল'ৰালিৰ সেই হেঁপাহৰ দিনবোৰ।





## বি. এইচ. বি মহাবিদ্যালয়

— চবনম চুলতানা
স্নাতক প্ৰথম বৰ্ষ

হেঁপাহৰ বি. এইচ. বি. মহাবিদ্যালয়
অতি মৰমেৰে ভৰা;
ছাৰ-বাইদেউ সকলো খিনি
কি যে মৰম লগাঙ্গ
মহাবিদ্যালয়ৰ চৌপাশটো
দেখিলেই ভাল লাগে
সেউজীয়া গছ গছনিৰে আবৃত্ত হৈ থাকে
শ্ৰেণী কোঠাত সোমাই গ'লেই
মন ভৰি পৰে।
মহাবিদ্যালয়ৰ ঘণ্টা বাজি উঠিলে
পাহৰো সকলো দুঃচিন্তা-ভাবনা
আন্ধাৰ কাটি পোহৰৰ
বাট দেখুওৱা আমাৰ এই জ্ঞানৰ আলয়
শিক্ষাগুৰুসকললৈ যাচোঁ অন্তৰভৰা সন্মান
কাহানিও নহয় যে ক্ষয়.....।

B.H.B College, Sarupeta

# আই

— গাৰ্গী শৰ্মা
স্নাতক প্ৰথম বৰ্ষ

শব্দবিহীন কিদৰে বুজাম তোমাক
তুলনা যে নাই
তোমাক পূজিবলৈ সৰগৰ পৰা
এপাহ পুষ্প নাপাম
হৃদয়ৰ বেদিত ৰাখিছো জ্বলাই
তোমাৰ পূজাৰ বন্তি
আই মই ভাবি নাপাও
তোমাৰ মহিমা
তোমাৰ চকুত চকু থ'লে হৃদয় জ্বলে
তোমাৰ এধানি মাতত বুকু জুৰ পৰে....
সাগৰৰ দৰে বিশাল
মোৰ আই....
তোমাৰ তুলনা ক'তো আৰু নাই....।





College, Sarupeta

# কৰ্ম

— ফাৰহিনা চুলতানা
স্নাতক দ্বিতীয় বৰ্ষ

চৰিত্ৰই প্ৰশ্ন কৰিছিলে মোক
তোমাৰ জীৱনৰ প্ৰাপ্য কি কোৱা?
সকলো ভয় এৰি কৈছিলোঁ
মোৰ প্ৰাপ্য মোৰ কৰ্মৰ ফল
ভাগ্যই এক উদাত্ত কণ্ঠৰে ক'লে
তোমাৰ ভাগ্যত কি আছে ভাবা?
মই মৰমৰ মাতেৰে ক'লো
মই যি আশা কৰো সেয়াই আছে
আকৌ এদিন কৰ্মই প্ৰশ্ন কৰিলে
তোমাৰ কৰ্ম কৰাৰ মন?
মই সাহসেৰে উত্তৰ দিলোঁ
হৃদয়ৰ হেঁপাহেৰে কৰি যাম কৰ্ম
ফল বাঞ্ছা নকৰাকৈয়ে.....
সময়ে এদিন উপহাৰ
নিজে দিব আৰু
সেয়ে হ'ব মোৰ
কৰ্মৰ ফল।

# অনুভৱ

শেৱালী দাস
স্নাতক প্ৰথম বৰ্ষ

কিয় নাজানো, মাথো কান্দিছো
কিয় নাজানো, মাথো
নিৰ্জনতাত কক্‌বকাই আছোঁ
মনত হাজাৰটা প্ৰশ্ন
উত্তৰ মাথো সাঁথৰ
উদিগ্ন হৃদয় যেন একো নুবুজে
মাথো অনুভৱ কৰিব পাৰে
স্বতঃস্ফূৰ্ত হৈ নিগৰি পৰে
দুচকুৰ কোনোবা এচুকৰ পৰা
চকুপানীৰ টোপালবোৰ....ঙ্গ
সময়ে সিকাই, সময়ে বুজায়
অনুভৱ কিন্তু আগৰ দৰেই আছে,
অনুভৱবোৰ অনুভৱ হৈ ৰ'ব নে নাজানো
মাথো মনটোৱে উচুপিছে
অতীতত যাপন কৰা অনুভৱবোৰ সাৰটি....





# এই কচৰৎ অবিৰত

—ফাৰিনা ইয়াচমিন
স্নাতক তৃতীয় ষান্মাসিক

মনত হাজাৰটা আশা লৈ,
সপোন দেখিছোঁ...
সেই সপোন বাস্তৱায়িত কৰিব
পাৰিম বুলি আশাৰে আপ্ৰাণ চেষ্টা চলাইছোঁ।
কিন্তু সফল হ'বলৈ চোন
এতিয়াও বহু দূৰ বাকী.......
সপোনৰ পাছত দৌৰি দৌৰি
ভাগৰি পৰিছোঁ মই।
তথাপিও হাৰ মনা নাই
এদিন নহয় এদিন নিশ্চয়
সফল হ'ব পাৰিম।
মোৰ হৃদয়ৰ পাখি লগা সপোনবোৰ.....
এই আশা বুকুত বান্ধিয়ে কটাইছোঁ
ওৰে দিন, ওৰে নিশা।
যত্নৰ ফলত পোৱা
প্ৰাপ্তিৰে সপোনক দিঠক
কৰাৰ স্বাৰ্থত এই কচৰৎ অবিৰত.....

B. H. B. College, Sarupeta

## 'মা' এক শ্বাশ্বত অনুভৱ

— প্ৰিয়াংখী কলিতা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

জন্ম দিলা তুমি আই
তোমাক পাহৰিম কেনেকৈ?
তোমাৰ বাবে আহিলো
আহি এই বিচিত্ৰ ধৰা লৈ।
শান্ত সমাহিত মুখখনি তোমাৰ
যেতিয়া তোমালৈ চাওঁ,
পৃথিৱীত থকা সকলো
মৰমেই যেন পাওঁ।
দয়াৰ সাগৰ মা তোমাৰ
সঁচা অন্তৰখন।
ক'ত দুখ সহ্য কৰা
অলপো নকৰা খং,
সেয়েহে মা সকলো
অৰ্পিলো তোমাৰ চৰণত
সঁচা মৰম লুকাই থাকিব
তোমাৰ আঁচলত।।





## ছন্দ জীৱনৰ

—উজ্জ্বল পাঠক
দ্বিতীয় ষাণ্মাসিক

কিছুমান কথা
ভাবিবলৈ আৰম্ভ
কৰাৰ আগতে শেষ হৈ যায়।
কিছুমান সপোন
দেখিবলৈ লওঁতেই
কুকুৰাৰ ডাকত পোহৰ হয়।
দিনৰ পোহৰ
আহি উকি মাৰোতেই
ৰাতিৰ এন্ধাৰে আকোঁৱালি ধৰে।
আধাকোৰা বহু কথা
ক'ম বুলি ভাবোতেই
সময়ে বৰণ সলায়।
অনুভৱবোৰ
কবিতাত প্ৰকাশ কৰাৰ
সময়ত ছন্দবোৰে আউল লগায়।
ভাবত আউল লাগিলেও,
জীৱনৰ ছন্দ হেৰালেও,
এই জীৱন বৰ অনুপম......

B.H.B. College, Sarupeta

## সাহস সময়ৰ

—ৰুমী নাথ
স্নাতক তৃতীয় ষাণ্মাসিক

তোমাক লৈ মিছাতে
ইমান সপোন দেখিছিলোঁ
তোমাৰ বাবে মিছাকৈ
ইমান উন্মাদ হৈ আছিলোঁ
তুমিটো মোক বুজিয়ে নাপালা
এবাৰ নিজে নিজক সুধি চোৱা
তোমাৰ বাবে মই কি কৰা নাছিলোঁ?

এতিয়াও অতীতে বুকুত খুন্দিয়াই
পিছে এতিয়া দুখ নালাগে
এতিয়া চোন ভাল লাগে
তোমাক হেৰুৱাই নহয়....
মানুহ চিনাৰ সুযোগ পায়

এতিয়া পাহৰিব বিচাৰোঁ তোমাক
অচিনাকী হৈ যিদৰে
বুকুত থিতাপি লৈছিলা
আকৌ অচিনাকী হৈ
সময়ৰ সোঁতত্তেই হেৰাই যোৱা....
সময়ৰ আহ্বানত ময়ো জীৱনটো নতুনকৈ
সজাওঁ
ফুল তৰা গানেৰে বিলীন হওঁ
পিতাইৰ হেঁপাহভৰা
চোতালত [illegible]





## সময়

ৰবি ডেকা
স্নাতক প্ৰথম বৰ্ষ

জীৱনটোৰেই এনেকুৱা য'ত
হাঁহি কান্দোন থাকিব
মাথো আখৰা কৰি যাম
জীয়াই থকাৰ হেঁপাহেৰে
সময়বোৰ এনেকৈয়ে গৈ থাকিব
জীৱনত নতুন নতুনকৈ সকলো পাম
কিন্তু এৰি অহা সময়বোৰ
জানো বিচাৰি পাম?
জীৱনটোৰেই এক প্ৰত্যাহ্বান
গতিকে হাৰি গ'লেই নহ'ব
যুঁজ দিব লাগিব সময়ৰ লগত
প্ৰীতিভৰা সপোনবোৰ বুকুত বান্ধি লৈ
সময়ৰ লগত হাত মিলাই আগবাঢ়ি যাম
যাতে নিজকেই নিজৰ মাজত
জীয়াই ৰাখিব পাৰোঁ।

B.H.B College, Sarupeta




ENGLISH
TALK
COURSE
LANGUAGE
TEACH
CONVERSATION
LITERATURE
A
B
C
D
WORDING
LEARN
LISTENING
PROGRAM
SPEAKING
GRAMMA
STUDENT
ESSAY
WRITING
WORDS
VOCABULARY

B.H. Sarupeta

# India - As an Emerging Global Power

**Krishna Das**
B.A. 5th Semester

Indian economy has been attaining considerable progress in its different fields since independence. In a mixed economy like India, there is coexistence of the public and the private sector. This sort of cooperation has led to an uninterrupted growth of both the public and the private sector. Nowadays, India has witnessed a miraculous progress in different fields which has led India attain the position as a new emerging global power in the world geopolitics. In this article we will discuss the various factors which makes us proud as an Indian and which has transformed the nation as a global power.

GDP Rank

India surpasses UK to become the fifth largest economy and is now only behind US ($ 26,854 billion), China ($ 19,374 billion), Japan ($ 4,410 billion) according to projections by the International Monetary Fund (IMF), “India's GDP has reached $3.75 trillion in 2023, from around $2 trillion in 2014, moving from 10 th largest to 5 th largest economy in the world.

India is now being called a Bright Spot in the global economy as per the tweet of the Finance Ministry of India. Moreover, it is predicted that India will be the third largest economy by 2030.

Further, India is the fastest growing economy in the world. For the entire fiscal year 2022- 23, the growth rate of India came in at 7.2 percent.

Population

India is in the second stage of demographic transition where the country faces a high rate of growth of population due to its fall in the death rate and high birth rate. Recently, India has surpassed China to become the most populous country in the world. According to United Nations report, India's population is about 142.86 crore. As per UNFPA (United Nations Population Fund) report, more than 50% of India's population (68%) falls in the 15- 63 age-group, which is a positive sign for the economy.

Foreign Relation:

Since, the period of Cold War, India has been playing the role of non-alignment. India's foreign policy in the 21st century has been dominated by the quest for creating an enabling environment in its neighbourhood and the world, which allows its economy to grow, its society to develop and its soft power to flourish.

India witnessed significant shifts in its foreign policy last year. Caught between historic ties with Russia and burgeoning partnership with the United States, India deftly navigated relations with great powers following the invasion of Ukrain, while staying true to its position of strategic autonomy. Nevertheless, in the true spirit of strategic autonomy, India carefully balanced buying Russian oil while sustaining relations with the West regardless of the political pressure.

In an interview an anchor asked S. Jaishankar, the External Affairs of Minister of India that whom would India join? West, led by US or China? Then he replies smartly, “I don't feel it's necessary for me to join this axis or not and if I am not joining this I must be with the other one, I don't accept that. I am one-fifth of the world's population and fifth largest economy in the world. I mean forget the history of civilization bit, everybody knows that, but I thinks I'm entitled to have my own side I'm entitled to weigh my own interest, make my own choices and my choices will not be cynical and to a section but they will be a balance of my values and my interest. There is no country in the world which disregards its interest.” This actually shows India's sovereign foreign policy.

India also has foreign relations with the country of Egypt, France, UAE, South Africa, Greece, Japan, etc. In this year (2023), P.M. Modi paid a state visit to Egypt on the invitation of the Egyptian President, Abdel Fattah el-Sisi and received Order of the Nile, the highest civilian honour of Egypt. PM Modi also attended the Bastille Day military parade and received Legion of onour, the highest civilian honour of France. He paid an official visit to Greece on the invitation of the Greek PM Kyriakos

B.H.B. College, Sarupeta

Mitsotakis and received Grand Cross of Order of Honour, the second highest civilian honour of Greece.

**Achievement in Space:**

India's journey into space began with the establishment of the Indian Space Research Organisation (ISRO) in 1969. India's first significant achievement in space was the launch of Aryabhatta, its first satellite, in 1975. The Mars Orbiter Mission, also known as Mangalyaan, marked a landmark achievement, making India the first Asian nation to reach Mars orbit. Recently, India's Moon Mission, Chandrayaan-3 scripted history by successfully landing on the lunar surface on 23 rd August. With this achievement India has become the fourth country in the world to land a spacecraft on the moon after USA, Russia and China, and also the first to do so in the lunar south pole region. ISRO is all set to launch India's first ever solar mission,

**Aditya-L1.**

Besides the above mentioned fields, in some other areas also such as sports, cultural diplomacy, aid diplomacy etc., India has performed very well. India's major bulk of foreign aid is given to neighbouring countries. India's poverty has shrunk by 10% in the last 5years. As per MPI (Multidimensional Poverty Indian) report, published by UNDP, India saw remarkable reduction in poverty with 415 million people exiting poverty within a span of 15 years, which is more than the total population of Europe. Over 200 Indian - origin people occupy leadership positions in at least 15 countries. Last year, Rishi Sunak made history by becoming U.K.'s first

Indian - origin Prime Minister. India's soft power has grown in view of its rapid economic success as well as its rapid acquisition of military power. From the above analysis it can be said that India is becoming important day by day not only for the Global South but also for the whole world. India is actively engaged with multilateral forums like the UN, G20, and BRICS etc. to advocate the concerns and priorities of the world. India's presidency of the G20 in 2023, offers India an opportunity to play a role as a global peacemaker. During the 77th Independence Day celebration at the Red Fort, Prime Minister Narendra Modi declared that by 2047, the year marking India's 100 th year of independence, the nation would achieve the developed country status. References: The Times of India, Mint, IMF Report, UNDP Report, The Economic Times.

*****

B.H.B. College, Sarupeta

# Mumbai Terror Attacks of 2008

Saurav Das

B.A. 3rd Semester

Mumbai terrorist attack of 2008, saw multiple terrorist attacks that occurred between 26th and 29th November of 2008, in Mumbai (Bombay), Maharashtra, India. The attacks were carried out by 10 gunmen who were believed to be connected to Lashkar-e-Taiba, a Pakistan-based terrorist organization.

Armed with automatic weapons and hand grenades, the terrorists targeted civilians at numerous sites in the southern part of Mumbai, including the Chhatrapati Shivaji railway Station, the popular Leopold Cafe, two hospitals, and a theatre. While most of the attacks ended within a few hours after they began, which was at around 9:30 PM on November 26, the terror continued to unfold at three locations where hostage were taken- the Nariman House, where the Jewish cottages were located, and the luxury hotels, Oberoi Trident and Taj Mahal Palace & Tower.

By the time the standoff ended at Nariman House, on the evening of November 28, six hostages as well as two gunmen had been killed. At the two hotels, dozens of guest and staff were either trapped by gunfire or held hostage. Indian security forces ended the siege at the Oberoi Trident around midday on November 28. At the Taj Mahal Palace, at least 26 foreign nationals and force personnel were brutally killed. More than 300 people were injured, nine of the ten terrorists were killed, and one was arrested as per the reports telecasted by news agencies.

**The Attack**

Amid speculation regarding the identity of the terrorists, an unknown group calling itself Mujahideen Hyderabad Deccan claimed responsibility for the attacks in an e-mail; however, the e-mail was later traced to a computer in Pakistan, and it became obvious that no such group existed. The way the terrorists had reportedly singled out Western foreigners at both the luxury hotels and the Nariman House, led some to believe that the Islamic militant group al-Qaeda was possible involved, but this appeared not to be the case after the lone arrested terrorist, Ajmal Amir Kasab, provided substantial information regarding the planning and execution of the attacks. Kasab, a native of Pakistan's Punjab province, told investigators that the 10 terrorists underwent prolonged guerrilla-warfare training in the camps of Lashkar-e-Taiba. He further revealed that the team of terrorists had spent time at the headquarters of a second and related organization, Jamaat-ud-Dawa, in the city of Muridke before traveling from Punjab to the port city of Karachi and setting out for Mumbai by sea.

After first travelling aboard a Pakistani-flagged cargo ship, the gunmen hijacked an Indian fishing boat and killed its crew, then, once they were near the Mumbai coast, they used inflatable dinghies to reach Badhwar Park and the Sassoon Docks, near the city's Gateway of India monument. At that point the terrorists split into small teams and set out for their respective targets. Kasab, who was charged with various crimes, including murder and waging war, later retracted his confession. In April 2009, his trial began, but it experienced several delays, including a stoppage as officials had to verify Kasab's age so that he could not be tried in a juvenile court. Although he pled guilty in July, the trial continued, but in December, he recanted, proclaiming his innocence. In May 2010, Kasab was found guilty and sentenced to death; he was

B.H.B. College, Sarupeta

executed two years later. In June 2012 Delhi police arrested Sayed Zabiuddin Ansari (or Syed Zabiuddin), who was suspected of being one of those who trained the terrorist and guided them during the attacks. In addition to this, David C. Headley, a Pakistani American, pleaded guilty in 2011 to helping the terrorist plan the attacks, and in January 2013 he was sentenced in a U.S. federal court to a prison term of 35 years.

**Connections to Pakistan**

With evidence pointing to the attacks having originated within Pakistan's territory, India on November 28, 2008, requested the presence of Lieut. Gen. Ahmed Shuja Pasha, Director General of Pakistan's intelligence agency, as its investigation process got under way. Pakistan at first agreed to this request but subsequently backpedalled, offering to send to India a representative for the Director General, instead of Pasha himself. The immediate impact of the attacks adversely affected the ongoing peace process between the two countries. Alleging inaction by Pakistani authorities on terrorist elements, Pranab Mukharjee. India's then external affairs minister, stated, "If they don't act, then it will not be business as usual." India later cancelled its cricket team's tour of Pakistan that had been scheduled for January-February of 2009.

India's attempt at pressuring Pakistan to crack down on terrorists within its borders was strongly supported by the international community. U.S. Secretary of State, Condoleezza Rice and British Prime Minister Gordon Brown toured both India and Pakistan following the attacks in Mumbai. In a flurry of diplomatic activity that was essentially viewed as an exercise in "conflict prevention", U.S. officials and others urged Pakistan's civilian government to take action against those suspected of involvement in the attacks. There were concerns that tensions might escalate between the two nuclear-armed neighbours. India, however, refrained from amassing troops at Pakistan's border, as it had, following the attack on the Indian Parliament on December 13, 2001, an attack which was also carried out by Pakistan-based militants. Instead, India focused on building international public support through various diplomatic channels and through the media. India made a plea to the UN Security Council for sanctions against Jamaat-ud-Dawa, contending that the group was a front organization for Lashkar-e-Taiba, which had been banned by Pakistan in 2002. Acceding to India's request, the Security Council imposed sanctions on Jamaat-ud-Dawa on December 11, 2008, and formally declared the group a terrorist organization.

Pakistan claimed to have arrested Zaki-ur-Rehman Lakhvi, a senior leader of Lashkar-e-Taiba and the suspected mastermind of the Mumbai attacks, on December 8, 2008. Pakistani security forces carried out raids on Jammaat-ud-Dawa offices, but these incursive actions were later relaxed. Pakistani Prime Minister, Yousaf Raxa Gillani, stated that the activities of Jamaat-ud-Dawa should not be blocked, since "thousands of people are benefiting" from what he described as the group's "welfare activities." Pakistan further maintained that India did not provide it with sufficient evidence against a number of suspected terrorists. Pakistan refused India's demand that it extradite 20 people for their alleged involvement in several terrorist attacks on Indian territory. During his 2011 trial, however, Headley gave a detailed testimony about the involvement of both Lashkar-e-Taiba and the Pakistani intelligence agency in the Mumbai attacks.

Reaction in India

The terrorist attacks in Mumbai exposed loopholes in the security system that India had in place to deal with this "new brand" of terrorist - urban warfare characterized by symbolic attacks, multiple targets, and high casualties. Subsequent reports indicated that several intelligence warnings were shared by Indian as well as U.S. sources prior to the attacks, but that authorities ignored them citing the lack of "actionable intelligence." Moreover, there was an inordinate delay in the deployment of India's

B.H.B. College, Sarupeta

elite National Security Guards, whose commandos reached the besieged hotels some 10 hours after the first shootings took place on November 26. The lack of officials in Maharashtra state also weakened the immediate response to the crisis. India's Home Minister, Shivraj Patil, who was widely criticised in the aftermath of the attacks, tendered his resignation on November 30, 2008, declaring that he took "moral responsibility" for the assault.

The November attacks prompted the Indian government to introduce important new institutions as well as legal mechanisms to fight terrorism. On December 17, 2008, the Indian parliament consented to the creation of the National Investigation Agency, a federal counter terrorism group whose functions would be similar to those of the U.S. Federal Bureau of Investigation. Parliament also approved amendments to the Unlawful Activities (prevention) Act that incorporated stringent mechanisms to contain and investigate terrorism. Although myriad comparisons were made between the September 11, 2001 attacks in the United States and the Mumbai terror attack, the impact of the terror was of a much more-limited scale, if casualties and financial implications were taken into consideration. The Mumbai attacks did, however, evoke a similarly strong national sentiment and international outcry against such violence and renewed calls to increase efforts to deal with the menace of terrorism.

*******



B.H.P Sarupeta

# MURDEROUS ONLINE GAMES

## How to Protect the Youth

- Khagari Baruah

B.A. 5th Semester.

Online games are games which are played on the internet with a number of players playing the same game simultaneously at different geographical locations across the world. With the advent of the internet and smartphones, online games are becoming popular day-by-day. These games are based on various themes such as violence, sex-hatred, self-harm etc. Although these games allow users across the world to play and compete, they have a number of harmful effects on the youth. Some of these effects are addiction, violent behaviour, isolation, self harm etc. Recent incidents of a number of youngsters taking their lives while playing the Blue Whale Challenge are a grim reminder of the deadly consequences of playing such games.

Suraj alias Sarnam Verma, a 19-year old youth, allegedly killed his father, mother and sister by stabbing them in October 2018 in Delhi. Then, he ransacked the house to make it look as if Suraj's family members had been killed by burglars. When evidence pointed at him for the crime, he was arrested. Upon investigation, the police found that Suraj was the leader of a WhatsApp group comprising of a few friends who bunked their classes and played a violent online game. To understand Suraj's violent behaviour, and also to learn how to combat such behaviour from anyone known to us, we should understand what violent and murderous online games are and how they alter and affect the behaviour of the youth.

While it is difficult to prevent the youth from playing such dangerous game due to the online nature of these games, there are ways to protect the youth from becoming their victim. Parents, guardians, schools, media and the government can play a vital role in saving the vulnerable youth from this menace.

As the youth spend much of their time at home, the role of parents in guiding and educating them is most vital. The parents should be aware of the activities of their children and must try to perceive any change in their behaviour. The parents can guide their children on what is right and what is wrong. However, they themselves need to be aware of the prevalence of such online games and their

B.H.B College, Sarupeta

harmful effects so that they can keep a tab on their children's activities.

The role of schools and colleges in sensitizing the youth about the ill-effects of such games cannot be undermined. They can arrange seminars to educate the students about the dangers of playing such games. The issue should be brought up in the morning assembly in schools and information regarding it can be put up on banners or charts around the school. As most of the parents in urban areas are working, the information on the trends of such harmful games and spotting symptoms of addiction of these games among children can be sent to them via text messages and e-mails. Also, messages regarding the issue should be conveyed to them in parent teacher meetings. Measures such as these would greatly help in the early detections of online game addiction and violent crimes arising from playing these games.

The media has an important role to play in curbing violent incidents and deaths happening due to early and prolonged exposure of children to online games. Information about the prevalence of these deadly games, identification of symptoms of children addicted to these games and the ways to overcome such behaviour or addiction can be displayed and published in print and electronic media. As the youth of today is hooked to social media, spreading the information about the ill-effects of these games on social media would make the youth cautious before indulging or overindulging in them. Such displays can also include information about the government departments or NGOs that entrusted with the task of helping students to overcome violent behaviour occurring due to indulgence in such games.

We have discussed the roles of parent guardians, teachers, school, media and the government in protecting the youth from the deadly online games prevalent today. However, the most important point in dealing with the issue is to make the youngsters aware that it is just a game, and risking one's life for it is foolishness. The youth should also be taught to reach out to their parents, guardians or teachers if they find themselves trapped in any difficult situation arising out of playing such games.

The parents should also not hesitate in seeking medical or professional help if they find their children exhibiting the symptoms associated with addiction of online gaming. Unless everyone unites to tackle this grave issue, it would be very difficult to make the youngsters feel safe and secure from the deadly clutches of these games.

*******

B.H.B. College, Sarupeta

# Unleashing Life's Surprise : Embrace Spontaineity

Hiyangkana Das
B.A. 5th Semester

